REFERENCE
(NOT FOR ISSUE)

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FIFTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. III

### NO. 2

The 22nd February, 1979

सत्यमेव जयते

1984

*PRINTED AT GEETALI ART PRESS, DISPUR, G. S. ROAD, GUWAHATI— 781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 2

Dated the 22nd February, 1979.

## CONTENTS.


| | | Pages |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5—43 |
| 2. | Miscellaneous ... ... ... ... ... | —43 |
| 3. | Notice of Breach of Privilege .. ... ... | 44—46 |
| 4. | Calling Attention ... ... ... ... | 47—49 |
| 5. | Matter under Rule 301 ... ... ... ... | 50—56 |
| 6. | Introduction of Govt. Bill ... ... ... | —57 |
| 7. | Announcement by the Chair ... ... ... | 58—59 |
| 8. | Debate on Governer's Address ... ... ... | 63—140 |
| 9. | Adjournment ... ... ... ... | —141 |



REFERENCE
(Not for Issue)
Read[illegible] Inside Library

## Proceedings of the Third session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday, the 22nd February, 1979 with the Hon. Speaker in the Chair, 12 ( twelve ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretaries and 101 ( One hundred and one ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

( To which oral answers were given )

শ্রীনীশিথ রঞ্জন দাস :— মাননীয় অধ্যক্ষ মহোদয়, বিগত শীত কালীন অধিবেশনে মাননীয় সদস্যগণ ১১ শতাধিক প্রশ্ন এই সদনে দাখিল করেছিলেন এবং পবিত্র সদনে উপস্থাপিত করাজণ্য সহস্রাধিক

প্ৰশ্ন গৃহীত হয়েছিল। কিন্তু অত্যন্ত তুঃখেৰ বিষয় যে মাত্ৰ ৪১৬ টি প্ৰশ্ন উপস্থিত কৰাহয়.........

মাননীয় অধ্যক্ষ :— মাননীয় সদস্যই এই বিষয়ে পিছত কব এতিয়া প্ৰশ্নত্তোৰ চলিব।

শ্ৰীনীশিথ ৰঞ্জন দাস :— আমি জানতে চাই যে এই অধিবেশনে মখ্যমন্ত্ৰী কত পাৰ্সেণ্ট প্ৰশ্নের উত্তর দিবেন। আমরা দাবী করছি যে শতকরা ৯০ ভাগ প্ৰশ্নের উত্তর যেন এই বিধান সভায় দেওয়া হয়। যে-সকল বিভাগ প্রশ্নের উত্তর প্রদানে গাফিলতি করবে তাদের প্রতি উপযুক্ত ব্যবস্থা নেওয়া হবে কি ?

Mr. Speaker :— I am on my leg. The hon'ble member will please resume his seat. This is question hour. Now Shri Mukut Sarma please.

বিষয়ঃ— অসম লোকসেৱা ১ ম আৰু ২ য় শ্ৰেণীৰ একত্ৰিকৰণ

শ্ৰীমুকুত শৰ্ম্মাই সুধিছে ঃ

* ১। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম লোকসেৱা ১ ম শ্ৰেণী আৰু ২ য় শ্ৰেণীক একত্ৰীকৰণ কৰাৰ কথা চৰকাৰে চিন্তা কৰিছেনেকি ?

(খ) যদি কৰিছে, কেতিয়াৰ পৰা উক্ত একত্ৰিকৰণ কৰা হব ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) যে উত্তৰ দিছে ঃ

১। (ক) আৰু (খ) এই বিষয় চৰকাৰে বিবেচনা কৰি আছে ।

শ্ৰীমুকুট শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, যোৱা নবেম্বৰ মাহত অসম চিভিল চাৰ্ভিচ এচোচিয়েশ্যনৰ ৩১ তম অধিবেশনত, যি খন অধিবেশনত বাননিয়ন্ত্ৰণ মন্ত্ৰীয়ে সভাপতিত্ব কৰিছিলে আৰু মুখ্য মন্ত্ৰীয়ে উদ্বোধন কৰিছিলে । তেখেতৰ উদ্বোধনী ভাষণত মুখ্য মন্ত্ৰীয়ে 'নো টাইম' কামটো কৰিম বুলি কৈছিলে । গতিকে তেখেতৰ নো টাইমটো কেতিয়া হব জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— এই বিষয়ে পৰীক্ষা-নিৰিক্ষা কৰি থকা হৈছে।

শ্ৰীমুকুট শৰ্ম্মা ঃ— সেই অধিবেশনত তেখেতসকলে এটা প্ৰস্তাব গ্ৰহন কৰিছিল আৰু চৰকাৰে অতি সোনকালে এমালগেমেট নকৰাৰ কাৰণে উদ্বেগ প্ৰকাশ কৰিছিল । আৰু তেখেত সকলে ৩১ ডিচেম্বৰৰ ভিতৰতে এমালগেমেট কৰিবৰ কাৰণে এটা প্ৰস্তাৱযোগে চৰকাৰক অনুৰোধ কৰিছিল । এই প্ৰস্তাৱৰ বিষয়ে মুখ্য মন্ত্ৰীয়ে জানেনে?

শ্ৰীগোলাপ বৰবৰা (মুখ্য মন্ত্ৰী) ঃ— এই প্ৰস্তাৱৰ বিষয়ে চৰকাৰে জানে । এই বিষয়ে পৰীক্ষা-নিৰিক্ষা কৰি থকা হৈছে । তেখেতসকলে যিটো সময়ৰ সীমা বান্ধি দিছিল সেই সময়ৰ ভিতৰত চৰকাৰে কৰিব পৰা নাই ।

মঃ চামচুল হুদা :— মুখ্যমন্ত্ৰীয়ে এইটো কথা জানেনে যে প্ৰথম শ্ৰেণী আৰু দ্বিতীয় শ্ৰেণী এমালগেমেট কৰিবলৈ যাওঁতে ইমান সময় লগাইছে কিন্তু আমাৰ ওচৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গত ইতিমধ্যে এমালগে-মেট কৰিলেই । এইটো তেখেতে বিবেচনা কৰিবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— আমি পশ্চিমবঙ্গ, বিহাৰ আদিৰ পৰা ৰিপৰ্ট সংগ্ৰহ কৰিছো আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই তেনেকুৱা ব্যৱস্থা গ্ৰহন কৰিবৰ কাৰণেই পৰীক্ষা-নিৰিক্ষা কৰি থকা হৈছে ।

Shri Altaf Hossain Mazumdar :— Mr. Speaker, Sir, this question has been agitating since long. It is a vital question so far as the employees of the State are concerned. Is the Chief Minister not in a position to give a date line by which the thinking can be finalised ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— যিমান সোনকালে পৰা হয় কৰা হব । কিন্তু সময়ৰ সীমাৰেখা ধৰি দিব পৰা নহব ।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে একত্ৰীকৰণৰ

বিষয়টো বিবেচনা কৰি থকা হৈছে। কিন্তু অলপতে অসম লোক সেৱা আয়োগে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ পৰীক্ষা সুকীয়া ভাবে ললে। এইসকল পাছ কৰি ওলাই অহাৰ পিছত এই দুয়ো শ্ৰেণীৰ মাজতে একত্ৰী কৰণৰ বিষয়ত সংঘৰ্ষ নহবনে ?

শ্ৰীগোলাপ বৰবৰা ( মখ্যমন্ত্ৰী ) ঃ— কোনো সংঘৰ্ষ নহব। তেওঁলোকক নিয়োগ কৰাৰ পিচতো একত্ৰীকৰণ কৰিব পৰা হব।

শ্ৰীমুকুট শৰ্মা : — মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা মই এইটো জানিব বিচাৰিছো যে তেখেতে যিটো অশ্বাস দিছিল নো টাইম কৰিব বুলি, এই নো টাইমটো কেতিয়া হব।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— সোনকালেই হব।

Starred Queftion Nos. 2 and 3 were not put, the Members being absent.

বিষয় ঃ— ৰাজগড়ত খাদী বৰ্ডৰ গুৰ উন্নয়ণ কেন্দ্ৰ

শ্ৰীভদ্ৰেশ্বৰ গগৈয়ে সুধিছে ঃ

* 8। মাননীয় খাদী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজগড়ত খাদী বৰ্ডৰ এটা গুৰ খানচাৰি কেন্দ্ৰ আছে নেকি ?

(খ) এই গুৰ খানচাৰি কেন্দ্ৰটোৰ জৰিয়তে কি কি কাম কৰা হৈছে ?

(গ) এই কেন্দ্ৰটোত কেইজন কৰ্মচাৰী আছে ?

(ঘ) তেওঁলোক কিমান বছৰৰ পৰা আছে ?

শ্ৰীগান্ধীৰাম টিমুং ( খাদী বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

৪ (ক) ৰাজগড়ত (ডিব্ৰুগড় জিলা ) খাদী বৰ্ডৰ এটা গুৰ উন্নয়ন কেন্দ্ৰ আছে।

(খ) এই কেন্দ্ৰৰ জৰীয়তে সেই অঞ্চলৰ কুঁহিয়াৰ খেতিয়ক সকলক উন্নত ধৰণৰ সাজ-সজুলিৰ যোগান ধৰা হৈছে ।

(গ) এই কেন্দ্ৰত বৰ্ডৰ মাত্ৰ এজন গুৰ গাইড্ আছে । তেওঁৰ নাম শ্ৰীঅমিয় কুমাৰ খনিকৰ ।

(ঘ) তেওঁ গত ১৬-৬-৭১ চনৰ পৰা আছে ।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— অধ্যক্ষ মহোদয়, ৰাজগড় খান্দাচাৰী কেন্দ্ৰৰ পৰা কুহিয়াৰ খেতিয়ক সকলক ধাৰে দিয়া হৈছে নেকি ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— এই খান্দচাৰী কেন্দ্ৰৰ জৰিয়তে কঁুহিয়াৰ খেতিয়কসকলক উন্নত ধৰণৰ সা-সজুঁলি আহোৰণ কৰাত সহায় কৰা হৈছে আৰু উত্পাদনৰ কাৰণে দিহা পৰামৰ্শয় আগবঢ়োৱা হৈছে ।

শ্ৰীভদ্ৰেশ্বৰ গগৈ ঃ— ধাৰে দিয়া হৈছে নে নাই ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) :— ঋণ দিয়া হৈছে । কোনো খেতিয়কে ঋণ বিচাৰিলে দিয়া হয় ।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— কিমান ঋণ দিয়া হৈছে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) :— কিমান ঋণ দিয়া হৈছে সেই তথ্য মোৰ হাতত নাই । কঁুহিয়াৰ খেতিয়কে খেতিৰ কাৰণে ঋণ বিচাৰিলে আমি দিম ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ— ৰাজগড় খান্দচাৰী গুড় উন্নয়ণ কেন্দ্ৰৰ দৰে অসমত আৰু তেনেকুৱা কেইটা গুড় উন্নয়ণ কেন্দ্ৰ আছে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) :— অসমৰ বিভিন্ন ঠাইত এনেধৰণৰ ৮ টা কেন্দ্ৰ আছে এই কেইটা হৈছে ৰাজগড়, শিৱসাগৰ, ফুলগুৰী, বৰ পথাৰ মাজাখালি, দৰঙৰ জামুগুৰি, নলবাৰী আৰু কাছাৰৰ দুৰ্লভচেৰা । এইকেইটা কেন্দ্ৰ কাৰ্য্যকৰী কৰা হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— খান্দচাৰী কেন্দ্ৰবিলাকত যিবিলাক ঋণ দিয়া হয় তাৰ লগত শালো দিয়া হয় নেকি ? এই ৰাজগড় কেন্দ্ৰটো হোৱা ৮

বছৰ হল। ইয়াত অডিট কৰাৰ ব্যৱস্থা আছে নে নাই ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— অডিট কৰাৰ ব্যৱস্থা আগতে নাছিল যদিও এতিয়া ব্যৱস্থা কৰা হৈছে।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— ৰাজগড় কেন্দ্ৰত যিবিলাক ঋণ আৰু শাল দিয়া হৈছে, এনে মানহ কিছুমানৰ নামত দিয়া হৈছে যিবিলাক মানুহ তাত নাই।

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— এই বিষয়ে আমি খবৰ কৰিম।

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ :— মই জানিব বিচাৰিছো যে ৰাজগড় কেন্দ্ৰৰ পৰা কিমান খেতিয়ক উপকৃত হৈছে। কিমান ঋণ দিয়া হৈছে আৰু কিমান শাল দিয়া হৈছে। এইটোৰ হিচাব দিবনে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— এইটোৰ বেলেগে প্ৰশ্ন দিলে ভাল হয়।

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ঃ— ইয়াত ৰাজগড়ৰ প্ৰশ্নই চলি আছে। ইয়াত বেলেগ প্ৰশ্নৰ দৰকাৰ নাই। মোৰ প্ৰশ্ন হৈছে এই কেন্দ্ৰত কিমান টকা খৰচ কৰা হৈছে, কিমান মানুহ উপকৃত হৈছে আৰু কিমানক ঋণ, শাল আদি দিয়া হৈছে।

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— শাল ৪৪ খন আৰু থালি ৩৭ টা দিয়া হৈছে। এইধৰণে আমি ঋণ দিছো আৰু কুঁহিয়াৰ পেৰিবৰ কাৰণে যিখিনি ব্যৱস্থা কৰিব লাগে আমি সকলোখিনি কৰিছো।

Shri Golok Rajbangshi :— Sir, the Minister should come well equipped with all the information. If he is not prepared with all the information let him keep the question pemding.

শ্ৰীএ, এন, আক্ৰাম হোচেইন ঃ— অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু আপোনাৰ পৰা এইটো ৰুলিং হব লাগে যে, আমাৰ প্ৰতি মন্ত্ৰী মহোদয় সকল সদায় কাথচিতিয়া হৈ থাকিবনেকি ?

মাননীয় অধ্যক্ষ ঃ— এইটো এটা বেলেগ প্ৰশ্ন ।

শ্ৰীভদ্ৰেশ্বৰ গগৈ :— অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে, এতিয়ালৈকে আৰু যিখিনি দিয়া হৈছে সেইখিনি ঋণ হিচাবে দিয়া হৈছেনে অনুদান হিচাবে দিয়া হৈছে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— এইটো অনুদান হিচাবে দিয়া হৈছে ।

শ্ৰীগজেন টাতী ঃ—মন্ত্ৰী মহোদয়ে এবাৰ ঋণ বুলি আৰু এবাৰ অনুদান বুলি কৈছে । আচলতে এইটো ঋণ দিয়া হৈছেনে নাই অনুদান দিয়া হৈছে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— মাননীয় সদস্য সকলক এইটো পৰীক্ষা নিৰিক্ষা কৰি চাই বিতং ভাবে জনোৱা হব ।

বিষয় ঃ প্ৰস্তাৱিত বৰপেটা জিলা

শ্ৰীএম ইব্ৰাহীম আলিয়ে সুধিছে ঃ

* ৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) জন সংখ্যা আৰু ভৌগলিক দিশৰ পৰা বৃহত আৰু গুৰুত্বপূৰ্ণ প্ৰস্তাৱিত বৰপেটা জিলাৰ সুশৃংখল প্ৰশাসন আৰু প্ৰগতি মূলক আচনিৰ বাস্তৱ ৰূপায়নৰ উদ্দেশ্যে অনতি পলমে চৰকাৰে জিলা উপায়ুক্ত, জিলা পুলিচ বিষয়া আৰু অন্যান্য গুৰুত্বপূৰ্ণ চৰকাৰী বিভাগবোৰৰ বিকেন্দ্ৰীকৰণ কৰি বৰপেটালৈ নমাই আনিবনে ?

(খ) যদি নানে, তাৰ কাৰণ পবিত্ৰ সদনক জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৫। (ক) পৰ্য্যায় ক্ৰমে বৰপেটা মহকুমাক জিলালৈ উন্নতী কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে।

(খ) (ক —প্ৰশ্নৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত এই প্ৰশ্ন নুঠে ।

শ্ৰীএন ইব্ৰাহীম আলি :— অধ্যক্ষ মহোদয়, প্ৰস্তাৱিত জিলা সমূহৰ ক্ষমতা বিকেন্দ্ৰীকৰণৰ ক্ষেত্ৰত কিছুমান তালিকা প্ৰস্তুত হোৱাৰ কথা সচানে আৰু এই তালিকা ইন অৱদাব অব প্ৰায়ৰটি কৰা হৈছেনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এইটো সিদ্ধান্ত কৰা হৈছে আৰু ইতিমধ্যে কৈছো যে, এইটো পৰ্য্যায় ক্ৰমে কৰা হব আৰু যিবিলাক মহকুমাত জটিল সমস্যা আছে সেইবিলাকে অগ্ৰাধিকাৰ পাব ।

শ্ৰীগোলোক ৰাজবংশী :— মন্ত্ৰী মহোদয়ে, যি পৰ্য্যায়ৰ কথা কৈছে এই পৰ্য্যা-

য়ৰ অৰ্থ কি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই গোটেইখিনি কাৰ্য্যকৰী কৰিবলৈ আমাৰ হাতত যি অনুপাতে ধন থাকিব তাৰ ওপৰত ভিত্তি কৰি কৰা হব। ইয়াৰ আগতেও তেনেকুৱা উদাহৰণ আছে। মই নিজে তিনিচুকীয়া মহকুমাৰ পৰা আহিছো তাত এখন কাচাৰি নাই, জেইল নাই, এচ, দি, অ, বঙলা নাই। এতিয়া এইখিনি কৰিবলৈ হলে কিছু সময়ৰ প্ৰয়োজন হব।

শ্ৰীচামচুল হুদা :— অধ্যক্ষ মহোদয়, এই চৰকাৰৰ সিদ্ধান্ত পৰ্য্যায় ক্ৰমে কাৰ্য্যকৰী কৰা হব এই কাম কেতিয়াৰ পৰা ৰাবম্ভ হব ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) : ইতিমধ্যে সীমা মুৰীয়া তিনিটা মহকুমাত মহকুমা পৰ্য্যায়ত কাম আৰম্ভ হৈছে।

শ্ৰীপ্ৰেমধৰ বৰা :— অধ্যক্ষ মহোদয়, প্ৰস্তাৱিত জিলা আৰু মহকুমাৰ সিদ্ধান্ত কৰাৰ লগতে চৰকাৰে এইটো পৰ্য্যালোচনা কৰি চাইছিলনে যে ইয়াত কিমান টকা পৰিমান লাগিব আৰু কিমান বছৰত এই-খিনি কাম সম্পূৰ্ণ কৰা হব ইয়াৰ কিবা পৰিসংখ্যা কৰি চাইছেনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— পৰ্য্যালচনা কৰি চোৱা হৈছে। আৰু কিছু সময় লাগিব। তাৰ ভিতৰত যিমান সোনকালে কৰিব পৰা যায় তাৰ বাবে চিন্তা কৰা হব।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মন :— মন্ত্ৰী মহোদয়ে জিলা আৰু মহকুমা পৰ্য্যায়ত কাম

কৰিবলৈ সিদ্ধান্ত লৈছে। মই এইটো স্পষ্টভাবে জানিব বিচাৰিছো যে, বজালী মহকুমাৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এইটো সোনকালে কৰা হব।

শ্ৰীলক্ষ্য নাথ দলে :— জিলা আৰু মহকুমা কৰাৰ বাবে প্ৰাইঅৰিটি লিষ্ট তৈয়াৰ কৰিছেনেকি ? যদি কৰিছে বৰপেটা জিলা কেই নংত পৰিছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— নংৰ লিষ্ট কৰা নাই।

শ্ৰীনিশীথ ৰঞ্জন দাস :— জেলা পূর্ণগঠন করার বিষয়কে কেন্দ্র করে করিমগঞ্জ মহকুমার বিভিন্ন স্থানে যে হরতাল বিক্ষোভ ও জনসভা চলছে তার কারণ মুখ্যমন্ত্রী মহাশয় জানেন কি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— কাৰণটো বোধকৰো মাননীয় সদস্যই নিজেই জানে আৰু আমি আপত্তিবিলাকো পৰ্য্যালোচনা কৰিছো।

শ্ৰীফণি মেধি :— চৰকাৰে কৈছে যে, পৰ্য্যায়ক্ৰমে মহকুমা বিলাক জিলালৈ ৰূপান্তৰ কৰিছে। কিছুমান ঠাইত যিবিলাকত মহকুমা কাৰ্য্যালয়ত গুৰুত্বপূৰ্ণ দপ্তৰ আছে কিন্তু ধনৰ অভাৱত জিলালৈ ৰূপান্তৰ কৰিব পৰা নাই, সেই মহকুমা বিলাক উন্নত কৰাৰ চিন্তা কৰিব লাগে।

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিষয়ে আমি চিন্তা কৰিছো।

শ্ৰীনিশীথ ৰঞ্জন দাস :— সেখানকার জনপ্রতিনিধিদের সঙ্গে আলাপ আলোচনা

করে জেলা হেড-কোৱাটার্সের স্থান নির্দ্ধারনের ব্যাপারে সিদ্ধান্ত গ্রহণ করবেন কি ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) ঃ— এই বিষয়ে আমি কৰিমগঞ্জৰ মানুহৰ পৰা যি প্রতিবেদন পাইছো সেই বিষয়ে বিবেচনা কৰা হব ।

শ্রীবানেশ্বৰ শইকীয়া :— চৰকাৰে মহকুমা আৰু জিলা পুনৰগঠনৰ প্রস্তাৱ লৈছে । এই প্রস্তাৱৰ সন্দর্ভত চৰকাৰে পর্য্যালোচনা কৰি এইবিলাক কার্য্যকৰী কৰিবলৈ লৈছে । মই মুখ্য মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই মহকুমা আৰু জিলা পুনৰগঠনৰ কামত অসমৰ নিচলা অর্থনীতিত ইয়াৰ প্রভাৱ কেনে ধৰণৰ হব আৰু অর্থনৈতিক উন্নয়নৰ কোন বিলাকত সহায় কৰিব জনাৰনে ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) ঃ— আর্থিক হেচা নিশ্চয় পৰিব । কিন্তু অর্থনৈতিক উন্নয়নৰ ক্ষেত্রত নিশ্চয় সহায় কৰিব কাৰণ ক্ষমতা বিকেন্দ্রীকৰণৰ কথা আমি চিন্তা কৰিছো । মহকুমাৰ ভিত্তিত জিলা গঢ়ি উঠিব আৰু বিভিন্ন উন্নয়নমূলক কামৰ কাৰণে তলৰ লেভেলত বিভিন্ন কমিটি আদি হব আৰু নিশ্চয় গ্রাম্যাঞ্চল অর্থনীতিত আগবঢ়াই নিয়াত সহায় কৰিব ।

শ্রীগিয়াছুদ্দিন আহমেদ ঃ— জিলা আৰু মহকুমা পুনৰ গঠন সম্পর্কত চৰকাৰে কহলী কমিচনৰ ৰিপ'ৰ্ট মতে কৰিবলৈ লৈছেনেকি ? যদি কৰিছে তেনেহলে গোৱালপাৰা জিলাৰ বিলাসীপাৰাত এই কমিচনৰ সিদ্ধান্ত মতে কাম কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কহলী কমিচনৰ ৰিপ'ৰ্ট আৰু ভটিনগৰ কমিচনৰ ৰিপ'ৰ্টৰ ওপৰত বিবেচনা কৰি প্ৰশাসনীয় সা-সুবিধাৰ কথা বিবেচনা কৰাৰ সিদ্ধান্ত লোৱা হৈছে।

Shri Fakhrul Islam :— About the decision to create a District in Karimganj and its headquarters the peo-ple of that area has raised vehement protest and in support of their portest, they have observed a 'Bund' also. Whether the Cheif Minister would consider this matter afresh and take a favourable decision giving priority to Karimganj ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— এই সকলোবিলাক কথাই আপত্তি,বিপত্তি আমি বিবেচনা কৰিম। প্ৰশ্নটো আছিল বৰপেটা জিলা সংক্ৰান্তত কিন্তু মাননীয় সদস্য সকলে সকলো ঠাইৰে সমস্যা আদিৰ কথা দাঙি ধৰিছে আৰু আমি তাক যাথাযথ উত্তৰ দিবলৈ চেষ্টা কৰিছো।

শ্ৰীশুল বৰা :— লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া অঞ্চলত এটা মহকুমা কৰিব লাগে বুলি ৰাইজৰ পৰা কিবা আবেদন আদি চৰকাৰে পাইছে নে? যদি পাইছে নতুন মহকুমা কৰাৰ চৰকাৰে ব্যৱস্থা কৰিব নে?

(উত্তৰ নাই)

শ্ৰীআব্দুল লটিফ :— ভৌগলিক সীমা আৰু জনসংখ্যাৰ ভিত্তিত লিণ্ট কৰা নাই বুলি কৈছে। যদি জনসংখ্যা বা ভৌগলিক ভিত্তিত প্ৰায়ৰিটি

কৰি লিচ্ট কৰা হয় তেনেহলে বৰপেটাৰ ক্ষেত্ৰত প্ৰায়ৰিটি দিয়া হব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— বিবেচনা কৰা হব ।

ডাঃ তাৰিণী দাস :— বজালীক মহকুমা কৰা হৈছে কিন্তু এই মহকুমাৰ ক্ৰীয়া বা সীমা নিৰ্দ্ধাৰন কৰা হৈছে নেকি জনাব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সীমা নিৰ্দ্ধাৰন সম্পৰ্কে এতিয়াও বিভিন্ন জিলা, মহকুমাৰ পৰা ওজৰ আপত্তি আহিয়ে আছে আৰু সেই সম্পৰ্কে পৰ্য্যালোচনা কৰি থকা হৈছে ।

শ্ৰীজয়নাল আবেদিন :— এই জিলা বা মহকুমা বিলাক পৰ্য্যায়ক্ৰমে কৰা হব বুলি কৈছে । এই ৪ বছৰটোৰ ভিতৰতে পৰ্য্যায়ক্ৰমটো শেষ হব নে ? দ্বিতীয় কথা গোৱালপাৰাৰ দক্ষিণ পাৰত এটা মহকুমা কৰাৰ কথা কৈছে, এই ৪ বছৰৰ পৰ্য্যায়ক্ৰমত সেইটো হৈ উঠিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— ৪ বছৰৰ ভিতৰতে যিমান সম্ভৱ কৰিবলৈ চেষ্টা কৰা হব । এইখিনিতে আপোনালোকৰ সহোযোগও নিৰ্ভৰ কৰে ।

শ্ৰীইকলিয়াচ টিকি :— সৰুপথাৰ সমষ্টিৰ ভিতৰত যিটো পৰিস্থিতিৰ উদ্ভৱ হৈছিল, সেই সময়ত মন্ত্ৰীসকল তালৈ গৈ তাত এটা মহকুমা কৰাৰ সোনকালে ব্যৱস্থা কৰা হব বুলি কৈছিল । মুখ্যমন্ত্ৰীৰ পৰা জানিব বিছাৰিছো অতি সোনকালে সেই মহকুমা কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সৰুপথাৰত মহকুমা হব বুলি কোৱা নাই কিন্তু সেই অঞ্চলৰ পৰিস্থিতিলৈ চাই তাত এটা প্ৰশাসনীয় গোট কৰাৰ কথা চিন্তা কৰা হৈছে ।

মঃ চামচুল হুদা :— মাননীয় মুখ্যমন্ত্ৰীয়ে যিটো উত্তৰ দিছে ইতিমধ্যে তলে তলে গোপনে এই মহকুমা জিলাবিলাকৰ সীমা নিৰ্দ্ধাৰন কৰাৰ পাছত ৰাইজৰ মাজত বিক্ষোভে দেখা দিছে গতিকে সীমা নিৰ্দ্ধাৰন কৰিবলৈ যাওঁতে সেই অঞ্চলৰ ৰাইজৰ পৰা ৰাজহুৱা ভাবে মতামত লোৱাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— বহুত ঠাইত সীমা ঠিক হৈয়ে আছে। ২-৪ খন ঠাইৰ পৰা মাত্ৰ ওজৰ আপত্তি আহিছে সেইখিনি এডজাষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে ।

শ্ৰীমুকুট শৰ্ম্মা :— যোৱা ২৬ জানুৱাৰী তাৰিখে সৰুপথাৰত আমাৰ কৃষি মন্ত্ৰী মহোদয়ে ৰাজহুৱা ভাৱে ঘোষণা কৰিছিল যে সৰুপথাৰত এটা মহকুমা দিয়া হব। এই বিষয়ে আমি কাগজে পত্ৰই আৰু অল ইণ্ডিয়া ৰেডিও যোগেও শুনিছো । মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা এই সম্পৰ্কত মই স্পষ্টিকৰণ বিছাৰিছো ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— ইয়াত এটা প্ৰশাসনীয় গোট হব বুলিহে কোৱা হৈছে, সেই অঞ্চললৈ লক্ষ্য কৰি তাত গড়কাপ্তানি বিভাগৰ ডিভিজন আৰু আন আন বিভাগৰ শাখা খুলি এটা প্ৰশাসনীয় গোট কৰাৰ কথাহে ভবা হৈছে ।

শ্ৰীমুকুটশৰ্মা :— প্ৰশাসনীয় গোট আৰু চাব ডিভিজনৰ মাজত প্ৰাৰ্থক্য কি মুখ্যমন্ত্ৰীয়ে জনাব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— মহকুমা নহয় প্ৰশাসনীয় সা-সুবিধালৈ লক্ষ্য কৰি তাত এজন ই এ চি ৰাখি প্ৰশাসনীয় গোটহে কৰা হব।

শ্ৰীবিপিন হাজৰীকা ঃ— চাপাখোৱাৰ সলনি এই মহকুমাটোক শদিয়া মহকুমা কৰাৰ ব্যৱস্থা কৰা হবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— ইতিমধ্যে কৰা হৈছে।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী ঃ— নতুন মহকুমা বিলাক গঠণ হোৱাৰ পাছত মাৰ্ঘে-ৰিটাত এটা মহকুমা হব লাগে বুলি ৰাইজৰ পৰা আবেদন আহিছে নেকি ? এই অঞ্চলৰ ৰাইজে আজি ৪-৫ বছৰধৰি এই দাবী কৰি আহিছে কিন্তু তেওঁলোকে নিশ্চিত নাম নাপালে। এই বিষয়ে এতিয়াও মুখ্যমন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থ্যা কৰিব নে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) ঃ— লিহটথন্ন ভতাতৈয়াকে কৰাৰ বাবে কিছু ক্ৰুটি হব পাৰে, ৰাইজৰ দাবী বিবেচনা কৰিব লাগিব।

মাননীয় অধ্যক্ষ :— প্ৰশ্নটো আছিল বৰপেটা জিলা সম্পৰ্কত, ইতিমধ্যে এই প্ৰশ্নটোৰ ওপৰত বহুত আলোচনা হৈ গ'ল। এতিয়া আমি ৬ নং প্ৰশ্নলৈ আহো।

শ্ৰীশুল বৰা :— মোৰ আগৰ প্ৰশ্নটোৰ উত্তৰ নিদিলে। বিহপুৰীয়াত মহকুমা হব লা:গ বুলি ৰাইজৰ আবেদন পাইছে নে নাই ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ):— আবেদন বহুত ঠাইৰ পৰাই আহিছে। আনকি দুটা চাৰ্কুল বা দুখন গাঁও লগহৈও মহকুমা কৰিব লাগে বুলি কৈছে। সেইবিলাক ভৱিষ্যতে বিবেচনা কৰা হব।

বিষয় ঃ উত্তৰ লক্ষীমপুৰ পৌৰ সভা এলেকাত খোৱা পানী যোগানৰ আঁচনি।

শ্ৰীশুল বৰাই সুধিছে ঃ

* ৬। মাননীয় পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰীমহোদয়ে আনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ পৌৰ সভা এলেকাৰ ভিতৰত খোৱা পানী যোগান ধৰিবলৈ পাব্লিক হেলথ ইঞ্জিনিয়াৰৰ পৰা উক্ত পৌৰ সভাই আঁচনি পাইছেনে ?

(খ) যদি পাইছে, এই আঁচনি কিমান টকাৰ ?

(গ) এই আঁচনিৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীজেহিৰুল ইছলাম, ( পৌৰ প্ৰশাসন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৬। (ক)— পোৱা নাই।

(খ) আৰু (গ) প্ৰশ্ন নুঠে।

শ্ৰীফনি মেধি ঃ— কংগ্ৰেছৰ ৩১ বছৰৰ শোষণৰ পাছতো আজিও বাইজে পানী মেটেকাৰ তলৰ পৰাই পানী খাই আছে। খোৱা পানীৰ ব্যৱস্থা বহুত ঠাইতে নাই। পৌৰ নিগমৰ এলেকাতো আনকি পানীযোগানৰ ব্যৱস্থা নাই। অলপতে কৰিমগঞ্জত যাওঁতে দেখিলো এতিয়াও চহৰৰ মানুহে দূৰতগৈ কুৱাৰ পানী আনে। এই ব্যৱস্থা জনতা চৰকাৰে কেতিয়া দূৰ কৰিব আমাক জনাব নে?

শ্ৰীজেহিবুল ইচলাম (পৌৰ মন্ত্ৰী) ঃ— নতুন চৰকাৰে চহৰে গাৱেঁ সকলোতে অতিসোনকালে পানীযোগানৰ ব্যৱস্থা কৰিব।

শ্ৰীবানেশ্বৰ শইকীয়া :— আজি বহু বছৰধৰি নগাওঁৰ বাইজে দাবী কৰি আহিছে যে তাত চহৰৰ ভিতৰত খোৱা পানীৰ ব্যৱস্থা কৰিব লাগে কিন্তু আজিলৈকে তাৰ ব্যৱস্থা নহ'ল। নতুন চৰকাৰে সেই ব্যৱস্থা অতি সোনকালে লব নে?

শ্ৰীজেহিরুল ইচলাম (মন্ত্ৰী) ঃ— এইটো বেলেগ প্ৰশ্ন দিলে ভাল হয়।

শ্ৰীশূল বৰা ঃ— অধ্যক্ষ মহোদয়, লক্ষীমপুৰ নগৰত পৌৰ সভাৰ পানী যোগানৰ যি ব্যৱস্থা চলি আছে সি অত্যন্ত উদ্বেগজনক। গতিকে এই সম্পৰ্কে চৰকাৰে অতি সোনকালে ব্যৱস্থা আৰু আঁচনি কৰি তাক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা অবিলম্বে কৰিবনে? এই কথা এই সদনতে মন্ত্ৰী মহোদয়ে পৰিস্কাৰকৈ কব লাগে।

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, আৰবান এৰিয়াত লোকেল অথৰিটিয়ে পানী যোগান ধৰে। লক্ষীমপুৰ টাউনত পানী যোগান ধৰাৰ বাবে যোৱা বছৰ মাৰ্চ মাহতে চাৰ্ভে কৰাৰ কাৰণে ৫ হেজাৰ টকা চৰকাৰৰ ফালৰ পৰা দিয়া হৈছিল। চাৰ্ভে কৰি প্লেন এণ্ড এষ্টমেট দাখিল কৰিলে ইয়াৰ বাবে মঞ্জুৰী দিয়া হব আৰু ইতিমধ্যে এখন কমিটী কৰা হৈছে যাতে সোনকালে প্লেন এণ্ড এষ্টমেট দিব পাৰে।

শ্ৰীপ্ৰেম বৰা :— অধ্যক্ষ মহোদয়, চৰকাৰে যেতিয়া পাঁচ হেজাৰ টকা দিছিল তেতিয়া ইমান সময়ৰ ভিতৰতে চাৰ্ভে শেষ কৰিব লাগিব বুলি কিবা সময়ৰ সীমা বান্ধি দিছিল নে কি ?

শ্ৰীজেহিৰুল ইচলাম ( মন্ত্ৰী ) :— হয়, দিয়া হৈছিল ইয়াৰ ৰিপৰ্ট সোন কালে পাম বুলি আশা ৰাখিছো।

শ্ৰীফনি মেধি :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে গাওঁ অঞ্চলত পানী যোগানৰ ব্যৱস্থা কৰা হব। কিন্তু অভয়াপুৰী, বিজনী আদি সৰু টাওনবোৰত পানী যোগানৰ কি ব্যৱস্থা ৰাখিছে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, টাউন এৰিয়াবোৰত আৰবান লোকেল অথৰিটি যেনে - মিউনিচিপাল বৰ্ড, টাউন কমিটি আদিয়ে পানী যোগান ধৰাৰ নিয়ম। এই মতে তেওঁলোকে প্ৰস্তাৱ দিব লাগে আৰু পাবলিক হেল,থ ইঞ্জিনিয়াৰে স্কীম বনাই মিউনিচিপাল বৰ্ড বা টাউন কমিটীলৈ লৈ আহে আৰু লগে লগে পানী

যোগানৰ ব্যৱস্থা কৰে। অভয়াপুৰীৰ পৰাও যদি এনে প্ৰস্তাৱ আছে সোনকালে ব্যৱস্থা কৰা হব।

শ্ৰীযোগেন গগৈ ঃ— অধ্যক্ষ মহোদয়, শিৱসাগৰ টাউনৰ বৰপুখুৰীটোৰ পানী শুকাই গৈছে, এই পুখুৰীটোত পানী ৰাখি নগৰখনৰ শোভা বৰ্দ্ধনৰবাবে চৰকাৰে ব্যৱস্থা লবনে ?

( উত্তৰ নাই )

শ্ৰীগোলোক ৰাজবংশী ঃ— অধ্যক্ষ মহোদয়, যিবিলাকে ঋণ বিচাৰিছে সকলোকে দিয়া হৈছেনে ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী ) :— হয়।

শ্ৰীগোলোক ৰাজবংশী ঃ— ৰঙাগড়ত দিয়া হৈছে নে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ — বোধকৰো প্লেন এণ্ড এষ্টিমেটত কিবা গণ্ডগোল আছে, সেই বাবে দিয়া হোৱা নাই।

শ্ৰীনিশিথ ৰঞ্জন দাস ঃ— স্যার, বছর পুরের জনসাধারন দীর্ঘদিন ধরে পানীয় দলের জন্য সরকারের কাছে আবেদন নিবেদন করে আসছে, বিভাগীয় মন্ত্রী মহোদয় কি একথা জানেন ? জানলে এই কি ব্যবস্থা গ্রহণ করছেন ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) ঃ— এই ক্ষেত্ৰত কিছু জটিলতা আছে। নহলে

চৰকাৰৰ ফালৰ পৰা কোনো অসুবিধা নাই ।

শ্ৰীনিশিথ ৰঞ্জন দাস :— কি জটিলতা আছে মন্ত্ৰী মহোদয় বলবেন কি ?

( উত্তৰ নাই )

শ্ৰীমুকুট শৰ্মা :— অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে অসমত এনেকুৱা পৌৰসভা আছে নেকি যে যাক ঋণ দিয়া হৈছে কিন্তু কাম আৰম্ভ কৰা নাই যাৰ বাবে সুদ ভৰি থাকিব লগা হৈছে ?

শ্ৰীজহিৰুল ইচলাম ( মন্ত্ৰী ) :— তেনেকুৱা পৰিস্থিতি বহুত ঠাইত হৈছে । অসম চৰকাৰে ঋণ দিবলৈ হাক দিছিল, কিন্তু এতিয়া আমি তাৰ দায়িত্ব লৈছো ।

মঃ ছামচুল হুদা :— অধ্যক্ষ মহোদয়, যোৱা ৩২ বছৰৰ অভিজ্ঞতাৰ পৰা দেখা গৈছে যে যি গতিত পানী যোগানৰ কাম চলিছে ৩২০ বছৰতো এই কাম শেষ নহব । গতিকে চৰকাৰৰ ফালৰ পৰা এই বিষয়ত নিজে কাম হাতত লবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্য মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ অবগতিৰ কাৰণে মই এটা কথা কব খুজিছো । সেইটো হৈছে আমাৰ যিটো পাবলিক হেল্থ ইঞ্জিনিয়াৰিং বিভাগ সেইটো আগতে যথেষ্ট দুৰ্বল আছিল আৰু সেই বাবে গোটেই অসমতে আৱশ্যকমতে খৰতকীয়াকৈ কাম বিলাক কৰা সম্ভৱপৰ নহৈছিল । ইতিমধ্যে এই

বিভাগটো শক্তিশালী কৰাৰ আৱশ্যকতা বোধ কৰি নিয়োগ আদিৰ ব্যৱস্থা কৰা হৈছে। আনহাতে এল, আই, চিৰ ঋণ লৈ যাতে ঘুৰাই নিদিয়াকৈ নাথাকে তাৰ বাবে চৰকাৰে নিজেই গেৰাণ্টী হবলৈ ব্যৱস্থা কৰিছে।

শ্ৰীবীৰেশ মিশ্ৰ :— আধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়কে একথা বলতে চাই যে তাঁদের এমন কোন পরিকল্পনা আছে কি যাতে এই পাব্লিক হেল্থ ইঞ্জিনীয়ারিং বিভাগটিকে মেডিকেল সেক্রেটারিয়েটের ভিতরে না রেখে একটা সেপারেট সেক্রেটারিয়েট এই বিভাগের জন্য করবেন? কারণ ইতিমধ্যে এই বিভাগটি একটি বড় বিভাগ হয়ে গিয়েছে?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সেই কথা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু ইয়াৰ বাবে এখন কমিটীও কৰি দিয়া হৈছে।

শ্ৰীগজেন তাঁতী :— অধ্যক্ষ মহোদয়, অসমৰ ঘিবোৰ পৌৰ সভাই এল, আই, চি বা অন্যান্য ঋণ বিভাগৰ পৰা ঋণ লৈ সুদ আৰু মূল ঘুৰাই দিয়া নাই' এই সকলোবিলাক লায়েবিলিটি চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— বিশেষ বিশেষ ক্ষেত্ৰত বিবেচনা কৰা হব।

শ্ৰীগোলোক ৰাজবংশী :— অধ্যক্ষ মহোদয়, পাব্লিক হেল্থ ইঞ্জিনীয়ারিং বিভাগটো নতুনকৈ গঢ়িব খোজা হৈছে, এইটো কথাসচাঁ নে কি যে ৮টা

ডিভিজনলৈ অহা টকা খৰচ হোৱা নাই।

শ্রীদুলাল চন্দ্র বৰুৱা (মন্ত্রী):— নহয়।

শ্রীবীৰেন্দ্র চৌধুৰী ঃ— অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ পানী যোগানৰ দুৰ অৱস্থাৰ কথা বাৰে বাৰে চৰকাৰক জনাই থকা হৈছে। ইয়াৰ বাবে বেলেগ আঁচনি লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্রীজহিৰুল ইছলাম (মন্ত্রী) ঃ— ইয়াৰ বাবে বেলেগ প্রশ্ন হলে উত্তৰ দিবলৈ ভাল হয়।

Re :— Forest land lease out for Pan Cultivation in Cachar District.

Shri Ramendra De asked :—

* 7. Will the Minister, Forest be pleased to state -

(a) The quantum of Forest land leased out for "Pan" cultivation in the District of Cachar ?

(b) The number of actual 'Pan Planters' to whom lands have been leased out for cultivation of Pan or betelleaf ?

Shri Samar Brahma Choudhury ( Minister, Forest ) replied:

7. a) No Forest area was leased out for Panjum cultivation. In different Peserve Forest of Cacher Forest Division permission was given for Panjum cultivation in an area of 1697 Bighas 3 Kathas.

(b) 678 Nos of house holds were permitted to cultivate Panjum.

শ্রীরামেন্দ্র দে ঃ— মাননীয় অধ্যক্ষ মহোদয়, কোন জমি বন্দোবস্ত না দিয়ে যাদেরে পারমিট দেওয়া হয়েছিল তাদের নিকট থেকে এই পানজুম চাষের বাবত্ কোন লাইসেন্স ফি নেওয়া হয়েচিল কি ? আর. যেসব যায়গায় তাদেরে পানজুম চাষ করতে দেওয়া হয়েছিল সেখানে কোন গাছপালা ছিল কি ? এখন আছে কি ? তাছাড়া, এই পানজুম দেওয়ার নামে বনাঞ্চলের প্রচুর মূল্যবান কাষ্ঠ বিক্রি করা হয়েছিল একথা সত্য কি ? পান ছাষীনয় এমনসব ব্যক্তিদের পানচাষের জমি বন্দোবস্ত দেওয়া হয়েছে কি ? তাদেরকে চিরস্থায়ী বন্দোবস্ত দেওয়া হয়েছে কি ?

শ্রীসমর ব্রহ্ম চৌধুরী (মন্ত্রী) :— মহোদয়, এই পান চাষের জন্য যাদের কাছ

থেকে 'লাইসেন্স ফিল্ম' নেবার কথা মাননীয় সদস্য মহোদয় বলছেন, তাদের কাছ থেকে নেওয়া হয়নি। আর যাদেরে নিয়ম মাফিক চাষ করতে দেওয়া হয়েছিল তাদের নিকট থেকে লাইসেন্স ফিজ নেওয়ার কোন প্রশ্নই উঠে না ?

আর, যে সব মূল্যবান গাছপালার কথা মাননীয় সদস্য মহোদয় বলেছেন এই ব্যপারে আমি বলতে চাই যে এই পানজুম চাষের ফলে মূল্যবান গাছপালার যথেষ্ট ক্ষতি হয় বলেই আমরা এই প্যানজুম চাষকে নিরুত্সাহ করার চেষ্টা করছি। আর, যারা এই চাষ কারনে, তারা যাতে এই পানজুম চাষের পরিবর্তে অন্য কোন জীবিকা অবলম্বন করতে পারেন সে সম্পর্কে আমরা পরীক্ষা নিরীক্ষা করিছ এবং আগামী ৩১ মার্চের ভিতর এই ব্যাপারে একটা পোর্ট দিতে সংশ্লিষ্ট বিভাগে নির্দ্দেশ দেওয়া হয়েছে।

শ্রীরামেন্দ্র দে :— স্যার, আমি বলেছিলাম যে এই পানজুমের নামে বনাঞ্চল থেকে মূল্যবান কাঠ বিক্রী ও অন্যান্ন ব্যবস্থা করার খবর মন্ত্রী মহোদয় জানেন কি ? আর এই পানজুমের চাষ আবাদ করা জন্য মূল্যবান গাছপালা সম্বলিত বনাঞ্চলের ব্যবসা করার পারমিশন দেওয়া হয়েছিল কি ? যে ৬৬০ পরিবার খাসীলোককে পান চাষের জমি দেওয়া হয়েছে এখনকতটা পরিবার কাছাড়ে আছে ? পান চাষকে নিরুৎসাহ না করে প্রকৃত পান চাষীকে জমি বন্দোবস্ত দিয়ে পান চাষ ও চাষীদের উন্নতি করার চেষ্টা করবেন কি ?

শ্রীসমর ব্রহ্ম চৌধুরী (মন্ত্রী) :— আমি আশাকরি আমার আগের উত্তর যথেষ্ট পরিষ্কার ছিল। কারণ যারা এই চাষের উপর জীবন নির্বাহ করে

তাদেরে পূর্বে কিছু কিছু দেওয়া হয়েছিল। কিন্তু জনতা সরকার গঠন হওয়ার পরে আর দেওয়া হয়নি। তাদেরে অন্যভাবে প্রতিষ্ঠা করার জন্য আমরা চেষ্টা করছি।

Shri Premadhar Bora :— May I know from the hon'ble Minister the date of giving this forest land on lease for pan cultivation, what is the terms of ageement and is it not encouragement of indirect encroachment ?

Shri Samar Barhma Chouchury ( Minister ) :— As I have alre dy stated no lease was given or any permission was accorded to any family or certain families. But the number of households permitted pan cultivation was 678.

Shri premadhar Bora :— Is it not encouragement of indirect encroachment ?

Shri Samar Brahma Choudhury (Minister) :— Not exactly encroachment. But pan jhum cultivation are done by Khasi tribes and those families are, however, there in this area prior to making the area as reserve forest.

শ্রীঅতুল গোস্বামী :— কেবাহেজাৰ বিঘা মাটিত পানজুম খেতি ৰবিবলৈ

দিয়া হৈছে। পানজুম খেতিৰ বাহিৰেও গোমধান, ধানখেতি, পাইন আপেল খেতি কৰা হৈছে। আনকি ফিচাৰিও কৰা হৈছে। এইকথা মন্ত্ৰী মহোদয়ে জানে নে? মন্ত্ৰী মহোদয়ে জানেনে যে এইবোৰ ডি, এফ, ওৰ জ্ঞাতে কৰা হৈছে। ইয়াৰ কাৰণে বনবিভাগৰ অফিচাৰ সকলে সুকিয়াকৈ পইচা পায়। এইটো অনুসন্ধান কৰা হব নে?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে জনাব খোজো যে পানজুমৰ কাৰণে যি সকলক অনুমতি দিয়া হয় সেইসকলক ১বিঘা মাটি বন্দোবস্ত কৰি দিয়া হয়। তাৰ পৰিবৰ্তে তেওঁলোকে টঙীয়া পদ্ধতিত পৰিয়ালে প্ৰতি গছ-গছনি ৰুই দিব লাগিব। যদি ওপৰঞ্চি মাটিত ফিচাৰি কৰিছে সেইটো নিৰ্দ্দিষ্ট ভাবে জনালে এই বিষয়ত অনুসন্ধান কৰি ব্যৱস্থা লম।

Shri Altaf Hussain Mazumder :— Mr. Speaker, Sir, the specific question to the hon'ble Minister was that in the name of pan jhum cultivation people are destroying valuable timbers and encroaching areas. Whrt the Minister has got to say ? If he has no information will he enquire about it ?

Shri Samar Brahma Choudhury (Minister) :— In my reply I think I have given answer to it. If, however, any encroachment is detected, we will definitely look into it.

Shri Altaf Hussain Mazumder :— Mr. Speaker, Sir, what for the Department is there. Are the members to go and find out specific cases ?

চৈয়দা আনোৱাৰা টাইমুৰ :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে কোনো মানুহক মাটি লিজত দিয়া হোৱা নাই। মাত্ৰ কেবা শ বিঘা মাটি পানজুম কৰিবলৈ কিছুসংখ্যক পৰিয়ালক দিয়া হৈছে। পানজুম কৰিবলৈ কিমান পৰিয়ালক কি স্বত্বত কিমান দিনলৈ পাৰমিচন দিয়া হৈছে। তাৰ পিছত যদি উঠি নাযায় তাৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিব ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই ইতিমধ্যে জনাইছো যে জনতা চৰকাৰে নতুনকৈ দিয়া নাই আৰু সেইসকল লোকৰ-যাতে বিকল্প সংস্থানৰ ব্যৱস্থা দিব পৰা যায় তাৰ কাৰণে ইতি-মধ্যে অনুসন্ধান চলাই ব্যৱস্থা কৰিবলৈ হাতত লোৱা হৈছে।

শ্ৰীবীৰেণ চৌধুৰী :— পাৰমিচন কেতিয়া দিয়া হৈছিল ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী : - যোৱা ৩০ বছৰে দি আহা হৈছিল ?

Shri Giasuddin Ahmed :— May I know on what terms and conditions permission is given for pan cultivation ?

Shri Samar Brahma Choudhury ( Minister ) :— Certain

agreements are made between the Department and the persons concerned. I can read them out.

No. (1) I shall abide by the rules framed under A.F.R. of 1891.

No. (2) I shall stay in the reserve forest upto a specific time ( time is given as 3 years ) only and the agreement were renewed. We have not renewed any because 3 years have not been lapsed.

No. (3) I shall do pan jhumming in an area of 2 bighas only

No. (4) I shall leave the reserve forest on specific date ( according to the agreement ) positively. I shall do no planting on trees from the 2nd year as per direction of the Forest Department to make the lease done to the Forest Department by pan jhumming. I fully understand the clauses of the agreement and I sign this in the presence of the witness. These are the terms and conditions.

শ্ৰীফণী মেধি :— অধ্যক্ষ মহোদয়, যিসকল মানুহক এনেকৈ পানজুম খেতি কৰিবলৈ দিয়া হৈছে সেই মানুহবিলাক ভূমিহীন হয় নে নহয় ?

যদি ভূমিহীন মানুহ হয় তিনি বছৰৰ পিচত উচ্ছেদ কৰাৰ পিচত কিবা আঁচনি আছে নেকি ? সেইবিলাক মানুহক তিনি বছৰলৈ খেতি কৰিবৰ দিয়াৰ নামত চৰকাৰে তেওঁলোকক মাটি দিছে। তেওঁলোকক এই সামন্তবাদী দাসত্ব প্ৰথাৰে এবছৰ-দুবছৰ গছ কৰাৰ এই পদ্ধতিটোৰ অবসান হব নে নহয় ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :— অধ্যক্ষ মহোদয়, যিসকল পানজুম খেতি ৰত পৰিয়াল তেওঁলোকৰ সকলোৰেই ভূমিহীন আৰু মই আগতে কোৱাৰ নিচিনাকৈ এইবোৰ বিশেষকৈ জনজাতীয় গোষ্ঠীৰ, খাচী সম্প্ৰদায়ৰ। তেওঁলোকক যাতে উচ্ছেদ কৰি অসহায় অৱস্থাত পেলায় দিব লগা নহয় তাৰ কাৰণে বিকল্প ব্যৱস্থা কৰিবলৈ আমি ইতিমধ্যে অনুসন্ধান চলাইছো।

শ্ৰীফণী মেধি :— বিকল্প ব্যৱস্থা নোহোৱাকৈ উচ্ছেদ কৰা হব নেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী :— উচ্ছেদ কৰা নাই আৰু নকৰো বুলি কৈছো। ইতিমধ্যে বিভাগক নিৰ্দ্দেশ দিছো।

Shri Giasuddin Ahmed:—Whether there are any person cultivating panjhum other than those already permitted.

Shri Samar Brahma Choudhury ( Minister ) :— Whether there are any person permitted for panjhum cultivation other than actual panjhum cultivators and (2, whether the existing panjhum cultivators are

willing to take up permanently pan cultivation elsewhere also if it can be made available to them and (3) whether it will be possible to take some systematic effors for planting panjhum these reports will be submitted within 1st week of March, 1979.

Shri Giasuddin Ahmed :— If these people are landless and if this lands are not required for the purpose of forest cultivation then whether Govt. will consider to give all these people for their permanent settlement there if these people are landless and if these land are not required for forest plantation. What is the harm in settling the people permanently in these places ?

Shri Samar Brahma Choudhury (Minister) :— Yes, we want to shift them to those places so that they can be settled permanently.

শ্রীনীতিশ রঞ্জন দাস :— মাননীয় মন্ত্রী মহোদয় বলেছেন যে এই পানজুম চাষের জন্য আর উত্সাহ দেওয়া হচ্ছে না। অধ্যক্ষ মহোদয়, আমাদের অঞ্চল পান তাম্বুলে সমৃদ্ধশালী অঞ্চল প্রবাদ আছে—

"কিবা দেশে আইলা রে বন্ধু
কিবা দেশের গুণ,
একই গাছে পান সুপারী
একই গাছে চূন।"

আজ আমাদের সেখানে এই পানের প্রচণ্ড অভাব দেখা দিয়েছে। আমাদের যেসকল মহিলারা বলেন,—

"স্নান করি উঠি যে নারী মুখে দেয় পান,
লক্ষী বলেন সেই নারী আমার সমান।"

সেই মহিলারও আজ পান পাচ্ছেন না। সুতরাং আমি মাননীয় মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই পানজুম চাষের উন্নতির জন্য জনতা সরকার বিশেষ ব্যবস্থা কি গ্রহণ করবেন ?

Shri Samar Brahma Choudhury ( Minister ) :— My responsibility is to conserve the forest and if anybody is evicted, then to settle them elsewhere. Other things relate to other Ministers.

শ্রীবিপিন চন্দ্র হাজৰীকা : — মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জনাইছে যে, এই পান খেতি কৰা লোক সকল খাচী জনজাতীয় লোক। তাত থকা ৬৭০ ঘৰ পান খেতিয়কৰ ভিতৰত ৬৭০ টাই খাচী পৰিয়াল নহয়। কিছুমান নগৰৰ মানুহে এই লোক সকলৰ নামত মাটি দখল কৰি আছে। এই বিষয়ে মাননীয় মন্ত্রী মহোদয়ে জানেনে ?

শ্রীসমৰ ব্রহ্ম চৌধুৰী (মন্ত্রী) :— এই বিষয়ে স্পষ্ট খবৰ নাই। অনুসন্ধান কৰিবলৈ লোৱা হৈছে। কাৰণ আমি দেখিছো যে, যেতিয়া কোনো এদল পান খেতিয়ক আছে তেতিয়াই ভৈয়ামৰ কিছুমান মানুহক নেতা হিচাবে লৈ আছে। সেইকাৰণেই আমি সুধিবলৈ দিছো যে, সচাঁ সচিকৈয়েই এই মানুহ বিলাকে খেতি কৰেনে

নাই ভৈয়ামৰ মানুহে খেতি কৰি থাকে ?

শ্রীবীরেশ মিশ্র ঃ— আমি মাননীয় মন্ত্রী মহাশয়ের নিকট থেকে জানতে চাই যে গত বাজেট অধিবেশনর সময় তিনি প্রতিশ্রুতি দিয়েছিলেন যে ভিক্টোরিয়া মহারানীর আমলের ১৮৯৩ সালের সেই ফরেষ্ট আইন কে তাঁরা যত তাড়াতাড়ি সম্ভব পরিবর্তন করবেন। এই সম্পর্কে তাঁরা কতদুর অগ্রসর হয়েছেন ? না অনির্দ্দিষ্ট কাল ধরে একই ভাবে চলতে হবে ?

শ্রীসমর ব্রহ্ম চৌধুৰী (মন্ত্রী) ঃ— এই প্রশ্ন যদিও এই পানজুমের প্রশ্নের আওতায় আসে না তবুও ...

শ্রীবীরেশ মিশ্র ঃ— আপনি এই বিষয়ের উল্লেখ করেছেন বলে আমি বলছি ?

শ্রীসমর ব্রহ্ম চৌধুরী (মন্ত্রী) ঃ— হ্যাঁ। তবুও আমি এই সদনকে জানতে চাই যে ইতিমধ্যে আমরা এই বিষয়ে কাজকর্ম করার জন্য একটা আলাদা অফিস সৃষ্টি করে কনৃজারভেটার রেঞ্জের একজন আলাদা অফিসার নিয়োগ করেছি। তাঁরা কাজ করছেন।

শ্রীবীরেশ মিশ্র ঃ— আইনের কি হবে ?

শ্রীসমর ব্রহ্ম চৌধুরী (মন্ত্রী) ঃ— তাঁরা আইন সংশোধনের কাজ করছেন ?

Mr. Speaker :— Now next question.

বিষয় : বন বিভাগৰ মিউজিয়ামৰ চুৰি হোৱা সৰ্ব্ববৃহৎ ম'হৰ শিং

শ্ৰীমুকুট শৰ্মাই সুধিছে :

*৮। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমৰ সৰ্ববৃহৎ ম'হৰ শিংটো বন বিভাগৰ মিউজিয়ামৰ পৰা চুৰি হোৱা কথাটো সত্যনে ?

(খ) যদি সত্য হয়, কেনেকৈ এই শিং চুৰি হবলৈ পালে তাৰ এটি তদন্ত কৰিবনে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৮। (ক) — অসমৰ কোনো সৰ্ববৃহৎ ম'হৰ শিং বন বিভাগৰ মিউজিয়ামৰ পৰা চুৰি হোৱা নাই। বন বিভাগৰ মিউজিয়ামত থকা বৃহৎ হাতী দাঁত দুটাহে চুৰি হোৱাৰ প্ৰতিবেদন পোৱা হৈছে।

(খ) — যেহেতু কোনো ম'হৰ শিং চুৰি হোৱা নাই। গতিকে ম'হৰ শিং চুৰি হোৱাৰ তদন্ত কৰাৰ প্ৰশ্ন নুঠে। প্ৰকাশ থাকে যে হাতী দাঁত চুৰি কেচটো পুলিচক জনোৱা হৈছে আৰু পুলিচে অনুসন্ধান কৰি আছে।

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব খুজিছো যে, অসমৰ বন বিভাগৰ যিটো 'মিউজিয়াম' আছে তাত ম'হৰ সিং আছেনে নাই ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, ম'হৰ শিং আছে কিন্তু সেইয়া চুৰি হোৱা নাই ।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, যি দুটা হাতীৰ দাত চুৰি হোৱা বুলি কৈছে সেই দুটাৰ মূল্য কিমান ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( মন্ত্ৰী ) :— মাননীয় প্ৰশ্নকৰ্ত্তা জনে এতিয়া ম'হৰ শিংৰ পৰা হাতীৰ দাঁতলৈ প্ৰশ্নটো ৰূপান্তৰিত কৰিছে যদিও কওঁ যে, ইয়াৰ পৰিমাণ ৪৭ হাজাৰ টকা হব ?

শ্ৰীমুকুট শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, কাৰ গাফিলতিৰ কাৰণে এইটো চুৰি হবলৈ পালে ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( মন্ত্ৰী ) :— এই বিষয়ে ইতিমধ্যেই তদন্ত কৰি কেইজন মান দোষী বুলি ভৰা লোকক গ্ৰেপ্তাৰ কৰা হৈছে। বাকী খিনি কামৰ কাৰণে তদন্ত হৈ আছে । বিষয়টো এতিয়া বিচাৰাধীন হৈ আছে ।

শ্ৰীমুকুট শৰ্ম্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, কোনো বিষয়াও ইয়াৰ লগত জড়িত হৈ আছেনেকি ?

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ( মন্ত্ৰী ) :— কোনবোৰ মানুহক গ্ৰেপ্তাৰ কৰা হৈছে সেই বিলাকৰ লিষ্ট মই দেখুৱাব পাৰো কিন্তু সেইটো 'ইৰেলিভেন্ট'।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আছিল ম'হৰ শিঙৰ বিষয়ে আৰু সেইটো প্ৰসঙ্গিক প্ৰশ্ন হিচাবে গ্ৰহণ কৰা হৈছে গতিকে এটা প্ৰাসঙ্গিক প্ৰশ্নৰ উত্তৰো প্ৰাসঙ্গিক হব লাগে। কিন্তু তাৰ ঠাইত এতিয়া কিয় হাতীৰ দাঁতৰ কথা অৱতাৰণা কৰিছে? এইটো প্ৰসঙ্গিক নাই হোৱা বুলি ভাবিছো।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় অধ্যক্ষ মহোদয়, ম'হৰ শিং চুৰি হোৱা নাই ম'হৰ শিং আছে। এতিয়া কথা হৈছে ম'হৰ শিং সৰ্ব্ব-বৃহত নে শিং থকা ম'হ সৰ্ব্ববৃহত?

মাননীয় অধ্যক্ষ :— ম'হৰ শিঙৰ কথা যদিও ইয়াত কোৱা হৈছে হাতীৰ দাঁত চুৰি হৈছে বুলি এটা ভুল বাতৰি, বাতৰি কাকতত প্ৰকাশ পাইছে। তাৰ স্পষ্টীকৰণৰ কাৰণেইহে মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিছে। সেই কাৰণেই এইটো 'ইৰেলিভেন্ট' হোৱা নাই।

শ্ৰীমতী আনোৱাৰা টাইমুৰ :— মাননীয় অধ্যক্ষ মহোদয়, কিমান তাৰিখে এই হাতীৰ দাঁত চুৰি হৈছে আৰু তেতিয়া মিউজিয়াম'ৰ দায়িত্বত কোন আছিল? কিবা শাস্তি ইয়াৰ কাৰণে দিয়া হৈছে নেকি?

শ্ৰীনোগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ চেয়াৰৰ পৰা যেতিয়া এবাৰ আহে তাৰ পিচত আকৌ নতুন প্ৰশ্ন কেনেকৈ আহিব

পাৰে ? এইটো মই 'পইণ্ট অব অৰ্দাৰ ৰেইজ' কৰিছো ।

মাননীয় অধ্যক্ষ :— যিকোনো এটা প্ৰশ্ন চলি থকাৰ পিছত নতুন যিকোনো প্ৰশ্নই আহিব পাৰে ।

—

**বিষয় ঃ বাঘবৰ নামনিত এটা পৰ্য্যটক নিবাস স্থাপনৰ ব্যৱস্থা**

শ্ৰীইব্ৰাহীম আলিয়ে সুধিছে :

* ৯। মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰপেটা চহৰ আৰু গোৱালপাৰা চহৰৰ আন্তঃজিলা সংযোগ পথৰ মধ্যস্থল আৰু ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত, বাঘবৰ পাহাৰ আৰু ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ কথা চৰকাৰে জানে নে ?

(খ) ইতিমধ্যে প্ৰখ্যাত ডাক পুৰুষৰ জন্মস্থল লেছীদঙাৰা, বাঘেশ্বৰী থানা আৰু কেইবাখন নদীৰে আবেষ্টিত বাঘবৰ পাহাৰৰ নামনিত ফেৰীঘাটক কেন্দ্ৰ কৰি এটা পৰ্যাটক নিবাস স্থাপন কৰিবলৈ চৰকাৰে কাৰ্য্য ব্যৱস্থা হাতত লবনে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( পৰ্য্যটন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

৯। (ক) হয়, জানে।

(খ) এই বিষয়ে পৰীক্ষা কৰি চোৱা হব।

## MISCELLANEOUS

শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি অসম ট্ৰিবিউন আৰু দৈনিক অসম কাকতত এটা বাতৰি প্ৰকাশ হৈছে যে অসম ইঞ্জিনিয়াৰিং সন্থাই অহা ১ মাৰ্চৰ পৰা তেখেতসকলৰ বিভিন্ন দাবীত কৰ্মবিৰতি কৰিব আৰু ১২ মাৰ্চৰ পৰা অনিৰ্দ্দিষ্ট কালৰ কাৰণে ধৰ্ম্মঘট কৰিব। অধ্যক্ষ মহোদয়, আপুনি জানে যে মাৰ্চৰ ৩১ তাৰিখৰ ভিতৰতে ৰাজ্যৰ সকলোবিলাক কাম কৰিব লগীয়া হয়। এইদৰে যদি গড়কাপ্তানী বিভাগ, জলসিঞ্চন বিভাগৰ ইঞ্জিনিয়াৰ সকলে মাৰ্চ মাহত ধৰ্মঘট কৰিবলগীয়া হয় তেতিয়াহলে ৰাজ্যখনত এটা বিশেষ পৰিস্থিতিৰ উদ্ভৱ হব। এইকাৰণেই মই এই বিষটো মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু তেখেতৰ পৰা এই সম্পৰ্কত জানিব বিচাৰিছো।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (মন্ত্ৰী) :— এই বিষয়টো আমাৰ নজৰলৈ আহিছে। তেনেধৰনৰ কাগজ-পত্ৰ চৰকাৰে পাইছে। এই বিষয়ত আলোচনা বিলোচনা চলিয়েই আছে। আমি নিশ্চয় চেষ্টা কৰিম যাতে তেনধৰণৰ কোনো বিশেষ পৰিস্থিতিৰ উদ্ভৱ নহয়। তেওঁলোকৰ সম্পূৰ্ণ দাবী পূৰণ কৰিব পৰাটো আমাৰ পক্ষে টান। এই বিষয়ে আলোচনা কৰি সময়ত আমি সদনক জনাম।

## NOTICE OF BREACH OF PRIVILEGE

Mr. Speaker :— Now, I have received a complaint regar-

ding Breach of Privilege; and it is from Shri Hemen Das.

Shri Hemen Das: — Under Rules 158 and 159 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby give notice of a complaint of a breach of privilege against the Editor Shri Homen Borgohain and Shri S. Bijoy Singh, Printer and Publisher of the Newspaper "Nagarik" published from Gauhati.

My complaint is that the Editor in the issue of the said newspaper dated 1st February, 1979 published an editorial under the caption "ফাইভ ষ্টাৰ হোটেল আৰু সৰ্ব্বহাৰাৰ নেটা" which cast reflection on me as an individual member of the House and also on the entire House, myself being the Chairman of the Public Accounts Committee and it has lowered my prestige in the eye of public.

That Sir, I went to attend the All India Conference of Chairmen of Public Accounts Committee at New Delhi on 14th December 1978. As accommodation for me, my wife, the Secretary,

Assam Assembly, the committee officer and the Committee Assistant could not be provided in the Assam House, we had to stay in the Western Court Hostel of the Government of India which was arranged by the Lok Sabha Secretariat on a request being made by the Secretary Assam Legislative Assembly. The said Editorial comment is absolutely false and mischievous. It has been published deliberately with a motive to malign me and to lower my prestige in the eye of public. Although the Editor cunningly avoided to mention my name and the name of the Conference held at New Delhi, yet it will appear from the impugned news item that the Editor has really meant me as there was no Conference of any other Legislative Committees held in New Delhi in the year 1978. Incidentally, I am the only C.P.M. Member holding the Chairmanship of a Legislature Committee and as such the words "Marxbadi Communist Sadasya" has referred to none but me. I also consider this to be a serious breach of privilege of the members of the House as it has lowered the prestige of a Chairman of the Legislature Committee and thereby cast reflection on the members of the House.

A copy of the report is already submitted.

Shri Dulal Chandra Barua ( Minister for Parliamentary Affairs ) : — I have heard the complaint attentively: In this connection, Sir, Rules 161 and 162 may kindly be referred to. It is really a very serious matter which involves the honour of the Hon'ble Member and of House as a whole' Th3 Hon'ble Member was in Delhi to represent the House as Chairman of the Public Accounts Committee. It is, therefore, a fit case to be referred to the Privilege Committee for taking proper action.:

Mr. Speaker :— I have heard the complaint, and it is in order. I therefore, agree with the Minister for Parliamentary Affairs that the matter be referred to the Privilege Committee to report to the House on or before 31st May, 1979.

## CALLING ATTENION

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ২৯ জানুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "প্ৰচাৰ

বিভাগত বিজুতি" শীৰ্ষক বাতৰিটোলৈ মুখ্যমন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিছো।

*শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী):— তথ্য আৰু জনসম্পৰ্কৰক্ষী বিভাগৰ প্ৰেছ বিজ্ঞপ্তি আৰু প্ৰেছ বাৰ্ত্তা ৰাজ্যিক ভাষাত প্ৰচাৰ কৰিবলৈ চৰকাৰে নিৰ্দেশ দিছে। কিন্তু কিছুমান কাৰণত এই নিৰ্দেশাৱলী সম্পূৰ্ণৰূপে কাৰ্য্যত পৰিণত হোৱা নাই। প্ৰেছ বিজ্ঞপ্তি আৰু বাৰ্ত্তা স্থানীয় আৰু বাহিৰৰ সংবাদ পত্ৰৰ উপৰিও বিভিন্ন সংবাদ সংস্থা আৰু আকাশ বানীলৈ পঠিওৱা হয়। বিভিন্ন বাৰ্ত্তা আৰু অনুষ্ঠানৰ বাতৰি প্ৰায়েই দিনৰ শেষ ভাগত পোৱা হয়। এই বিলাক ততালিকে যুগুত কৰি সংবাদ পত্ৰ আৰু বাৰ্ত্তা প্ৰতিষ্ঠান বিলাকক দিয়া হয়। দিনৰ শেষ ভাগত বাতৰি আদি পোৱাৰ কাৰণে সকলো সময়তে অসমীয়া আৰু ইংৰাজী ভাষাত প্ৰেছ বিজ্ঞপ্তি বিতৰণ কৰা সম্ভৱপৰ নহয়। সেই কাৰণে তথ্য আৰু জনসংযোগ বিভাগৰ প্ৰেছ বিজ্ঞপ্তি আৰু প্ৰেছ বাৰ্ত্তা বিলাকৰ সৰহভাগ ইংৰাজী ভাষাতেই দিয়া হয়।

১৯৭৯ চনটো ৰাজ্যিক ভাষাৰ বহুল প্ৰয়োগৰ কাৰণে "ৰাজ্যিক ভাষা বৰ্ষ" হিচাবে পালন কৰিবলৈ চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। এই বৰ্ষ পালন কৰিবলৈ ইতিমধ্যে কাৰ্য্য ব্যৱস্থা হাতত লোৱা হৈছে। ৰাজ্যিক তথ্য আৰু জনসংযোগ বিভাগেও এই বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যোৱা তেৰ মাহৰ ভিতৰত জনসংযোগ বিভাগৰ দিশপুৰ কাৰ্য্যালয়ৰ পৰা ৩৬ টা প্ৰেছ বাৰ্ত্তা আৰু ৪ টা প্ৰবন্ধ অসমীয়াত প্ৰচাৰ কৰা হৈছে। ইয়াৰ বাহিৰেও সময়ৰ নাটনিৰ বাবে টেলিফোনৰ যোগেদিও কিছুমান

* Speech not corrected

বাতৰি আকশ বাণী, সংবাদ পত্ৰ আদিলৈ অসমীয়াত যোগান ধৰা হৈছে। এই ক্ষেত্ৰত উল্লেখ কৰিব পৰা যায় যে জনসম্পৰ্কৰক্ষী বিভাগৰ দিশপুৰ কাৰ্য্যালয়ত বাতৰি যোগানৰ বাবে টাইপিষ্টৰ অভাৱ আছে। সেই অভাৱ অতি সোনকালে আতঁৰ কৰাৰ যত্ন কৰা হৈছে। এই অসুবিধা আতঁৰাব পাৰিলে সকলো বাতৰি আৰু বিজ্ঞপ্তি অসমীয়াত যোগান ধৰিব পৰা যাব বুলি আশা কৰা যায়।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :—অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে তেখেতৰ বিবৃতিত কৈছে যে এজন টাইপিষ্টৰ অভাৱত প্ৰচাৰ বিভাগত বিজুতিৰ সৃষ্টি হৈছে। আচল কথা টাইপিষ্টৰ অভাৱত নে প্ৰচাৰ বিভাগৰ দক্ষ লিখকৰ অভাৱত এনেকুৱা হৈছে।

মাননীয় অধ্যক্ষ :— আপুনি স্পষ্টীকৰণৰ কাৰণে সোধক।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— নিউজ চেকচনত মানুহ ভৈয়ামৰ প্ৰচাৰৰ কাৰণে ৰখা হৈছে নে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মোৰ বিবৃতিত আগতেই কৈছো যে অসমীয়া ভাষাক ৰাজ্য ভাষা হিচাবে ব্যৱহাৰ কৰিবলৈ যিমান সম্ভৱ আমি চেষ্টা কৰিছো। কিন্তু প্ৰেছ আদিৰ কথা আৰু বাহিৰৰ পৰা যিবিলাক বিবৃতি আহে সেইবিলাক গধূলি সময়ত পোৱাৰ বাবে লৰালৰি হোৱাত অসমীয়া কৰাত অসুবিধা হোৱাত ইংৰাজীতেই যায়। সম্পুৰ্ণ অসমীয়া কৰিবৰ কাৰণে যিখিনি অসুবিধা হৈছে তাৰ ভিতৰত এটা অসুবিধা হৈছে টাইপিষ্টৰ অভাৱ। এইটো পুৰণ

কৰা হৰ। আনহাতে সম্পূৰ্ণ ভাবে অসমীয়াত লিখা-লিখি কৰিবৰ কাৰণে যিমান সংখ্যক মানুহ লাগে সিমানখিনি নোহোৱাটো অনুভৱ কৰিছো। নতুনকৈ আমি বিভিন্ন ঠাইত কৰ্মচাৰীও নিয়োগ কৰিব নোৱাৰো। আগৰ কিছুমান আছে যিবিলাকৰ অসমীয়াত লিখাৰ ভাল অভিজ্ঞতা নাই। ইতিমধ্যে ভাল অভিজ্ঞতা সম্পন্ন দুই চাৰি জন কৰ্মচাৰী বাহিৰ কৰাৰ ব্যৱস্থা কৰিবলৈ লোৱা হৈছে।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— অসমীয়া ভাষাত লিখা..........

মাননীয় অধ্যক্ষ :— আপুনি স্পষ্টীকৰণ বিচাৰক।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— অসমত অসমীয়া ভাষা লিখা মানুহৰ অভাৱ নে বিষয়া সকলৰ চৰকাৰৰ প্ৰতি আনুগত্যৰ অভাৱ ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— আনুগত্যৰ অভাৱৰ কথাটো সত্য নহয়।

## MATTER UNDER RULE 301

শ্ৰীএম ইব্ৰাহীম আলী :— অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনা নিয়মাৱলীৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ৩০ জানুৱাৰী তাৰিখৰ দৈনিক অসম কাকতত প্ৰকাশিত "বৃত্তি নাই, দৰমহা নাই, চাকৰি নাই," শীৰ্ষক বাতৰি সম্পৰ্কত এটি চমু ব্যাখ্যা উত্থাপন কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, বৰপেটা মহকুমাৰ

এম-চি কলেজখন অতি পুৰণি কলেজ। অৱস্থাপন্ন মানুহৰ লৰা ছোৱালীয়ে বাহিৰৰ কলেজত বিজ্ঞান বিষয় পঢ়ে। কিন্তু দৰিদ্ৰ, মধ্যবিত্ত মানুহৰ লৰা ছোৱালীয়ে এই কলেজত পঢ়ে। এই কলেজত পঢ়া দৰিদ্ৰ লৰা ছোৱালীয়ে বৃত্তি নিয়মিত পোৱা নাই। এই কলেজত পঢ়া এশ জন লৰা ছোৱালীয়ে বৃত্তিৰ ফৰ্ম ফিলআপ কৰি অধ্যক্ষৰ অফিচৰ পৰা বিভাগীয় অফিচলৈ গৈ আৰু বৃত্তি মঞ্জুৰ হোৱাৰ বাতৰি পোৱা স্বত্বেও এই লৰা ছোৱালীয়ে আজি দুবছৰ ধৰি বৃত্তিৰ টকা পোৱা নাই। বহুতে বৃত্তিৰ টকা নোপোৱা কাৰণে অধ্যক্ষৰ ওচৰত কন্দা কটা পৰ্য্যন্ত কৰিছে আৰু অধ্যক্ষই নিৰুপায় হৈ প্ৰফেচাৰ সকলক অনুৰোধ কৰিছে পইচা পাতি আদি ফৰ্ম ফিলআপ কৰি দিয়াৰ কাৰণে। বৰপেটা উচ্চতৰ মাধ্যমিক স্কুল খন এখন অতি পুৰণি স্কুল। ইয়াতে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰী, ডঃ বাণীকান্ত কাকতি প্ৰমুখ্যে বিখ্যাত ব্যক্তিসকল পঢ়িছিল। কিন্তু সেই স্কুলৰ পিয়ন চকিদাৰ সকল ইমান দিনৰ পুৰণি হোৱা স্বত্বেও নিয়মিত ভাবে দৰমহা পোৱা নাই। যোৱা মাঘ মাহৰ বিহুৰ সময়ত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ লোক কিছুমানকো কামৰূপ কেন্দ্ৰীয় বেংকৰ পৰা কৰ্ম্মচ্যুত কৰা হৈছে। কামৰূপ বেংকৰ পৰা চ্যুত এই সকলোৰো অৱস্থা বৰ বেয়া। গতিকে মই আপোনাৰ যোগেদি বিভাগীয় মন্ত্ৰী মহোদয়ৰ ওচৰত এই সৰ্ম্পকত এটা ব্যাখ্যা দিয়াৰ কাৰণে অনুৰোধ জনালো।

* শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী):— বৰপেটা এম-চি মহাবিদ্যালয়ৰ পৰা

* Speech not corrected

১৯৭৭-৭৮ চনৰ বৃত্তিৰ বাবে কিছুমান দৰ্খাস্ত পোৱা হৈছিল। কিন্তু সেই দৰ্খাস্তবোৰৰ প্ৰত্যেকখনৰ ওপৰত উক্ত মহাবিদ্যায়য়ৰ পৰিচালনা সমিতিৰ সভাপতিয়ে দিয়া প্ৰতিকুল মন্তব্যৰ কাৰণে বৃত্তি দিয়া হোৱা নাছিল। সেই কাৰণে দৰ্খাস্ত সমুহ স্পষ্টীকৰণৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষলৈ ঘুৰাই দিয়া হয়। পিচত সেই দৰ্খাস্তবোৰ শুধৰণীক্ৰমে ইতিমধ্যে বৃত্তি মঞ্জুৰী দিয়া হৈছে আৰু সেই মঞ্জুৰীবোৰ পঠোৱাৰ ব্যৱস্থা কৰা হৈ আছে।

চৰকাৰে সকলো সাময়িক কৰ্ম্মচাৰীক নিয়মিত কৰাৰ নীতিৰ পৰিপ্ৰেক্ষিতত এই কৰ্ম্মচাৰী সকলক নিয়মিত কৰিব নোৱাৰাৰ কাৰণে তেওঁলোকে সময়মতে দৰ্মহা পোৱা নাই। বিষয়টো এতিয়াও পৰীক্ষাধীন হৈ আছে আৰু বিত্ত বিভাগৰ লগত যোগাযোগ কৰি থকা হৈছে। অৱশ্যে নিয়মিতকৰণ নোহোৱালৈকে এই কৰ্মচাৰী সকলক নৈমিত্তিক পুজিৰ পৰা দৰ্মহা দিবলৈ যোৱা মে মাহত শিক্ষাধিকাৰক নিৰ্দ্দেশ দিয়া হৈছে। আৰু সেই নিৰ্দ্দেশ অনুসাৰে বৰ্ত্তমান বিত্তীয় বছৰত সংশ্লিষ্ট শিতানত থকা পুজি ইতিমধ্যে এই কৰ্মচাৰী সকলৰ দৰ্মহা দিবৰ কাৰণে বিদ্যালয়ৰ কৰ্ত্তৃপক্ষলৈ পঠিওৱা হৈছে। কিন্তু চাহিদা অনুযায়ী বাজেটত পুজিৰ নাটনি হোৱাত শিক্ষা বিভাগৰ বাজেটৰ বিভিন্ন শিতানৰ বাহি হোৱা পুজিৰ পৰা এই কৰ্ম্মচাৰী সকলক দৰ্ম্মহা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

বাতৰিৰ শেষাংশত উল্লেখিত বেংক কৰ্ম্মচাৰী সম্পৰ্কীয় সমস্যাটো শিক্ষা বিভাগত নপৰে। অৱশ্যে ইয়াৰ নকল সমবায় বিভাগলৈ বিহিত ব্যৱস্থা লবলৈ প্ৰেৰণ কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— অধ্যক্ষ মহোদয়, এই বৃত্তি পোৱাঁ আৰু দৰমহা পোৱাৰ ক্ষেত্ৰত এম-চি কলেজৰ গভৰ্ণিং ব'ডিৰ সভাপতি জনে প্ৰতিকূল লিখা কাৰণেই সেই লৰা ছোৱালীখিনি বঞ্চিত হৈছে। মন্ত্ৰী ডাঙৰীয়াই বোধককো কাহিলীপাৰাত থকা বৃত্তি দিয়া অফিচটোলৈ এবাৰো যোৱা নাই। তালৈ লৰা ছোৱালী বৃত্তিৰ টকা আনিবলৈ আহি আধা টকা তাত দিহে বৃত্তিৰ টকা লবলগীয়া হয়। নহলে নাপায়, এই হৈছে অৱস্থা।

( ভইচ ঃ লাজ লগা, লাজ লগা )

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষা মন্ত্ৰী ) ঃ— বৰপেটাৰ এই ঘটনা সম্পৰ্কত বৃত্তি পোৱা কথাটোলৈ তদন্ত কৰা হৈছে আৰু সভাপতিয়ে লিখা কাৰণেই এই অৱস্থা হোৱাত পিচত নিজে গৈ মই সেই সকল লৰা ছোৱালীৰ পৰা নতুনকৈ ফৰ্ম্মদি পূৰাই অনা হৈছে। এনেকুৱা ঘটনা হব পাৰে বুলি মোৰ সন্দেহ আছে। বেংকৰ কৰ্ম্মীক চ্যুত কৰাৰ কথা হল অধ্যক্ষলৈ মোটামোটি হিচাবে ( লাম্প্ চাম ) পঠিওৱাৰ সিদ্ধান্ত কৰা হৈছিল আৰু সেই অনুসৰি কিছু কিছু কৰা হৈছে আৰু এতিয়্যে বাকী বিলাকতো কৰিবলৈ চেষ্টা কৰা হৈছে। এইটো একত্ৰিশ মাৰ্চৰ ভিতৰতে পাব বুলি আশা কৰা হৈছে। অৱশ্যে কিছু কিছু অংশত এতিয়া হোৱা নাই সেইটো ঠিক।

Shri Golok Chandra Rajbongshi :— Sir, as the Minister has stated a portion of the matter raised here falls under the department of Cooperation and he has referred the matter to the Cooperation Depart-

ment, so reply on this portion should have come from the Cooperation Department. But reply has not been given on this:

Shri Lakshyadhar Choudhury (Minister) :— Sir, when the news item came to me I sent another copy of the same to the Cooperation Department as it was not under my department.

Shri Golok Chandra Rajbongshi :— When the whole matter has been admitted it is quite relevant and the Cooperation Minister should have replied the matter.

Mr. Speaker :— The Minister has replied the matter which was published in the newspaper. But all the subject mentioned taken together, it is a very wide subject and it is not the responsibility of one Minister alone. It involves the entire Government even. Therefore, the Minister has replied to the extent which is possible for him to do and he has rereferred the other released subjects to another department that has been raised in the newspaper: I think this can be raised in the budget discussion.

Shri Golok Chandra Rajbongshi :— According to rule, when the item has been admitted, reply should come. If the Minister who is not in a position to reply he has referred the matter to Minister concerned. He has already referred the matter to the Cooperation Deptt. and if he is not in a position to reply, then the Chief Minister should come forward to reply and reply must be given.

Mr. Speaker :— He has given the reply to the Hon'ble Member.

Shri Dulal Chandra Barua ( Minister ) :— Sir, it is not actually so. Hon'ble Members are aware from the side news besides the main news. The main news is concerned with" "বৃত্তি নাই", which may be important here. It has been dealt with. So far as the subject matter is concerned in a particular news item, there may be hundred subjects and hundreds cannot be replied in one. The matter which has been referred to the Education Deptt., has been replied by the Education Minister, and other matters concern other departments. There are three subjects — "বৃত্তি নাই" is one head, "দৰমহা নাই" one head, and "চাকৰি নাই" another head. All

these three require three separate notices.

Shri Golok Chandra Rajbongshi :— Whether the item is included as one subject matter to be replied as one item ?

Mr. Speaker :— Rule 301 is very wide. Under that item, the Hon'ble Member is entitled to ask questions specifically to the news item published on 30th January in 'Dainik Asom', and probably all the subjects are different which relate to one institution or one college or one sort of organisation. Therefore, mainly this is concerning Education Deptt. and Minister has replied and so there is no point of order.

Shri Baneswar Saikia :— Sir, on a point of clarification ?

Mr. Speaker :— Is it on the same point of order or something else ?

শ্ৰীগজেন তাঁতী :— মই এটা স্পষ্টিকৰণ বিচাৰিছোঁ, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে সেই সময়ৰ বৰপেটা কলেজৰ সভাপতিয়ে কলেজৰ কিছুমান ছাত্ৰৰ অৱস্থা ভাল বুলি জনাইছে, তেওঁলোক দুখীয়া নহয় বুলি ৰিপোৰ্ট দিছে আৰু এই ৰিপোৰ্ট পোৱাৰ পিচত তেখেত বৰ-

পেটালৈ গৈ সেই ছাত্র সকলৰ বৃত্তিৰ কাৰণে ব্যৱস্থা কৰিবলৈ কলেজৰ অধ্যক্ষক পৰামৰ্শ দি আহিছে আৰু সেইমতে তাৰ পৰা লিখি পঠিয়াইছে এতিয়া দেখা গ'ল যদি সভাপতি বা প্ৰিন্সিপালে কিবা উদ্দেশ্য ৰাখি সেই দুখীয়া ছাত্ৰ সকলক বৃত্তি পাব নোৱাৰাকৈ ধনী ছাত্ৰ বুলি লিখি পঠিয়াইছে। এইটো এটা গুৰুত্বপূৰ্ণ কথা কিয়নো এই দুখীয়া লৰা বিলাকক পাবলগীয়া বৃত্তিৰ পৰা তেওঁলোকৰ অৱস্থা ভাল বুলি জনাই বা ধনী বুলি জনাই বঞ্চিত কৰাটো জানো যুক্তি সঙ্গত হৈছে ? মাননীয় মন্ত্ৰী মহোদয়ৰ বিবৃত্তিৰ পৰাই এইটো জানিব পৰা হৈছে, তেনে ক্ষেত্ৰত সেই কলেজৰ প্ৰিন্সিপাল বা সভাপতিৰ ওপৰত কিবা ব্যৱস্থা লোৱা হৈছে নে নাই, সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):— কলেজৰ প্ৰিন্সিপালে সেই বুলি লিখা নাই, সভাপতি জনেহে সেই বুলি লিখিছে, সভাপতিজন নতুন মানুহ নহয়, তেখেত বহুদিনীয়া মানুহ, মই তেখেতৰ নামটো প্ৰকাশ কৰিব নোখোজো কিন্তু এইটো কথা স্বীকাৰ কৰো যে তেখেতৰ কাৰ্য্যৰ কাৰণেই এই ছাত্ৰসকলে বৃত্তি পোৱাত কিছু পলম হৈছে। সভাপতি জনক ভঙাৰ বাহিৰে আন একো কৰিব নোৱাৰি। এতিয়া আমি এই যোগ্য ছাত্ৰ সকলে যাতে বৃত্তি পাই তাৰ কাৰণে ব্যৱস্থা কৰিবলৈ আগবাঢ়িছোঁ।

শ্ৰীখগেন বৰবৰুৱা :—বহু তথ্য-পাতিৰ পৰা জানিব পৰা গৈছে যে এই বৃত্তিৰ টকা বিলাক মিচএপ্ৰোপ্ৰিয়েচ্যন হৈ আছে, ছাত্ৰ সকলক তেওঁলোকৰ বৃত্তি দিয়া হোৱা নাই, যদি তেনে ধৰণৰ কিবা অপব্যয় হৈছে তাৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( মন্ত্ৰী ):— যদি তেনে ধৰণে বৃত্তিৰ টকা অপব্যয় কৰে তেতিয়াহলে সেই ক্ষেত্ৰত নিশ্চয় কঠোৰ ব্যৱস্থা লোৱা হব।

Mr. Speaker :— Now next item.

## INTRODUCTION OF GOVERNMENT BILL

Shri Jagannath Sinha (Minister) :— Sir, I beg leave of the House to introduce the Assam Shops and Establishments ( Amendment ) Bill, 1979.

Mr. Speaker :— Has the Minister leave to introduce the Bill ?

( Voices : Yes, Yes. )

Shri Jagannath Sinha ( Minister ) :— Sir, I beg to introduce the Assam Shops and Establishments ( Amendment ) Bill, 1979.

( Secretary, Legislative Assembly, read out the title of the Bill )

## ANNOUNCEMENT BY THE CHAIR.

Mr. Speaker :— I called a meeting of the Leaders of various Parties and Groups on 21st February, 1979 in my Chamber to discuss about the allotment of time amongst the Members of different Parties and Groups for discussion on the Motion of Thanks on the Governor's Address. The debate on the aforesaid Motion has been fixed for 4 days, i.e. 22nd, 26th, 28th February and 1st March, 1979. The total time available for discussion on the said Motion is 860 minutes. Out of this, 60 minutes have been earmarked for reply of the Chief Minister. The rest of the time has been equally divided amongst the Member of the House according to their strength as follows :

| | | |
|---|---|---|
| 1. Janata Party including Ministers intervening in the Debat | ... ... | 400 minutes |
| 2. I. N. C. | ... ... | 150 minutes |
| 3. C. P. M. | ... ... | 78 minutes |
| 4. I. N. C. (I) | ... ... | 52 minutes |
| 5. C. P. I. | ... ... | 39 minutes |
| 6. R. C. P. I. | ... ... | 26 minutes |
| 7. P. D. F. | ... ... | 32 minutes |
| 8. Independents | ... ... | 19 minutes |

Extra ... ... 4 minutes

800 minutes.

In this connection I would like to request the Leaders and Whips of the different Parties and Groups to indicate the time to be taken by each member in the list of Speakers submitted to the Secretary.

## DEBATE ON THE GOVERNOR'S ADDRESS

* Shri Altaf Hussain Majumdar :— Mr. Speaker, Sir, in the context of the motion moved yesterday to the effect that the members of this Assembly are grateful to the Governor for the Address he has been pleased to deliver, and at the outset I thank the Governor. Sir, the Governor has covered the vital points and the pressing problems of the State and enunciated the policy of the Government in 20 pages, and he has rightly pointed out that the restoration of the democratic values has left new patt-

* Speech not corrected

ern and new types of dynamism, initiative and purpose which has given rise of great future for all sections of our people. Sir, the Janata Government with a life of one year has sot the pace and process expeditiously for the realisation of the hopes and aspirations of the down-trodden people of the State, and for the fulfillment of its commitments. Sir, there is no doubt that the recent happenings in our border on the 5th January have disturbed all of us. On the earlier hours, there was death and devastation, loot and arson on the villages on the border of Assam and Nagaland. These are of unprecedented magnitude and probably there is no word to express and condemn such barbarous atrocities on the innocent people. We are all shocked and our hearts and our sympathy goes to the innocent people, innocent sufferers and the bereaved families. Anger is burning in every heart not only in this House but all over the State. There is no doubt that this broder areas were also subjected to occasional violence, victimisation and depredations previously. But this time, it has gone to unimaginable extent. Sir, we have seen that our Chief Minister met the Chief Minister of Nagaland on the 2nd January and

both the Chief Ministers wanted to have peaceful solutions of the matters. Sir, it can be evident from the circumstances in which this incident happened that the idea was to sabotage that Agreement between the two Chief Minister.

In this atmosphere surged with emotion, grief and anger, some notural and plausible questions are there in the minds of the people of the State has the Government failed to protect the lives and properties of the people living in the border areas. Was it a failure on the part of the Home Ministry ? Or was it a mistake in assessing the situation in tackling the events that have happened ? Or was there any human omissions and commissions inherent in the administative system ? Answer to these questions requiers special geographical and historical analysis of the whole situation. Sir, you are aware that this Nagaland border issue is not a very new thing to us; it has a long and chequred history. I may not dilate much on this but certain historical facts have to be marshalled to appreciate and give answers to the questions posed by the people of the State. The Ahom kings had established a practice of allowing the Nagas to come to the

plains only through controlled routes called Duars. While asserting their sovereignty over the tribes populating the adjacent hills, the Ahom Kings as a matter of political expediency left their internal administration to their cheiftains. Taxes were however realised in the form of slaves, elephant tusks, woven clothing and other materials. Following the treaty of Yandaboo in 1826, the political control of the entire area comprising Ahom kingdom slipped into the hands of British. In the areas occupied by the tribes like Abors, Mishmis, Nagas etc., direct administration was not seriously considerd till the latter half of the 19th century. Sir, you know that there is no specific area know as Naga territory which could be traced till late 19th century. The hill areas beyond the effective limits of the Ahom Kings were occupied by the different tribes hostile to each other. They lived on the mountain tops and occ sionally came down to the plains for trade or raids. Then some historical changes took place It has a long history. However, gradually, following the completion of this long process of boundary adjustment to facilitate complete British control over the high hills, a consolidated Notification was issued in the year 1925 fully describing

the boundary between the Naga Hills district and the neighboring districts to remove any possible scope for confusion and conflict. This final description of the boundary has held sway all this time. But unfortunately, from time to time, most unreasonable claims were made by the Naga people which are neither justified geographically nor historically... The claim that large chunks of valuable forests and cultivable lands in the occupation of any Naga population had been transferred to the plains districts of Assam does not seem to be borne out by the facts of history. On the contrary, during the long process of creating the Naga Hills district over a period of six decades large settled, occupied and fully administered areas of Assam had to go through the process of transfer.

Sir, what was finally restored to Assam through the 1925 Notification was thus less than what was hers from time immemorial. You know Sir, on the 1st December, 1963 the State Nagaland came into existence under the State of Nagaland Act passed in 1962. Earlier, under section 2 of the Naga Hills Tuensang Area Act, 1957 a new administrative unit had been formed with the

name of Naga Hills Tuensang Area. The boundary in both the Acts was based on the Notification of 1925. From this fact it is evident that the Naga people accepted the Notification of 1925 so far as the boundary was concerned and it was acted upon and accepted. Unfortunately, the reserve forest areas of Assam lying close to the Assam-Nagaland boundary have been the scene of great tension and violence ever since the State of Nagaland was created. These matters were discussed in the floor of the House times without number by the hon'ble members of the House in different Sessions of the Assembly. Sir, you know, as a result of the discussion held in 1972 between the two State Governments four interim agreements were signed for maintenance of peace and order in the disputed border pending recommendations thereon by Shri K.V.K. Sundaram, Adviser to the Union Ministry of Home Affairs on the Assam-Nagaland boundary. Then Sir, the agreement signed by the two Chief Ministers of Assam and Nagaland on 2-1-79 raised fresh hope for peaceful solution of the boundary issue in the minds of the people of the State. Naturally the unexpected and wanton atrocities perpetrated three days later by armed miscreants from across the border, resu-

lting in large scale deaths, arson and devastation, have caused the greatest possible shock to the people of our State. Sir, we have seen, both in the Press and elsewhere an affort was made to make the Government of Assam responsible for the happenings of the 5th January on the alleged ground of de-reservation of Dayang Reserve Forests. Sir, with due respect to them and fullest understanding of the views also I may say that the whole thing was misunderstood. I do not say that purposely it was propagated from all quarters against the present Government of Assam. It may be, somewhere the lack of proper information stood on the way to appreciate and visualise the situation and to assess the responsibility of the present Government. Sir, I may say in short that this Dayang reserve was constituted in Sibsagar district by Notification No. 28. dated 31st July, 1968. It lies on the Assam-Nagaland boundary and covers and are of 60,875 acres. In the southern boundary was the foot-hill of Naga Hills and Dayang river; it was not the co terminus of Reserve, it was further south. Sir, you know for checking further encroachment by Nagas a belt verying from half a mile to three-fourth of a mile in witdh was demareated along the

boundary with Nagaland in 1966. In 1967, 680 families were selected for settlemen in the said belt in Doyang Reserve Forest. At the same time, some 450 Bodo families encroached into Doyang Reserve in Sisupani area. This encroachment led to some tension and as a result on 18.3.68 Nagaland Armed Police personnel trespassed into this Reserve Forest and set fire to 200 houses belonging to the Bodos. Efforts were made to solve this problem by means of discussions at both the official and political levels. The Government of Assam took up the matter with the Government of India a number of times. As a result in 1971 the Ministry of Home Affairs appointed Shri K.V.K. Sundaram as Adviser to the Government of India on the Assam Nagalend boundary which I have stated earlier. Sir, as desired by the said Adviser, in order to maintain peace a tranquility in the are and until such time as the Adviser finalised his recommendations, the Chief Secretaries of Assam and Nagaland signed four interim Agreements. Cf these, the Interim Agreement of 2.5.1972 prodived for the maintenance of peace and tranquility in Doyag Reserve Forest and also the method where by this could be achieved. In pursuance of this Interim Agreement the Govrnment of Assam

carried out large scale evictioe operations in 1973 in the course of which 3627 houses and 661 huts were demolished and 2837 families were evicted. The break-up of 2837 families are as follows :—

Assamese— 2055.

Ex-tea garden labour— 667;

Napali— 114.

Naga— 1.

A total area of 25595 acres was cleared of encroachment in the process. The Naga encrachers were with one sole exception left unaffecred pending scrutiny of their date of encroachment so that those in occupation before the date of Interim Agreement were not affected. Despite such sincere efforts by the Assam Govt. to honour the Intrim Agreement and protect the interest of bonafide Naga encroachers large scale encroachment by the Nagas continued unabated. This naturally resulted in large scale encroachment from Assam side also with the result that the Doyang Reserve Forest ce sed to be a Reserve Forest for all practical purposes. This fact cannot be over ruled. You know sir, the Chief Mihister made a statment in the

floor of the House on 10.6.78 about the proposed dereservation of the Doyang Reserve Forest and it has got to be considered in this perspective, In the Agreement Doyang was also subsequently excluded. Even if it is said for the sake of argument, but not admitting, that dereservation of Doyang may a technical violation there is no fault on the part of the Government of Assam. Sir, I would ( at this stage Mr. Speaker left the House and Mr. Deputy Speaker occupied the Chair ) like to impress that if anybody wants to study the happening on the 5th, he has to take into consideration the trend of continuosus happenings prior to that date. Sir, if I say from the trend events from before than it would be looking to the affair with one eye only closing the other. I believe that it is an intricate problem dealing with a friendly state on our border. Things would have been different had it been a foreign State. Therefore, there are handicapps which are bound to be there and for that if we suddenly jump to the conclusion that it is a failure on the part of the Govt, it would unwise. We connot also say that this incident of 5th January last has taken place suddenly in one fine morning. It is not so. It is more or less a tension living.............

Shri Premadhar Bora :— For the informotion of the honourable member I would say that he is mingling together two issues viz, border issues on the basis of the 1925 gazette notification and the actions of land hungry people on 5th January last. Two issues are involued there.

* Shri Altaf Hussain Majumdar :—Mr. Deputy Speaker Sir, I am not mingling to issues, probably I have been mistaken and not been appreciated properly. I am saying this because in Press and in some other places it has been said that these incidents have taken place as the Dayang has been made open to settlers. I have been analysing the issues that found that it has nathing to do with dereservation of Dayang forest. Sir, I will not delate in details of the happenings which are well know to you, and so I revert to the main points on this issue. Assuming that there might be remours in relation to this that there would be trouble. No Govt. can foreseen that in such and such hours such and such things would happen. Therefore, Sir, it is definitely not a failure of the Govt. There were occasions in the State

* Speech not corrected

thr.ughout India and elsewhere in the world where there are powerful Govt. prevailing such eruptions took place. But these cannot be foreseen. Therefore, it cannot be said that this was a failure on the part of the Govt Now, the second point is, would the Govt, foreseen even after the 2nd of January when the two Chife Ministers sat together, where it was decided to resolve the differences in peace and good will that such a situation would at all arise. No gentleman would accept in the face of such circumstances any remours or cryptic reports to the extent that a situation would take such a turn. A Govt. is run by human machinery and therefore as an individual one cannot claim infallibility and on such a situation I have nothing to comment upon. Human fallibilities are bound to be there, since it is a Govt. not run angles. and not run by promises. So Sir, I would like to say that it is not a failure but, it is a lapse on the part of the Govt. It has been said that there should have been prior information on such a situation. One may draw a cryptic calculations, but a Govt. cannot draw such a picture. ( Interruptions ) ......

Shri Giasuddin Ahmed :— I would advise the hon'.mem-

ber to Speak from his heart and not by emotion...

Shri Noorul Huda :— How much cryptic information they have recived let us know.

*Shri Altaf Hussain Majumdar :—Mr. Deputy Speaker Sir, I don't say that this Govt. is infallible. I say it has got lapses but that does not mean that it is a failure. Failure is one and human lapses are another. I don't say that there were no lapses. There were lapeses here and there, but there was no failure on the part of the Govt. I am sure our Govt. will be more alert about these developments. I must thank the Minister, P.W.D. for his works, relating to restoration of communications etc. ( Interrution )........ Yes, yes, the other Mr. Mukharjee has admitted that the works relating to relief etc. are praise-worthy. I have seen about it in the newspaper. Sir, I should also refer to another point. You are aware Sir, that the Janata Govt. is committee to democracy. It stands for an open society and so it stands to critioism. You have known that during the regime of the previous Govt. nobody

* Speech not corrected

was allowed to oppon his mouth freely and frankly in the House. (Uproar in the Opposition Bench).... Aftar the regime under emergency, the people started speaking freely and frankly. Now, the members belonging to the rulling party can critcise the Govt. on the floor of the Assembly with no feaar of vengence later on.

Now Sir. the hon.Panchayat Minister had made commitment in the House whicd he carried out and I must congratulate him for this. The Minister was once tortured by the previous Panchayat Minister...........

Shri Mukut Sarmah :– He is now in the Janata Party.

* Shri Altaf Hussain Majumdar :— So, sir. I must congratulate the Panchayat Minister for holding the election peacefully and freely through out the State. He was able to keep his commitment made on the floor of the House. I appeal to him now that all powers should be vested in the Panchayats for easy functioning and for democratic decentralisation. There should be decentralisation. There should be decentralisation because Janata Govt. has committed

* Speech not corrected

to it in its election pledge. Then, sir, I would like to mention another thing about the village roads and public paths which were constructed since the time of community development. Sir, as you are aware as many as 600 k.ms of public paths are now existing under Panchayats but today their conditions are very bad because of lack of funds. There is no money to take care of these paths. P.W.D is also not coming into the picture. Sir, the money which were spent was a mere westage as these roads were not constructed in a planned way. Sir, this is the condition of almost all the constituencies where these village paths were constructed. Therefore, I would suggests that whenever funds will be made available, Panchayat should give priority for the construction of all those paths and thereafter work for the new roads may be taken. Sir, we are happy to know the policy statement of the Janata Govt. through the mouth of the Governor that this Govt. has given emphasis on rural development. Sir, the Govt. of India has also given priority for rural development and in the last bubget of the Govt. of India we find that a huge amount has been earmarked for the rural sector. I am sure Govt. will definitely achieve the desired objectives

in the rural sectors in future. Then, sir, in Agriculture, some headway has been made and I am sure with the introduction of new schemes Agriculture department will be able to give service to the society as the Go ernor has referred to in his speech. Sir, in certain parts of Cachar district, people were in dist ess and when we brought it to the notice of the Agriculaure Minister, he did not hesitate to provide help to them. I am sure Govt. will provide relief and help to those who are still in distress in certain areas of Cachar district. As regards irrigation, the Governor in his speech has mentioned that Govt. has given emphasis on the development of irrigation. If all these schemes are executed properly, a change will surely be brought in the field of irrigation also.

Then, sir in Flood Control, we find that our Minister in-charge is taking much interest to solve the manifldo problems of the Deptt. It is very good. Sir, as we all know, it is very defficult to control the river Brahmaputra with the limiteed resources that are available with the Govt. But even then we must appreciate the efforts made by the Govt. to control the mighty river brahmaputra with its concomitant problems. In this connection I would like to draw the attention of the

Hon'ble Minister about the Barak River Project as the Governor has not mentioned anything about it. Most probably, the Governor has missed it. I am sure Govt. will definitely include this project also in the ensuing year. Coming to the Veterinary, we find that Governor has mentioned that several schemes have also been lauhched for development of cattle pegs, sheep and fodder ect. The Department has also taken up certain progressive programmes and severl improved methods have been introduced. I am sure, sir, with the introduction of these progressive measures, the department will be able to give service to the people. Then, in Cooperation certain basic changes are going to take place soon. An Enquiry Committee has also been set up and as soon as the Committee will submit its report Cooperation Deptt. will introduce new concepts and I am sure, sir, with the introduction of new concepts our cooperation deptt. with be able to remove the proverty to a great extent. Of course, sir, it is a fact that there are lapses here and there and we cannot deny that. But I am happy to inform the House that whenever we come to the Minister with any problem, he immodiately takes it up and tries to solve the problem. I am sure, sir, with the limited resouces that are available with the Govt. the

department will try its best to gear up the existing machinery. Then, coming to Power, I would like to mention that there is a general shortage of power in the country. The Governor has mentioned in his speech that Govt. of India have recently aproved a project we wish success of the project. Sir, in the field of roads and transport, particularly in P. W.D., I can say that things are going very fast in P.W.D. then the previous Govt. Sir, as you are aware the previous Govt. stopped all the repairing works. Now, it has become very difficult for the present ministry to repair the damages of the roads. Sir, our present Minister-in-charge, P-W.D. is takeing much interest and wheaever we go to him with any problem, he attends it immediately. We are sure that under his active guidance the department will move fast. Sir, the whole difficulty is that we have gone for more roads but we do not give emphasis for the development of the existing roads. Sir, earlier also I have mentioned it and I would like to mention here again that we should give emphasis for the development of the existing roads whenever funds are made available instead of going in for new roads. Sir, I would like to draw the attention of the P W D, Minister abut it. Then,

sir, the Department is also to look after the basic amenities of the cfficers who are working under difficult conditions. The department should also look after there grievances. Sir, you will be surprised to know that as many as 150 posts of Asstt. Enginears are now lying vacant in the P.W.D. Sir, I would like to draw the attention of the Hon'ble Minister to take step for filling up of these posts as early as possible If we do not get the Engineer with the existing pay and salaries, we should not hesitate to bring the Engineers with higher salaries. If we do not fill up these posts immediately, our works will suffer a great deal in P.W.D. At the sametime the department should also see that these Engineers get the chances of promotion in due course. Sir. after serving 10 or 12 years, if these Engineers do not get the chance of promitions naturally they will not prefer to join in the P.W.D. Sir, in this context I would also say a few words about supply. Supply machinary must be geared up. These supply officers have got some legitimate and genuine grievances. The Supply Officers are not confirmed for long time, their gradation lists have not been prepared and their promotions are held up for long long time. I ascertained from the hon'ble

Supply Minister on 24.7.78 that some promises were made to them in regard to confiamation, promotion. But I do not know why these things should be allowed to linger causing discontentment amongst the officers. If you want to succeed you must see to the genuine grievances of the officers. You must do it to-day which can be done to-morrow. It can be done to-day also to immediately eliminate the discontetment amongst the officers With these discontentment amongst the officers for promotion, without properly filling up the vacancies, how can you expect to succced in your policy and programme? I would request the hon'ble Supply Minister to sort out the matter with the Finance Minister and redress the grievances of the Supply officers immediately so that the programme can be implemented smoothly.

Sir, in the case of emploment I would have an appeal. That in the Governor's address no figures have been given to what extent employment has been given. That figure shou'd have been given. That is a lapse. Whether they succeeded or not, that should have been pleaced before the House. Certairly they should look to that. Hon'ble mem-

bers of the house has a right to know how far the employment is given. Sir, in the field of education we are happy that in the sphere of science education more emphasis has been given and we have got least doubt about the sincerity of the Minister. But, unfortunately it is too unwieldy a department. But, sir, I would request the hon'ble Minister for Education, a sincere man, see that the Directorate is cleared the table is cleared and as all members are extending their co-operation we are also extending our co-operation and we would like to see that this not repeated in the floor of the House.

Sir, in the field of health some importance has been given by the Governor but why there is omission of Homoeopathic, Ayurvedic and Unani ? I have written a letter to the Chief Minister and the Health Minister urging them to provide some finance in the budget for developing Homoeopathy. Why only the Alopathic treatment ? In the prosess of Alopathy by hundred years you could not reach the corner of the State. I must say that West Bengal Govt. has taken up this and they have taken the help from the Centre. I should not have said this but I find nothing has been done to deve-

lop these Homoeopathic, Ayurvedic and Unani in our State. Why it was not done ? The answer is obvious. Because the Directorate is sitting there and they do not want these to grow. So they are not at all interested for development of Homoeopathic or Ayurvedic or any other kind of treatment. If other State can take advantage of this why should we be left at the mercy of the officers who do not want to develop Homoeopath, Ayurvedic and Unani ?

( Noise )

Mr. Deputy Speaker :— I hope the hon'ble members will not interrupt.

* Shri Altaf Hussain Mazumder :— Sir, to day only the Cheif Minister made a statement on the floor of the House that he is going to reorient the Public Health Enginerering Department. It was due, it was long overdue. In the field of drinking water there were money from the Govt. of India but this money could not be utilised properly. I would

* Speech not corrected

request the hon'ble Minister theough the Chief Minister to see that money does not go back and if it goes back that will be something ludicrous for us.

Sir, about the Administrative Reforms it is said that the Govt. can succeed with the co-operation and willingness of their officers to volunteer to assitt. In implemeatation of the schemes. So it is the bounden duty of this Govt. to see to their legitimate grievances. To-day there is increase of ACSI officers. But I do not understand why is should take months and months. There is disparity amongst Engineers and the Civil Servants.

( Noise )

Mr. Deputy Speaker :— Order, order. I do not like to encourage hon'ble members to give commentary.

* Shri Altaf Hussain Mazumder :— Sir, I would appeal to my Govt. through you that they should see the interest of the Engineers. Engineers are the backbone of the development of the country to-day. You are to build your economy with the help of the

* Speech not corrected

Engineers but you are neglecting the Engineers. You should not neglect the Enaineers. So I will appeal to them through you that they must remove this disparities. We need the Engineers more to-day. They should not be neglected.

Sir, I am most unhappy over one para of the Governor's speech and that chapter where it has been written' effective measures have been taken to prevent influx. Sir this is a report worngly projected in the press and due to which all sorts of misunderstanding have crept up amongst different communities of people and this I have repeatedly said. I have also repeatedly said to check this influx of foreigners more check post should be created. I am sure no member wants any foreigners to come here irrespective of caste or creed. Be he a Hindu, a Muslim or any other community we will fight it because it is a question of our survival. Sir, but we cannot tolerate the way the police is behaving and toturing the innocent people. Why this sorts of police action should be allowed? Definitely there is a Foreigners' Tribunal which is dealing with this. In the Constitution of Inda where is the provision that the police can act on their

own, ? No democratic Governmont can think in these lines. I would appeal to the Janata Goverment to utilise their good offices as early as possible, otherewise, the whole Government is going to in trouble. Sir, even a Sub-inspector of Police, a police consteble, will go and eatch hold of the man and will say you are a foreigner. What stupidity it is ? Can anybody show me the proof that the police have been acting in the right direction ? I was dealing with law for the last twenty years but I had never come across such a state of affairs. All these have been going on in the name of the constitution violating its provisions. I always stand by the Constitution, of India and my loyalties are always there for it. Our boys are also protesting against the molestation of the constitution. The infiltration of foreigners must be stopped forthwith. we might ask for ccoperation from village people and I think the villagers will cooperate. The other day, Sir, Shri Atul Goswami was telling me, while I was coming from Jorhat, one Akas Ali was thrown into the other side of the border saying, "You are a foreigner". I am sure Government will consider my advice. I have got full faith in this Ministry. The only obscurantists are some officials who are

misleading this Government. Let this Government deal with those officials who do not want to carry out the Government orders; let this Govt. take legislators into confidence; let this Govt. take the elected representetives in to confidance, then only, we will find an and to this.

Sir, in this House our Hon'ble Chief Minister made an assurance that the population pattern will be reflected in employments. Last year, I criticised the then Chief Minister for not giving effect to it. The present Chief Minister said that the district officials were not carrying out the orders of the Govt. I do not know in which world we are living; Chief Minister should exert his energy in this direction and should issue wireless to the concerned officials emphasing the need for population pattern reflection in employment. As I said, here and there lapses are there. This is bound to happen because all the Ministers in the present Cabinet are not experienced. So Sir, we should not castigate the Government's action; we should term them as lapses. Under the Constitution of India, I have every right to point out the lapses of the Govt. I am sure, this is the feeling of the whole

house that the lapses should be removed immediately. This Govt. is in office for one year only and we cannot claim the lapses as failures. So, the assurances given to the people must be fulfilled, otherwise, if people started distrusting the Govt., this Govt. cannot prosper. As I said earlier, due to slipshod woıking of officers the whole country cannot be jeopardised, so they must be extirpated out of the administration.

Sir, in the matter of employment, it promised to people that the justice will be maintained. But Sir, if you kindly take the figures for the last one year, even after the statement of the Chief Minister, you will find quite contrary to this. This matter is not a issue of the members of this side only, the Hon'ble Members sitting on the other sides also raised this issue in this House. So, Sir, as I said earlier, these two points, viz. arbitrary authority of the police and the non-affecting the population pattern. These should be immediately looked into. This is the general feeling of the house this is the opinion of the elected representatives of the people. Therefore, Govt. should not hesitate to follow the advice that it should try to win the con-

fidence of the people because the time of the present Govt. which has passed under it is only one year, a period in which no Govt. worth the name can show radical changes. If after a reasonable time the Govt. cannot do anything, we will try to justify them and put to severe criticism. I am always by the side of the downtrodden people and in my opinion the whole house will raise the same voice.

We feel that in a Governor's address many problems of the state are to be communicated. However, it cannot be made an encyclopaedia even though the problems are gigantic and magnitudinal ones. So, perhaps, it was not the intention of the Govt. not to mention some of the problems.

Sir, there is a mention in the Governor's address about sports, youth welfare, etc. I lay great emphasis on them. Because, we have seen in Punjab that all sorts of help and encouragement for development of sports and youth activities are being extended by the Govt. But the money that had been provided during last year was quite inadequate. There should be more money to channalise the youth activities in the right direction. In order to

stroamline the youth activities we must provide adequate money. With there would I concluded my speech.

Mr. Deputy Speaker :— Now the House stands adjourned till 2-30 P.M.

After lunch

Mr. Deputy Speaker :— There are some amendments to the Motion of Thanks moved by Shri Altaf Hossain Mazumdar. So, let the amendments be moved.

Shri M. Shamsul Huda :— That the following be added at the end of the Motion of Thanks on the Governor's Address moved by Shri Altaf Hossain Mazumdar—

"But the Governor failed to mention in his address his Government's failure and lapses in protecting the life and property of the people of the State and also failed to solve other Mojor and vital issues and problems of Assam."

*Shri Giridhar Thengal :— That at the end of the Motion of thanks moved by Shri Altaf Hossain Mazumdar the following be added—

* Speech not corrected

" But regret to note that the Governor's address has failed to high-light the miserable failure of the Government (a) to safeguard the life and property of the people living on Assam Nagaland border; (b) To safeguard the rights and privileges of the minorities and (c) To fulfill the hopes and aspirations of the working class, peasantry, Government employees, and other sections of the population."

Shri Mukut Sarma :— That at the end of the motion of thanks move by Shri Altaf Hossain Mazumdar on the Governor's Address the following be added—

" But regret that the Governor's has failed to mention in his address that his Government has miserably failed to protect the lives and properties and also failed to prevent the brutal atrocities committed on the people living in the Assam and Nagaland border."

Shri Gajen Tanti :— That at the end of the motion of thanks moved by Shri Altaf Hhssain Mazumdar on the Governor's Address, the following be added :

"But regret that the Governor's Address has failed to mention that his Government has failed to mention the harassment caused to Indian citizens in course of deporting Bangladesh nationals and has failed to set up Tribunals or judicial bodies for screening as a result of which even Indian citizens are being deported."

*Shri Golok Rajbangshi :— That at the end of the motion of thanks moved by Shri Altaf Hossain Mazumdar on the Governor's Address, the following be added:

"But regret that the Governor's Address has failed to mention that his Government has been inefficient, ineffiective incompetent and corrupt as a result of which the progress of the State has been held up."

Shri Premodhar Bora :— That at the end of the Motion of thanks moved by Shri Altaf Hossain Mazumdar the following be added :—

"The Governor in his Address failed to

* Speach not corrected

give the true picture of the State in various field of activities such as border situation with others sister States particularly Government's failure to protect the life and properties of innocent villagers in Assam Nagaland Border, administrative lapses in dealing with the officers responsible for this brutal killing of innocent persons by Armed Nagas, its failure in field of education such as taking over ventures L. P. Schools in the State its failure to meet the gigantic problem of flood control of Brahmaputra, its function to deal with foreign nationals, mounting problem of unemployment, industrial development including development of cottage Industries. The Governor also f iled to emphasise the land problem and its solution."

Shri Nazmul Haque :— That at the end of motion of thanks moved by Shri Altaf Hossain Mazumdar on the Governor's Address, the following be added--

"But regret to note that the Governor's Address has failed to focus the deplorable failurc of the Government (1) to protect the precious lives of the people living along the Assam-Nagaland Border from the destardly attack of armed

gangs of miscreants on 5th January, 1979, (2) to rouse confidence sense of security and justice into the minds of the people and (3) to meet the aspirations of the workers, peasants and the down-trodden people of the State in relation to economic and social equality. "

*Shri Hemen Das :— That the following be added at the end of Motion of Thanks on the Governor's Address moved by Shri Altaf Hossain Mazumdar—

"But regret that the Governor in his Address failed to assess the gravity of the situation arising out of the most lheinous and dastardly attack on innocent citizens in Assam-Nagaland border by some armed miscreants.

That the Governor in his address failed to note that in the name of deportation of Bangladeshi Nationals the Police, C.R.P., B.S.F. and Railway Police have been harassing innocent Indian cittzens all over the State and specially in the border districts of Assam.

That the Governor failed note that the

* Speech not corrected

Police has been interfering in the genuine trade union, Kisan and other democratic movements as in the old Congress days.

That the Governor did not note that the proposed creation of new administrative districts, which decitation was arrived at without proper consultation with peoples', representatives, has sown discard among people in certain areas of the State.

That the Governor failed to note that the Land Reforms Commission did not associate anybody with knowledge of practical peasants' movement in the State and as such the conclusions and findings of such a Commission may not be of much value to bring reforms in the Land Police of the Government.

That the Governor has failed to note that industrial development of the State is at its lowest-ebb and no new initiative has been taken by the Government.

That the Governor failed to mention that

acute unemployment among urban and rural youth has created a volatile situation and the State Government has not been able to devise ways and means to meet the situation.

That the Governor failed to note that the Annual Plan outlay for the State for 1979-80 is extremely inadequate and the State Government has signally failed to ask for sufficient allotment from the Centres which would adversely affact the development of the entire State.

That the Governor has painted a rosy picture in his Address about educational development in the State omitting to mention that the State Education Department is in doldrum requiring immediate reorganisation at all levels.

That the Govrnor in his Address did not note Goverment's failure to maintain regular supply of essential commodities like Salt, Kerosene etc. which has hit the common people beyond imagination.

That the Governor did not mention that

the State Government miserably failed to check profitering and black-marketing leading to high prices of all essential commidities in the State.

That the Governor did not note in his Address that the State Government has failed to improve the lot of economically distressed sections like agricultural labours, unskilled day labourer and semiskilled labour during the past one year.

That the Governor did not note that the State Government have taken a stepmotherly attitude towards the State Government employees which may compel them to resort to agitational methods."

**Mr. Deputy Speaker** :— Shri Nagen Barua.

*শ্ৰীনগেন বৰুৱা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই শ্ৰীআলটাফ হুচেইন মজুমদাৰ ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত উপস্থাপন কৰা ধন্যবাদ সূচক প্ৰস্তাৱটো সমৰ্থন কৰি আৰু বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে উপস্থাপন কৰা সংশোধনী প্ৰস্তাৱৰ বিৰোধীতা কৰি কেইআষাৰমান কথা কব বিচাৰিছো। ৰাজ্যপালৰ ভাষণত বহু বছৰৰ মূৰকত এইবাৰ এটা নতুন কথা দেখিবলৈ পোৱা গৈছে

* Speech not corrected

যে ৰাইজৰ বিভিন্ন সমস্যাৱলীৰ প্ৰতি যিটো দৃষ্টিভঙ্গী চৰকাৰে লৈছে সেই দৃষ্টিভঙ্গী ইয়াত প্ৰকাশ পাইছে আৰু সেই সমস্যাৱলী সমাধানৰ কাৰণে চৰকাৰৰ দৃঢ়ভাৱ আশ্বাস আৰু দৃঢ়তাৰ কথা ৰাজ্যপালৰ ভাষণত সুন্দৰ ভাৱে প্ৰকাশ পাইছে। যোৱা কালছোৱাৰ চৰকাৰৰ দোষ ত্ৰুটি ভুল ভ্ৰান্তিৰ কথাও ইয়াত উল্লেখ কৰিছে। আজি উদাহৰণ স্বৰুপে আমাৰ যিটো সীমান্ত সমস্যা সেই সীমান্তৰ সমস্যাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰি সেই সম্পৰ্কত চৰকাৰৰ দৃষ্টিভঙ্গী আৰু তাৰ কাৰণে লোৱা কাৰ্যসূচীও ইয়াত উল্লেখ কৰিছে। সমাধানৰ কল্পে লোৱা ব্যৱস্থাৰ উল্লেখ সুন্দৰ ভাৱে ৰাজ্যপালৰ ভাষণত আমি দেখিবলৈ পাইছো। অসম-নগালেণ্ড বা অৰুণাচল-অসম, মেঘালয়-অসম সীমান্তত যি ঘটনা ঘটিছে সেই ঘটনাৱলীৰ সন্দৰ্ভত আমি কিছু কথা আলোচনা কৰা নিতান্ত উচিত হব।

উপাধ্যক্ষ মহোদয়, যোৱা প্ৰশাসনৰ সময়ত দীৰ্ঘদিন ধৰি অৰ্থাত্ ১৯৫০ চনত ভাৰতীয় সংবিধান গ্ৰহণ কৰা হোৱা পিচৰে পৰা উত্তৰ পূৱ ভাৰতৰ এই অঞ্চলটোৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক দিশৰ সমস্যাৱলীৰ বিষয়ে সম্যক আলোচনা বা সমাধানৰ ব্যৱস্থা কৰিব নোৱাৰা কাৰণেই পাহাৰ আৰু ভৈয়ামৰ মাজত যি সম্প্ৰীতি গঢ়ি উঠিব লাগিছিল সেই সম্প্ৰীতি গঢ়ি উঠাত বাধাৰ সৃষ্টি হৈছিল। বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকা আৰু সুৰমা উপত্যকাৰ মাজত যিটো সম্প্ৰীতি গঢ়ি উঠিব লাগিছিল সেই সম্প্ৰীতিও গঢ় লোৱাত বাধা বাধা হৈছিল। সেই সমস্যা সমূহ সমাধান কৰিব নোৱাৰাৰ কাৰণ মূলত: নানা ৰকমৰ আৰু নিজা স্বাৰ্থ ত্যাগ কৰিব নোৱাৰাটাও ইয়াৰ ভিতৰত অন্যতম। ইয়াৰ কাৰণেই ভৈয়ামৰ মানুহৰ আশা-আকাংক্ষা পূৰণ কৰিব নোৱাৰিলে আৰু পাহাৰত থকা জনসাধাৰণৰ

আশা-আকাংক্ষা তেওঁলোক নতুনকৈ স্বাধীন হোৱাৰ পিচত যেনে ধৰণৰ আছিল সেই আশা-আকাংক্ষাৰ লগত তেওঁলোকক আগুৱাই নিয়াৰ কাৰণে ৰাজনৈতিক বা অৰ্থনৈতিক ভাৱে আগুৱাই নিয়াৰ সুবিধা দিব নোৱাৰিলে। সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰৰ ভুল নীতিৰ কাৰণে সৰু সৰু পাহাৰ বিলাকত যি সকল জনজাতীয় লোক আছিল তেওঁলোকৰ মাজত যি ধৰণৰ ক্ৰিয়া-প্ৰক্ৰিয়া ঘটিছিল সেই বিলাকৰ লগত আন্তঃৰাষ্ট্ৰীয় আৰু বহিঃশক্তি কিছুমানৰ হাত আছিল। নানা কাৰণত বিশেষকৈ গৃহনীতিৰ ভুলৰ কাৰণে এই অঞ্চলসমূহত নতুন নতুন ৰাজ্যৰ গঠন হৈছে বা হবলৈ বাধ্য হৈছে। প্ৰথমতে হিংসাত্মক আন্দোলন আৰম্ভ হৈছিল আৰু তাৰ পিচত বহুদিন ধৰি এই হিংসাত্মক আন্দোলন চলি থকাৰ পিচত তেওঁলোকৰ মনৰ আশা-আকাংক্ষা পূৰণ কৰাৰ কাৰণে সেই জিলা বিলাকক ৰাজ্য হিচাবে স্বীকৃতি দিয়া হ'ল। কিন্তু সেইখিনি সময়ত সেই ৰাজ্য বিলাক দিয়াৰ সময়ত সীমা সম্পৰ্কে যি বিলাক কথা আছিল সেই কথা বিলাক সুচিন্তিত ভাৱে মীমাংসা কৰা নহল। তাৰ কাৰণে যি খিনি দৃঢ়তা আৰু সদিচ্ছাৰ প্ৰয়োজন আছিল সেইখিনি প্ৰশাসনৰ ক্ষেত্ৰত নাছিল কাৰণেই প্ৰশাসনৰ ফালৰ পৰা তেনে ধৰণৰ সৌজন্যত প্ৰকাশ নহল আৰু ফলত সমস্যাৱলী সমস্যা হৈয়েই থাকিল। উদাহৰণ স্বৰূপে ১৯৫৪-৫৫ চনত নগাসমস্যা আৰম্ভ হৈছিল কিন্তু কিয় নগা পাহাৰৰ সমস্যা উদ্ভৱ হৈছিল সেইটো স্মৰণ কৰা উচিত। সেই সময়ত কংগ্ৰেছী শাসন আছিল আৰু নগা পাহাৰৰ পৰা তিনিজন বিধায়ক আছিল যদিও মন্ত্ৰী সভাত প্ৰতিনিধিত্ব কৰিবলৈ এজন সদস্যইও সুবিধা পোৱা নাছিল। সেইটো নিদিয়াৰ ফলতেই তেওঁলোকৰ মনোকষ্ট আৰম্ভ হৈছিল আৰু তাৰ লগে লগে সেই কথাতে গমনা লৈ নানা কথা আহি পৰিল আৰু তাৰ পিচত নগা ভূমি আৰু অসমৰ মাজত

বিচ্ছেদৰ কথা প্ৰকেট হৈ পৰিল। ১৯৬৩ চনত নগা পাহাৰ জিলাক ৰাজ্য হিচাবে স্বীকৃতি দিয়া হল আৰু ১৬০ মাইল জোৰা শিৱসাগৰ আৰু নগাপাহাৰৰ সীমা, উত্তৰ কাচাৰ আৰু নগা পাহাৰৰ যি সীমা, কাৰবি আংলং আৰু নগা পাহাৰৰ যি সীমা সেই সকলো খিনি সীমা সুস্থিৰ কৰা নহল।

উপাধ্যক্ষ মহোদয়, আমাৰ নগা পাহাৰৰ সীমান্তত যি কেইটা ৰিজাৰ্ভ ফৰেষ্ট আছে সেই কেওটা ৰিজাৰ্ভেই চহকী ৰিজাৰ্ভ। কিন্তু সেইখিনি সময়ৰ পৰা ধ্বংস কাৰ্য্য আৰম্ভ হল আৰু কিয় এনেকুৱা হবলাগীয়া হল সেইটো সদনক জনাবলৈ ইয়ালৈ কথটো আনিছো। এইটো চাব লাগিব যে ৰাজনৈতিক দিশত যে পৰাস্ত হৈছিল সেইটো নহয় কিন্তু অৰ্থনৈতিক দিশৰ ভুল নীতি গ্ৰহণ কৰিছিল আৰু সেইটোৰ কাৰণেই এই দশা হৈছে। ১৯৫৮-৫৯ চনত সেই সময়ৰ কেবিনেটে এটা সিদ্ধান্ত লৈছিল যে অসমৰ বনজ সম্পদ যি বিলাক আছে সেই বিলাকৰ ওপৰত ভিত্তি কৰি অসমত প্লাইউড ফেক্টৰি খোলা হওক। কিয়নো প্লাইউড ফেক্টৰি খোলা হলে অসমক উদ্যোগীকৰণৰ ক্ষেত্ৰত আগুৱাই নিব পৰা হব আৰু দ্বিতীয়তে ইয়াৰ দ্বাৰা নিবনুৱা সমস্যাৰ যথেষ্ট সংখ্যক সমাধান হব আৰু তৃতীয়তে এই প্লাইউড ফেক্টৰি বিলাকত অসমৰ থলুৱা লোকক নিযুক্তি দিব পৰা হব। কিন্তু উপাধ্যক্ষ মহোদয়, ১৯৫৮ চনৰ পৰা ১৯৬৮ চনলৈকে অসমত ৩৯ টা প্লাইউড ফেক্টৰি খোলা হল অথচ এই ৩৯ টা প্লাইউড ফেক্টৰিৰ ভিতৰত এটাৰো মালিক অসমীয়া নাই। আটাই বিলাক প্লাইউড ফেক্টৰিৰ মালিক আন-অসমীয়া লোক। এই আটাইবিলাক প্লাইউড ফেক্টৰিৰে মালিক বিৰলা গোষ্ঠীৰ লোক যি সকলৰ ভাৰতীয় ৰাজনীতত হাত আছে, যি সকলৰ ভাৰতীয়

ৰাজনীতত মাত আছে। অকল তেওঁৰে চাৰিটা প্লাইউড ফেক্টৰি আছে। সেই ধৰণৰ অন্যান্য পুঁজি পতি সকলে ডিব্ৰুগড়ৰ পৰা মাকুম পৰ্য্যন্ত, ডিফুকে আৰম্ভ কৰি আটাইবিলাক ঠাইতে প্লাইউড ফেক্টৰি স্থাপন কৰিছে। এই ফেক্টৰি বিলাকত ডিফু নামবৰ, ৰেংমা, দৈয়াং, কাকদোঙা, তুলি আদি ৰিজাৰ্ভৰ পৰা কাঠ কাটিবলৈ ধৰিছে। ঠিকাদাৰৰ লগত লগ লাগি অবাধ গতিত বহি লৈ কাঠ আনিবলৈ ধৰিছে। ফলত ৰিজাৰ্ভ বিলাক উদং হৈ পৰিছে আৰু সেই উদং ঠাইত মানুহ দলে দলে বহি গৈছে। সেই মাটি এনে ধৰণৰ যে তাত হাল নোবোৱাকৈয়ে যদি গুটি সিঁচি দিয়া হয় তেতিয়াহলে ভাল খেতি হয়। মাটি ইমান উৰ্ব্বৰ যে অন্য ঠাইত হাল বাই কৰা খেতিতকৈও তাত বেছি খেতি এনেয়ে গুটি সিঁচি দিলেও হয়। যি বিলাক ঠাইত কুঁহিয়াৰ ৰুলে পচিশ বছৰ পৰ্য্যন্ত সমানে কুহিয়াৰ গজালি মেলি আছে। সমানে কুহিয়াৰ দি আছে। সাধাৰণতে আন ঠাইত কুহিয়াৰ খেতি কৰিলে প্ৰতি বছৰত এবাৰকৈ ৰুব লাগে বা ভাল মাটিহলে দুই তিনি বছৰৰ মূৰুকত ৰুলেও হয়। কিন্তু তাত নগা সীমান্ত এলেকাত যি মাটি তাত পচিশ বছৰ আগতে ৰুৱা কুহিয়াৰ পচিশ বছৰৰ পিচতো চাহ খেতিৰ নিচিনাকৈ কুহিয়াৰ দি আছে। যোৱা কালছোৱাত বহুত ধ্বংস কাৰ্য্য হৈছে। ফৰেষ্ট বিভাগৰ ফালৰ পৰা এই প্লাইউড ফেক্টৰিৰ কাৰণে বিশ লাখ চি-এফ-টি দিয়া হয়। কিন্তু অসমত থকা এই প্লাইউড ফেক্টৰি বিলাকত মুঠ হজম কৰা হয় এক কোটি বিশ লাখ চি-এফ-টি। অৰ্থাৎ এই এক কোটি চি-এফ-টি ঠিকাদাৰ সকল বা ফৰেষ্ট বিভাগৰ লোকৰ সাহায্যত আহে। নহলে এই এক কোটি ওপৰিঞ্চ চি-এফ-টি ক'ৰ পৰা আহিব। ডিফু প্লাইউড ফেক্টৰি ১৯৬৯ চনত স্থাপন কৰা হৈছিল সেই সময়ৰ পৰা কাৰবি

আংলং জিলাৰ কাঠ নোহোৱা হৈছে। জংগল বিলাকত কাঠ নোহো-হৈছে আৰু উদং হৈ পৰা ঠাইত নেপালী আদি লোক বহি গৈছে। ৰাজধানী ইয়াত পতাৰ পিচত এই বেলতলা মৌজাৰ বহুতো বড়ো কচাৰী, ৰাভা কচাৰী মানুহ আগতে যিহেতু এইটো ট্ৰাইবেল বেল্ট আছিল, এতিয়া ৰাজধানী হোৱাৰ পিচত আধুনিক সভ্যতা আৰু সামাজিক পৰিবেশৰ পৰিস্থিতি তথা অৰ্থনৈতিক হেঁচাত পৰি সেই আগৰ লোক সকলৰ বহুতেই সেইবিলাক ঠাইলৈ উঠি গৈছে। ইয়াৰ বেছি ভাগ লোকেই তালৈ উঠি গৈ তাত বসবাস কৰিবলৈ লৈছে। উত্তৰ লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাৰ সীমান্তত সেই উদং হোৱা ঠাইত বহুত তেনেকুৱা মানুহ সোমাইছে।

আজি নতুন সভ্যতা গঢ়ি অহাৰ লগে লগে সেই ট্ৰাই-বেল মানুহ বিলাক সেই সভ্যতাৰ হেঁচাত পৰি এই অঞ্চলবিলাকত সোমাই পৰিছেহি। তাৰ বাহিৰেও ১৯৬৩ চনতে এই নগা পাহাৰ নতুন ৰাজ্য হিচাবে গঠিত হ'ল আৰু সেই খিনি সময়তে নগা পাহাৰ আৰু শিৱসাগৰ জিলাত অসমৰ যি সীমা আছিল আৰু তেতিয়াই যি সীমা চিহ্নিত কৰা হৈছিল তাতেই চিৰাচৰিত ভাবে সীমা তাতেই চলি আছিল কিন্তু তাৰ পৰা অনৰ্গল কাঠ কাটি নিয়াৰ ফলত নগা পাহাৰে সীমামূৰীয়া বহুতো অঞ্চল ক্লেইম কৰিবলৈ সুবিধা পালে আৰু নাগাপাৰেলৈ ডিমাপুৰ এৰি দিয়া হ'ল, কিন্তু এই ডিমাপুৰ আমাৰ শিৱসাগৰ জিলাৰ গোলাঘাট মহকুমাৰ অন্তৰ্গত আছিল। কিন্তু আমাৰ এনে কিছুমান ককাল ভাঙা নীতি আছিল যে আমি লোককহে সন্তুষ্ট কৰিলো। নগাপাহাৰক কিয় ডিমাপুৰ দিয়া হ'ল? নগাপাহাৰত নগা মানুহ মাত্ৰ শতকৰা ২ ভাগ আৰু বাকী খিনি বেচি ভাগ কছাৰী মানুহ। এই ডিমা-

পুৰ এৰি দিয়াৰ পিছত এই অঞ্চলতে সীমা চিহ্নিত কৰা হ'ল। তেওঁলোকে বাৰ বাৰ কেন্দ্ৰীয় চৰকাৰৰ লগত আৰু অসম চৰকাৰৰ লগত আলোচনা বিলোচনা কৰিলে কিন্তু সীমা নিৰ্দ্ধাৰণ নকৰিলে। ১৯৭২ চনত আমাৰ সেই সময়ৰ চিফ চেক্ৰেটাৰী আৰু মুখ্য মন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ নেতৃত্বত আৰু নগালেণ্ডৰ চিফ চেক্ৰেটাৰীৰ মাজত আলোচনা হৈছিল আৰু সেই মতেই চুক্তি স্বাক্ষ্যৰিত হৈছিল, সেই সময়ত আমাৰ ডিচপিউট আছিল মাত্ৰ ৪ টা ফৰেষ্টত, সেই কেইটা আছিল নয়াং, কাকডোঙ্গা, দিচৌ আৰু তুলি কিন্তু তাৰ বাহিৰে এই যে বৰ্ত্তমানৰ ৰেংমা আৰু আন আন ফৰেষ্ট বিলাকত তেনে ধৰণৰ ডিচপিউট নাছিল। ১৯৭২ চনত মই সেই সময়ত মাননীয় সদস্য ৰাজবংশী ডাঙৰীয়াৰ লগত তালৈ গৈছিলো তেতিয়া প্ৰায় ৩২ খন গাওঁত নগা পাহাত মানুহ বাস কৰিছিল য'ত বিৰলাই জঙ্গল কাটি শেষ কৰিলে। ১৯৭৭-৭৮ চনত যেতিয়া নগালেণ্ডত নিৰ্ব্বাচন হৈছিল তেতিয়া ৰেংমা, নামবৰ দিকু ইত্যাদিৰ পৰা কংগ্ৰেছ আই আৰু ইউ, দি, এফৰ কেনদিদেট থিয় হৈছিল কিন্তু সেইবিলকে দেখি শুনিও তেতিয়াৰ চৰকাৰে কিয় আওকান কৰিছিল আৰু সেই খিনি সময়ত তেতিয়া আমাৰ ইয়াত গোলাপ বৰবৰা আছিল নে শৰৎ সিংহ? প্ৰথম অৱস্থাৰ সেই বিলাক ঠাইত কোনো ধৰণৰ বিবাদ নাছিল কিন্তু পিছত তেওঁলোকে ৯৪ খন গাওঁৰ ওপৰত আক্ৰমণ চলালে। সেই খিনি সময়ত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত হাত পাতিছিল নে নাই? বৰ্ত্তমান নগা চৰকাৰৰো ইয়াত হাত নাই, ইয়াত এটা বেলেগ শক্তি নিহীত হৈ আছে, সেইটো আমি জানো, পাবলিক ইণ্টাৰেষ্টত সেইটো ঘোষনা কৰিব খোজা নাই। যি শক্তিয়ে আক্ৰমণ কৰিছিল সেই শক্তিৰ লগত বহুতৰে হাত আছে। সেই খিনি সময়তে

আমাৰ ১০০ খন মান গাওঁৰ ওপৰত আক্ৰমন চলিল, আমাৰ হাতৰ পৰা গুচি গ'ল অথচ ষ'ত আগতে তেনে কোনো ধৰণৰ বিবাদ নাছিল। সেই অঞ্চলৰ ওচৰত থকা যিবিলাক জঙ্গল আছিল সেইবিলাক কাটিবলৈ কোনে অনুমতি দিছিল। তাত প্ৰতিস্থা কৰা ফেক্টৰী বিলাকে কেনেকৈ অৰ্থ-নৈতিক শোষন কৰিছে তাৰ এটা উদাহৰণ মই দিব বিচাৰিছোঁ।।

এটা ফেক্টৰীয়ে কেনেকৈ অৰ্থনৈতিক ক্ষেত্ৰত শোষণ কৰি আছে তাৰে এটা উদাহৰণ মই দিব খুজিছো। মই অকল ডিফুৰ প্লাইউড ফেক্টৰীৰ কথা কব খুজিছো। ইয়াৰ ১৪ টা চেলচ্ টেক্স ডিপু আছে। এওঁলোকে অকল কাঠৰ টিচেষ্টয়েই উৎপন্ন নকৰে। একো বস্তুৰেই তেওঁলোকে ইয়াত বিক্ৰী নকৰে। সমস্ত বস্তু তেওঁলোকে ট্ৰেন্সফাৰ কৰি কলিকতা, নতুন দিল্লী, বাঙ্গালোৰ, আহমদাবাদ আদিত যিবিলাক বিক্ৰী কেন্দ্ৰ আছে সেইবিলাকত বিক্ৰী কৰে। বিক্ৰী কৰ তেওঁলোকে নাপায়। যোৱা বছৰ তেওঁলোকে আঢ়ৈ কোটি টকা লাভ কৰিছে। ডিফুৰ প্লাইউড ফেক্টৰীয়ে ৪৫ লাখ টকা বিক্ৰী কৰ পাইছে, কিন্তু বাহিৰত কিমান পাইছে সেইটো নাই। আঢ়ৈ কোটিতকৈয়ো বেছি টকা তেওঁলোকে এটা ফেক্টৰীৰ পৰাই লাভ কৰিছে। ইমানখিনি জঙ্গল তেওঁলোকে লুট কৰিছে, তাত আমাৰ মানুহ মাৰিছে, নগাই গাওঁ পাতিছে, অৰণ্যে কিছু ভূমিহীন দুখীয়া মানুহো তালৈ গৈছে। পৰিকল্পিত ভাবে তাত নগাৰ যিবিলাক গাওঁ বহিছিল সেইবিলাক উচ্ছেদ কৰাৰ কাৰণে কি ব্যৱস্থা কৰিছিল ? তাত তেওঁলোকে কুহিয়াৰৰ ফাৰ্ম কৰিলে। ডিমাপুৰত কুঁহিয়াৰৰ ফাৰ্ম খুলিলে। এই সমস্ত কুঁহিয়াৰ নগালেণ্ডলৈ গ'ল। মাত্ৰ দক্ষিণ প্যাৰৰ ধনশিৰী

অঞ্চলৰ কুঁহিয়াৰ থিনিহে বৰুৱাবামুন গাওঁৰ চেনি কললৈ আহিল। বৰুৱা বামুনগাওঁত মাত্র ১৬ লাখ মেট্রিক টন ভাল কুঁহিয়াৰ এক নং, দুই নং চেণ্টাৰৰ পৰা পায়। আমি চকু থাকিও তেওঁলোকক অবাধ গতিত বেদখল কৰিবলৈ দিলো, তেওঁলোকে মিনিষ্টাৰৰ গাওঁ পাটিছে, গভৰ্ণৰৰ গাওঁ পাতিছে, চেয়াৰম্যান বস্তি পাতিছে, এম, এল, এ, গাওঁ পাতিছে। অতি আচৰিত কথা যে পূৰ্বৰ কেবিনেট মন্ত্রী দুজনৰ নামতো গাওঁ হৈছে। তেওঁলোকৰ এজন মন্ত্রীৰ ৭০ পুৰা মাটিত খেতি হয়। এইদৰেই ব্যাপক হাৰত পৰিকল্পিত ভাবে নগা পাহাৰত বেদখল কৰিবলৈ দিয়া হৈছে। চকু থাকিও আমি একো নেদেখিলো, কাণ থাকিও আমি একো নুশুনিলো। এইটো সমস্যা বছৰৰ পিচত বছৰ ধৰি আমি কৈ আছিলো যে সুন্দৰম কমিটিৰ ৰিপৰ্ট আছে। আপোনালোকে কাগজত পাইছে যে সুন্দৰম কমিচন নামৰ কোনো কমিচনেই পতা নাছিল। এই বিধান সভাত সুন্দৰম কমিচনৰ ৰিপৰ্ট বাহিৰ নহলে নগা সমস্যা নিষ্পত্তি নহয় বুলি কৈছিল। কিন্তু সুন্দৰম কমিচন নামৰ কোনো কমিচনেই পতা নাছিল। সমস্যাৰ পিচত সমস্যা পাৰ হৈ গ'ল। সমস্যা কোনো দিনেই নকমিল বৰঞ্চ বাঢ়িলহে। আমাৰ সীমান্তত যি শোষণ চলি আছে সেই শোষণ কোনে চলাছে। সেই শোষণত বিগ হাউচ আছে। তাত বিৰলাৰ হাত আছে। এই গণ্ডোগলত তেওঁলোকৰ শক্তি আছে। তেওঁলোকে এই শক্তি প্রয়োগ কৰাৰ মূলতে হৈছে তেওঁলোকে কোনো দিন এটা সুস্থিৰ অৱস্থা নিবিচাৰে, অস্থিৰ অৱস্থা এটাই চলি থকাটো বিচাৰে। যাতে তেওঁলোকে শোষণ চলাই থাকিব পাৰে। আমাৰ ৰাজ্য বিলাকৰ মাজত হেতা ওপৰা লগাই থাকিব বিচাৰে যাতে তেওঁলোকে এই বিলাকত ব্যস্ত থাকোতেই এওঁলোকলৈ মন

কৰিব নোৱাৰে। আৰু সেইদৰে তেওঁলোকে লাভ কৰি থাকিব পাৰে। চৰকাৰৰ দৃষ্টিলৈ অহাটো তেওঁলোকে নিবিচাৰে। দৈয়াঙত চেটেলমেণ্ট দিয়াৰ এটা উদ্দেশ্য আছে। দৈয়াঙত চেটেলমেণ্ট দিয়াৰ কাৰণেই এই অৱস্থাৰ সৃষ্টি হৈছে বুলি কাগজে-পত্ৰে বিবৃতি দিছে। দৈয়াং আমাৰ মাটি, তাত ১৩ হাজাৰ মানুহক মাটি দিয়া হৈছে। সেই দৈয়াং অঞ্চলত যেতিয় উচ্ছেদ হৈছিল, মাননীয় সদস্য সকলে জানে যে ১৯৫২-৫৫ চনৰ পৰাই তাত আমাৰ মানুহ বহি আছিল। সেই সময়ত শৰৎ সিংহ চৰকাৰে আঢ়ৈশ হোমগাৰ্ড, ১২টা দতাঁল হাতী, আঢ়ৈশ ভি, ডি, পি, আঢ়ৈশ চি, আৰ, পি, লৈ আমাৰ মানুহক মাৰি ঘৰ দুৱাৰ ভাঙি উচ্ছেদ কৰিছিল। তেতিয়াই নীলিমা বৰাৰ মৃত্যু হৈছিল। এই বিলাক কিয় কৰা হৈছিল? এইবিলাক কৰা হৈছিল কেৱল নগাক সুবিধা দিয়ৰ কাৰণেই। আমি যদি এইদৰে আমাৰ মানুহক মাটি দি মাটি নাৰাখিলোহেতেন তেতিয়াহলে সেই মাটি আমি নাপালোহেতেন। সেই সময়ত শ্ৰীতুলাল বৰুৱা, শ্ৰীসোনেশ্বৰ বৰা, আৰু মই তালৈ গৈছিলো। বিধান সভাৰ বাহিৰে ভিতৰে আমি বলিষ্ঠ পদক্ষেপ লোৱাৰ কাৰণে আমাৰ মাটি আমি পালো। কিন্তু আমাৰ চৰকাৰে হোমগাৰ্ড, পুলিচ লৈ মানুহ মৰা নাই। নগাই মানুহ মৰাৰ কাৰণে বৰবৰা চৰকাৰক নিন্দা কৰিছে। কিন্তু সেই সময়ত আপোনালোকে কি কৰিছিল? আজি সংশোধণী আনিছে, নগাই মানুহ মাৰিছে বুলি.........................

শ্ৰীশৰৎ চন্দ্ৰ সিংহঃ— শাকেৰে মাছ ঢাকিব নোৱাৰি....................

(সদনত বিৰাট হুলস্থুল)

Mr. Deputy Speaker :— Order, order. While the Hon'ble Member is Speaking, I donot like to see that

the other Members should interrupt and moreover when the time will come, definitely they will be allowed to speak. But we must maintain the decency and decorum of the House.

শ্ৰীনগেন বৰুৱা :— উপাধক্ষ্য মহোদয়, মই বেয়া কথা কোৱা নাই, মোৰ পুতৌ জন্মিছে বিৰোধী পক্ষৰ নেতা শ্ৰীশৰৎ সিংহ ডাঙৰীয়ালৈ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— মোক পুতৌ কৰাৰ দৰকাৰ নাই।

শ্ৰীনগেন বৰুৱা :— মুখ্যমন্ত্ৰী হিচাবে তেখেতৰ যি দায়িত্ব আছিল সেই দায়িত্ব তেখেত পালন কৰা নাছিল। তাৰ কাৰণে অসমৰ ৰাইজৰ লটিঘটি হ'ল। আপুনি মুখ্যমন্ত্ৰী হৈ থাকোতে আপোনাৰ মুখ্য সচিবে.................

**Mr. Deputy Speaker** :— When the hon. member is speaking I donot want to see that there is a direct speech against somebody. So, let the hon. member speak in such a way that there is no direct speech against anybody.

* শ্ৰীনগেন বৰুৱা :— মই মানি লৈছো। উপাধ্যক্ষ মহোদয়,

* Speech not corrected

আমি যদি দায়িত্বত থাকি সেই দায়িত্ব পালন নকৰো তেনেহ্লে ৰাইজৰ কোনো সমস্যাই সমাধান নহব। গতিকে ৰাইজৰ যাতে উপকাৰ হয় সেই কথা চিন্তা কৰি আমি কৰ্ত্তব্য পালন কৰিব লাগিব। আগতে আমাৰ নগালেণ্ড সীমান্তত যিবিলাক চকী আছিল সেই বিলাকো উঠাই আনিলে। নগালেণ্ড সীমান্তৰ দায়ীত্ব আমাৰ চৰকাৰেই লব লাগিব। চৰকাৰে যেতিয়া কোনো এটা সীদ্ধান্ত লয় সেই সীদ্ধান্ত তৎপৰতাৰে সৈতে কৰিবলৈ চাব লাগিব। এই সীমান্ত সম্পৰ্কত আগতেও আমাৰ আৰু নগালেণ্ডৰ চিফচেক্রেটাৰীৰ লগত আলোচনা হৈছিল। তাৰ পিচতো আকৌ এবাৰ আলোচনা কৰিবলৈ সীদ্ধান্ত হোৱাৰ পিচত আমাৰ ফালৰ পৰা গৈছিল, তেওঁলোকৰ ফালৰ পৰা কোনো নাহিল। তাৰ পিচত কিছুদিনলৈ শান্তি শৃংখলা অটুত আছিল। ইয়াৰোপৰি সীমান্ত অঞ্চলত থকা এৰিয়া বিলাক আন দিচপিউটেড এৰিয়াৰ। ইয়াৰোপৰি ৰেংমা নামবৰ, দিফু, উৰিয়ামঘাট আদিত যি ফৰেষ্ট আছে সেই ফৰেষ্ট বিলাকক আমাৰ প্ৰশাসনে পোৱা নাই। কাৰণ ৰিজাৰ্ভ ফৰেষ্টত প্ৰশাসন নেথাকে। তাত ফৰেষ্ট বিভাগৰ প্ৰশাসনহে থাকে। সেই ফৰেষ্টত যেতিয়া বে-দখল হয় বা মাটি মুকলি কৰাৰ পিচত যদি বে-দখল হয় তেতিয়াই সীমান্তত দুৰ্ঘটনা ঘটে। এই দুৰ্ঘটনা হোৱা যি বিলাক গাওঁ তাতে এছেম্বলিৰ দুটা সমষ্টি আছে; বে-দখল কাৰ্য্যফলতেই নগালেণ্ড সীমন্তত হত্যা কাণ্ড ঘটিবলৈ পালে। তেওঁলোকে হোমকি দিয়া ভয় দেখুৱাই পিচত হত্যাৰ পৰিকল্পনা কৰিছিল। এই হত্যাকাণ্ডৰ ইংগিত আমাৰ চৰকাৰে পোৱা নাছিল নেকি? 4 তাৰিখে ৰাতিৰ ঘটনাৱলীৰ সন্দৰ্ভত কোৱা হৈছে যে কেইবা ঠাইতো একে ৰাতিৰ ভিতৰতে ঘৰ জলাই মানুহ মাৰি নৃশংস সিংহ হত্যাকাণ্ড চলোৱা হৈছিল। অথচ ইয়াৰ কোনো প্ৰতিৰোধ নহল।

সৰুপথাৰ, চুঙাজান, উৰিয়ামঘাট আদিত থকা পুলিচ আৰু অফিছাৰ সকলে এই হত্যাকাণ্ড ৰোধ কৰিবৰ কাৰণে আলোনা চেষ্টা কৰা নাছিল। তেওঁলোকে এই হত্যাকাণ্ডৰ কিয় প্ৰতিবাদ নকৰিলে? তাৰ কাৰণে উপযুক্ত ব্যৱস্থা চৰকাৰে হাতত লৈছে। ইয়াৰ সবিশেষ মুখ্য মন্ত্ৰীয়ে গৃহদপ্তৰৰ দায়িত্বৰ উত্তৰত কব। কিন্তু এটা কথা আমি স্বীকাৰ কৰিব লাগিব যে অসমৰ বহুত ৰাইফলচ্ আছে, চকী আছে কিন্তু তাৰ তত্ত্বাৱধান লৈ আজি ভালধৰণে কৰ্ত্তব্য পালন হোৱা নাই। যিবিলাকে কৰ্ম্মৰতা অৱস্থাৰ কৰ্ত্তব্য পালন নকৰিলে সি, যিমানেই ডাঙৰ হওক বা নহওক তাৰ বিহিত তদন্ত কৰি এনেকুৱা শাস্তি বিধান কৰিব লাগে যাতে ভৱিষ্যতে এনেকুৱা কাম নকৰে। গতিকে অতি সোনকালে চৰকাৰৰ যিটো চিৰাচৰিত নীতি সেইটো নতুন পদ্ধতিত লৈ ব্যৱস্থা কৰিব বুলি চৰকাৰক অনুৰোধ কৰিলো।

( গণ্ডগোল )

উপাধ্যক্ষ মহোদয়, নগাল্যেণ্ড সীমান্তৰ সমস্যা সম্পৰ্কে ৰাজ্যপালৰ ভাষণত কোৱা হৈছে। এইটো আমাৰ শান্তি শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত ডাঙৰ কথা হৈছে। আজি শান্তি শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত অসমত যিটো অৱস্থা হৈছে তাৰ ফলত যিকোনো সময়তে সম্প্ৰাদায়িক সংঘৰ্ষ বা কেতিয়াবা অন্য কাৰণতো কিছুমান সংঘৰ্ষৰ উদ্ভৱ হৈ এটা অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিব পাৰে। কাৰণ আজি তেওঁলোকে ৰাজনৈতিক আৰু ব্যক্তিগত স্বাৰ্থ পূৰণৰ কাৰণে চেষ্টা কৰিছে। আজি দেখিবলৈ পাইছো ছাত্ৰ সন্থাই আন্দোলন কৰিছে কিন্তু তেওঁলোকে অদ্ভুত ৮০-৯০ টা দাবি লৈ আহিছে। আৰু কিছুমান আহিব পুলিছে বেয়া ব্যৱহাৰ কৰা বুলি। আৰু হয়তো

কিছুমানে অসম, অসমীয়া এনে ধৰণৰ কিছুমান দাবি লৈ আহিব। আৰু গুৱাহাটী আমাৰ ৰাজধানীৰ ভিতৰতে যিটো ৩৭ নম্বৰ ওৰ্ৰ্বাদ হৈছে তাতেই ১৯৫০ চনৰ আগতে অহা বিলাক বা ১৯৬০ চনৰ আগতে অহা বিলাক অসমীয়া আৰু পিচত অহা বিলাক অসমীয়া নহয় বুলি উগ্ৰ জাতীয়তাবাদী নামত ৰাজনীতি কৰাৰ প্ৰচেষ্টা চলি আছে। আৰু অন্যান্য কিছুমান সৰ্ব্বভাৰতীয় নাম লৈ কিছুমান ৰাজনীতি কৰা আমি দেখিছো। আমি জাতীয়তাবাদী তথা অসমীয়া জাতীয়তাবাদী কাৰণে ৰক্ষা কৰা চেষ্টা কৰিছো বুলি কোৱা নাই। যিদিনা ল' এণ্ড অৰদাৰ চিটুৱেচন হব আনকি যোৱা দুৰ্গা পূজাৰ সময়ত অ'ন এটা ঘটনাও হৈছিল, যেতিয়া চৰকাৰৰ নেতৃত্বকো ভস্মীভুত কৰিছিল। সেই সময়তো আমি অসমত শান্তি বিতৰণৰ সৃষ্টি কৰা হল। আমাৰ চৰকাৰৰ দৃঢ়তা যথেষ্ট আছে। চৰকাৰৰ দৃঢ়তাৰ অভাৱ হোৱা হলে অসমত ১৯৭৩ চনৰ ডেৰমাহ আৰু ৭২-৭৩ চনৰ ল' এন্দ অৰ্ডাৰৰ কথা আৰু আইন শৃংখলা অৱস্থাৰ কথা সকলোৱে জানে। এম, এল, এ সকলক ঘৰতে গৈ পদত্যাগ কৰোৱা হৈছিল আনকি মন্ত্ৰী সকলকো পদত্যাগ কৰোৱাইছিল। এই ঘটনাৰ কথা আমি সকলোৱে জানো।

সেইটো আমাৰ চৰকাৰে জানে। কৰ'বাত দুইএজন পুলিচ বেয়া থাকিব পাৰে সব যে ভাল সেইটো কোৱা নাই। সেই সময়ত পুলিচ বাহিনীয়ে যি নেতৃত্ব দিছিল যাৰ কাৰণে অসমত আইন শৃংখলা ৰক্ষা কৰিব পাৰিছে তাৰ কাৰণে অবশ্যে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ আছিল। অসমত শান্তি শৃংখলা ৰক্ষা কৰাৰ কাৰণে প্ৰশাসনীয় স্থিৰতা ৰক্ষা কৰা হৈছে। এই শান্তি শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত যোৱা ১২ মাহে আমাৰ চৰকাৰ তথা

পুলিচ বাহিনীয়ে যি প্ৰশাসনীয় নেতৃত্ব দিব পাৰিছে সেইটো লুকাই ৰখা কথা নহয়। এই ক্ষেত্ৰত আমাৰ পুলিচ বাহিনীয়ে প্ৰশাসনীয় দৃঢ়তাৰ কাৰণে যোৱা ৫ চেপ্তেম্বৰ তাৰিখত গুৱাহাটী ষ্টেডিয়ামত কি কৰিছিল সেইটো সকলোৱে জানে। তাত কোন কোন জৰিত আছিল কোনে, কৰাইছিল, তাৰ পিছত কোন তাৰিখত কোন দলে কি কৰিছিল আপোনালোকে জানে। এই বাতাবৰণতে বেলেগ ৰং দিয়াৰ কাৰণে একশ্ৰেণীৰ মানুহ আছে। তেওঁলোকক চিনা দৰ্কাৰ। অসম অসমীয়াৰ, ঠিক অসমৰ এক ইঞ্চি মাটিও কাকো এৰি নিদিও আৰু অসমৰ স্বাৰ্থ সদায়ে ৰক্ষা কৰিম কিন্তু আমাৰ মাজত বিভেদ আনিবলৈ এক-শ্ৰেনীয়ে সদায় যত্ন কৰি থাকে। এই ক্ষেত্ৰত মই যোৱা বিধান সভাতে এটা কথা কৈছিলো আৰু আজিও মুকলিভাবে কম। এই কথা আমি আলোচনা নকৰিলে ভুল হব। কিন্তু এই কথা অকল গোলাপ বৰবৰাই কৰিব আৰু আমি সমৰ্থন কৰিম আৰু বিৰোধীতা কৰিব লাগে বুলিয়ে কিছুৱে বিৰোধীতা কৰিব, সেইটো নহয়। এই সদনৰ এটা পবিত্ৰ দায়িত্ব আছে। আমি সকলোৱে চৰকাৰক দিহা পৰামৰ্শ দিব লাগিব সেই পৰামৰ্শ যদি চৰকাৰে মানে অসম বাচিব নহলে নাবাচে। ভাৰতৰ বিভিন্ন ৰাজ্যত আনকি আমাৰ ৰাজ্যপালেও তেখেতৰ ভাষণত বহিৰাগতৰ কথা উল্লেখ কৰিছে। এই সম্পৰ্কে ভালকৈ তৰ্ক বিতৰ্ক কৰা দৰ্কাৰ। কিয়নো আমি এটা কথা দেখিছো যে জনসংখ্যাৰ বৃদ্ধিয়ে ভাৰতবৰ্ষৰ ডাঙৰ সমস্যা। এই বৰ্দ্ধিত জনসাধাৰণে এটা নতুন সমস্যাৰ সৃষ্টি ভাৰতবৰ্ষত নকৰা নহয়। কিন্তু অসমৰ ক্ষেত্ৰত অকল জন্ম হাৰেই জনসংখ্যাৰ সমস্যা নহয়। অসমত বহিৰাগতৰ সংখ্যা যি হাৰত বাঢ়িছে সেইটো আপোনালোকৰ অবিদিত নহয়। আমাৰ ইয়ালৈ বা ভাৰতবৰ্ষলৈ বিদেশী লোক আহি আছে।

অসমৰ ক্ষেত্ৰত সেইটো বেছি। অসমত জন্মৰ হাৰ দেখিলে আপোনালোক আচৰিত হব। গোৱালপাৰা জিলাত ১৯৬১ চনত ১৫ লাখ ২৩ হাজাৰ ৮৯২ জন আছিল আৰু ১০ বছৰ পিচত অৰ্থাৎ ৭১ চনৰ লোকপিয়লত ২১ লাখ ২৫ হাজাৰ ১০৩ জন হয়। প্ৰায় ৮ লাখ মানুহ বাঢ়িছে। কামৰূপ জিলাত ৬১ চনত ২০ লাখ ৬৬১ জন আছিল ১০ বছৰ পিচত ২৮ লাখ ৫৪ হাজাৰ ১৮৩ জন হলগৈ অৰ্থাৎ চাৰে ন লাখ বাঢ়িছে। দৰং জিলাত ১২ লাখ ৯৯ হাজাৰ ৬৭০ জন আছিল ১০ বছৰ পিচত ১৭ লাখ ৩৬ হাজাৰ ১৮৮ জন আছিল। অৰ্থাৎ ৫ লাখ বাঢ়িল। লক্ষীম-পুৰ জিলাত যেতিয়া ডিব্ৰুগড় জোনাই, ধেমাজী একে লগে আছিল, তিনচুকীয়া এখন মহানগৰীয়ে গুৱাহাটীৰ পিচতে তিন-চুকীয়া, তাত আছিল ১৫ লাখ ৬৭ হাজাৰ ৮৮৪ জন আৰু ১০ বছৰ পিচত ২১ লাখ ২২ হাজাৰ ৭৭৮ জন হয়গৈ প্ৰায ৯ লাখ বাঢ়িছে। তাৰ পিচত নগাওঁ জিলাত ১১ লাখ ১০ হাজাৰ ৭৭৮ জন আছিল ১০ বছৰ পিচত ১৬ লাখতো বেচি হয়গৈ অৰ্থাৎ ৬ লাখ বাঢ়িছে। কাছাৰত ১৩ লাখ ৮৮ হাজাৰ ২৬৩ জন আছিল আৰু ১০ বছৰ পিচত সিদিনাখন মই নিজে তালৈ গৈছিলো ১৭ লাখ ১৩ হাজাৰ ৩১৮ জন হৈছেগৈ, প্ৰায় ৮ লাখ বাঢ়িছে। শিৱসাগৰ চাহ বাগিছাত যত ৩০০ খন চাহ বাগিছা আছে, পিচ-পৰা সম্প্ৰদায়ৰ মানুহ আছে, মজদুৰ ভাই সকল আছে, তাত কি জন্মৰ হাৰ বঢ়া নাই। অন্ততঃ পৰিয়ালে প্ৰতি যিসকল দম্পতি আছে দুই তিনিজনকৈ পৰিয়ালত সংখ্যা বাঢ়িছে। তাত মাত্ৰ ১০ বছৰত ১ লাখ মানুহ বাঢ়িছে। কিন্তু এই জিলা বিলাকত আজিলৈকে কোনো উন্নয়ন মূলক আচনি লোৱা নাই উদ্যোগ গঢ়ি উঠা নাই যাৰ কাৰণে জনসংখ্যা বাঢ়িব পাৰে। আমাৰ জোনাই

অঞ্চল ইমান পিচপৰা ঠাই ধেমাজীৰ পৰা বেলেৰে, হাতীৰে গৈছে পায়, যৰ পৰা আমাৰ বান নিয়ন্ত্ৰণ মন্ত্ৰী আহিছে যত অৰুণাচলৰ সীমা, তাত কি কাৰনে জনসংখ্যা বাঢ়িছে। জন্মৰ হাৰ বাঢ়িছে সচা কথা। কিন্তু যিটো গতিত জনসংখ্যা বাঢ়িছে সেইটো গতিত জন্ম হাৰ বঢ়াতো অসম্ভৱ কথা। এই বৰ্দ্ধিত লোক সকল হৈছে বহিৰাগত। যি সকল লোকে বিভিন্ন সময়ত যুদ্ধৰ নামত অসমলৈ আহিল। তেওঁলোক আৰু ঘূৰি নগল। গতিকে মই ভাবো ১৯৭১ চনৰ পাছত যি সকল লোক অসমলৈ আহিছে ১৯৭১ চনত যি পিয়ল হব তেওঁলোকক অসমৰ বাসিন্দা হিচাপে ধৰিব নালাগে। অলপতে যেতিয়া কাছাৰলৈ গৈছিলো তাত দেখিলো আগতে ১৭ লাখ ১৩ হাজাৰ মানুহ আছিল কিন্তু আজিৰ তাৰিখত কিজানি ২৫-৩০ লাখ মানুহ হৈছেগৈ।

( ভইচ-কেতিয়াও হোৱা নাই। )

১৯৮১ চনৰ পিয়লত আপুনি চাব। কিমান বাঢ়ে। মই কলে হয়তো অপৰাধ হব বা প্ৰতিবাদ কৰিব. প্ৰশাসনে ইমান দিনে কি কৰিছিল ? প্ৰশাসনৰ দোষ নাই। বিধান সভাত পুলিচে অত্যাচাৰ কৰিছে বুলি হুলস্থুল হয়। আনহাতে আমি সদায়ে ৫ বছৰৰ কাৰণে নিৰ্ব্বাচিত হৈ আহোঁ, হয়তো ইয়াক বাধা দিবলৈ গলে ৫ বছৰৰ পিচত আগ্নেয়গিৰি ফুটা দিব। আজি পশ্চিমবঙ্গ চৰকাৰে কি কৰিছে ? দণ্ডকাৰণ্যৰ পৰা অহা মানুহকো ঘুৰাই পঠাবলৈ বাধ্য কৰিছে। অথচ সেইখন দেশ মাননীয় সদস্য বন্ধুবৰ শ্ৰীদাস আৰু হুদা চাহাবৰ মিত্ৰ গোষ্ঠী দলে চলাইছিল, তেখেত সকলৰ এটা আদৰ্শ আছে। তেখেত সকলে কিন্তু কম্প্ৰ-

মাইজ কৰা নাই। অৱশ্যে তাত মোৰ দলে আৰু কংগ্ৰেছ আই দলে যি পদক্ষেপ লৈছে তাক মই কেতিয়াও সমৰ্থন নকৰোঁ। কিন্তু অসম চৰকাৰে আজি কিয় কম্প্ৰমাইজ কৰিব লাগে। দৰ্কাৰ হলে চৰকাৰ ভাঙি যাওক। অসমৰ স্বাৰ্থ ৰক্ষা কৰিবই লাগিব। আমি দৃঢ় পদক্ষেপ লব লাগিব যাতে অসমৰ এক ইঞ্চি মাটিও বাহিৰালোকে নাপায়। তাৰ কাৰণে যি বিপ্লৱৰে দৰ্কাৰ হয় সেই বিপ্লৱকে কৰিম।

কিন্তু এইটো কাৰণে আমাৰ অসমত যিটো লোক সংখ্যা হৈছে সেই অনুপাতে খাপ খাব পৰাকৈ আজি আমাৰ দেশত সম্পদ নাই। আজি নেপালৰ পৰা আমাৰ ইয়ালৈ মনুহ আহিছে, কিন্তু তেওঁলোকৰ পাচপৰ্ট নাই। এই ক্ষেত্ৰত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত সম্মতি ৰাখিবলৈ গৈ যিটো বিশেষ কতৃত্ব আৰু ব্যৱস্থা দিছে তাকে মানি লব লগা হৈছে। এই ক্ষেত্ৰত মই বংলাদেশত যে অকল মুছলমান মানুহেই আছে এই কথা কবলৈ যোৱা নাই, তাত হিন্দুও আছে।

উপাধ্যক্ষ মহোদয়, যোৱা কালি মই ভোট কেনভাচিং কৰিবলৈ গৈ গম পালো যে অসম সচিবালয়ত কাম কৰা এজন বাংলাদেশলৈ গৈছে, বাংলাদেশৰ ইলেকশ্যন কেম্পেইনৰ কাৰণে। আমাৰ ভোটাৰ, কিন্তু তেখেত তাত ভোট প্ৰচাৰ কৰিবলৈ আৰু ভোট দিবলৈ গৈছে। গতিকে চাওক, আমাৰ সচিবালয়ত কাম কৰা এজন ভাল বিষয়া হৈ তেওঁ বাংলাদেশলৈ ভোটৰ বাবে গৈছে। এই জন মানুহক আইদেন্টিফাই কৰিব কোনে? ছোৱালী চোৰেই হওক বা, সীমা বিবাদৰ কথাই হওক, এই সকলোতেই

পুলিচ যাব। এই সকল পুলিচ বৃটিছৰ যুগতে যি ট্রেনিং দিয়াৰ নিয়ম আছিল সেই ট্রেনিং লোৱা মানুহ। আৰু ইয়াৰ ওপৰত বিচাৰ কৰিবলৈ গলে বিধান সভাত প্রশ্ন উঠিব ভাৰতীয় নাগ-ৰিকৰ এজন আৰু অসম চৰকাৰৰ সচিবালয়ত কাম কৰা এজন লোকক কিয় বিতাৰিত কৰা হৈছে? প্রমাণ আৰু আন নালাগে, এই জন অসম সচিবালয়ৰ এক বিশেষ পদত থকা কর্মচাৰী — ইয়েই তেওঁৰ প্রমাণ। চৰকাৰে বিচাৰ কৰক, এই মানুহজন গুলাব, মই নকও' কেইজনমান মাননীয় সদস্যই সংশোধনী দিছে যে ট্রিবিউনেল পাতিব লাগে। ১৯৬১ চনত বহুত ট্রিবিউনেল হৈ ছিল— সেই বিলাকে কি কাম কৰিলে? ইয়াৰ যিটো চিৰাচৰিত নীতি সেইটো ইয়াত নচলিব প্রত্যেক গাৱঁতে পিপুল কমিটী পাতি প্রশাসনীয় মানুহ, বিধায়ক আৰু থলুৱা মানুহ লব লাগিব। মোৰ বোধেৰে এনে এটা কথা ভাবি পাইছো। আপোনালোকে যদি ইয়াতকৈ ভাল চিন্তা কৰি কিবা ব্যৱস্থা কৰিব পাৰে তেন্তে পৰামর্শ আগবঢ়াওক। পুলিচৰ হাতত আমি সকলো কথা এৰি দিব নোৱাৰোঁ বা আমাৰ প্রশাসনৰ ওপৰতো দিব নোৱাৰো। আমি সাধাৰণতে পুলিচকেই গালি পাৰো, কিন্তু আন আন বিভা-গতো, ৰেভিনিউ আদিৰ নিচিনা বিভাগতো যে এনে মানুহ আছে যি সোনকালে প্রমোচন লব পাৰে সেইটো ও আমি স্বীকাৰ নকৰি নোৱাৰো। ওৱান্স ফৰ অল, চূড়ান্ত সিদ্ধান্ত লৈ ইয়াক নির্মূল কৰিব লাগিব। নহলে গ্রাম্য বিকাশ আৰু অন্যান্য সম-স্যাৰ সমাধান নহয়।

ইয়াৰ বাহিৰেও আমাৰ মাননীয় সদস্য গোলক ৰাজ-বংশী ডাঙৰীয়াই যিটো সংশোধনী আনিছে তাৰ ওপৰত মই

দুআষাৰমান কব খুজিছো। তেখেতে আমাৰ চৰকাৰৰ দুৰ্বলতা শোষণ আৰু অন্যান্য কেইটামান সংশোধনী আনিছে। তেখেতে আমাৰ কোনোবা মন্ত্ৰীৰ স্পেচিফিক চাৰ্জ আনিলে ভাল হয়। জেনেৰেল ভাবে সকলোকে চাৰ্জ কৰিলে কামত নাহে। স্পেচিফিক চাৰ্জ আনি তেখেতে যদি কিবা বিচাৰ বিচাৰে আমিও তাক সমৰ্থন কৰিম। জেনেৰেল চাইদত এনে অভিযোগ নানিবলৈ মই তেখেতক অনুৰোধ কৰিছো। আৰু বিভিন্ন যি খিনি কাৰ্য্যসূচী আছে সেইবোৰৰ বিভিন্ন বক্তব্যৰ ওপৰত আৰু দুটামান সমস্যাৰ ওপৰত মোৰ বক্তব্য ৰাখি আৰু চৰকাৰৰ যিটো উদ্দেশ্য যিমানদূৰ পাৰো মই মোৰ সহযোগীতা ৰাখিছো।

এই খিনি কথাৰে ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীআলতাফ হুচেইন মজুমদাৰে যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে তাক মই সমৰ্থন কৰিছো।

*শ্ৰীমুকুট শৰ্ম্মা :— মাননীয় উপাধ্যক্ষ মহোদয়, মই মোৰ সংশোধনী দাঙি ধৰি এই খিনি কব খুজিছোঁ যে যোৱা কালি অসমৰ ৰাজ্যপালে এটা ক্লিব চৰকাৰৰ হৈ তেখেতৰ ভাষণ দাঙি ধৰিছে।

( ধ্বনি — ক্লীব চৰকাৰ মানে কি ? )

এইটো মোৰ ভাষা নহয়, আজি যিজন অৰ্থ মন্ত্ৰী হৈছে সেই জনৰ অৰ্থাত চৰণ সিঙৰ ভাষা। তেখেতে মোৰাৰজী দেশাইক কৈছিল — এইটো এটা ক্লীব বছৰৰ কাল। ময়ো আমাৰ চৰকাৰক এটা ক্লীব চৰকাৰ বুলি কৈছো, ইয়াৰ প্ৰমাণ যোৱা ৪-৫

তাৰিখৰ ভিতৰত অসম ৰাজ্যৰ ভিতৰত নগালেণ্ড দুৰ্বৃত্তই যি ঘটাই গ'ল সেয়াই যথেষ্ট ।

উপাধ্যক্ষ মহোদয়, আমাৰ বিধায়ক শ্ৰীআলতাফ হুচেইন ডাঙৰীয়াই যিটো ধন্যবাদ সূচক প্ৰস্তাৱ দাঙি ধৰিছে তেখেতে কেনেকৈ কি হিচাপে সেই কথা দাঙি ধৰিবলৈ মই বেলে কব খোজা নাই । কিন্তু এটা কথা ঠিক যে তেখেত জনতা পাৰ্টিৰ সদস্য হৈ মুকলি মনেৰে এই প্ৰস্তাৱটো দাঙি ধৰিব পৰা নাই । হয়তো তেখেতৰ অৱস্থা এনেকুৱা হৈছে যে চাৰ্কাচ পাৰ্টিৰ পিঞ্জৰাৰ ভিতৰত সুমুৱাই থোৱা বাঘটোৰ নিচিনা তেখেতৰ অৱস্থা হৈছে ।

( গণ্ডগোল ) .

উপাধ্যক্ষ মহোদয়, মোক কবলৈ দিয়ক । উপাধ্যক্ষ মহোদয়, মই আকৌ কব খুজিছো যে পিঞ্জৰাৰ ভিতৰত সুমুৱাই থোৱা বাঘ এটাই যেনেকৈ ৰিং মাষ্টাৰৰ চাবুকৰ আগত কাম কৰি যায় ঠিক তেনেকৈয়ে তেখেতৰ কিনাৰত বহি থকা দুজন সদস্যাই তেখেতৰ হতুৱাই ভাষণ দিয়াইছে ।

উপাধ্যক্ষ মহোদয়, এইটো ক্লীৱ বছৰ কাল, এই কথা মই কোৱা নাই, জনতা পাৰ্টিৰ সকলো সদস্যাই কৈছে ।

৫ তাৰিখে যি দুৰ্ঘটনা হৈ গল সেই কথাটো অকল অসমতে নহয়, ভাৰততে নহয়, গোটেই বিশ্বত প্ৰকাশ পাইছে। অসম তথা ভাৰতৰ বাতৰি কাকতৰ বাহিৰেও ৰাচিয়াৰ তাচ

পেপাৰত প্ৰকাশ পাইচে।

শ্ৰীঅতুল গোস্বামী ঃ— তাচ পেপাৰ নহয় এটা এজেঞ্চিহে।

* শ্ৰীমুকুট শৰ্ম্মা ঃ— ইয়াৰ লগত কোন জড়িত আছে মই সেই কথাত গুৰুত্ব দিয়া নাই। মই গুৰুত্ব দিছো তাচ এজেঞ্চিয়ে বিশ্বত এই কথাটো প্ৰকাশ কৰিছে। গতিকে মই এই কথাটো কব খুজিছো যে এইটো এটা ক্লীৱ চৰকাৰ হৈছে। চুণ্ডাজানত ঘটনা হব বুলি আগতীয়াকৈ এই চৰকাৰে খবৰ পাইছিল। খবৰ পোৱাৰ পিচতো এই চৰকাৰ শুই আছে। ডিচেম্বৰ মাহৰ ২৩ তাৰিখে এনেকুৱা ঘটনা হব বুলি আগতীয়াকৈ কেন্দ্ৰীয় চৰকাৰক জনোৱা হৈছে। ২৩ তাৰিখে কেন্দ্ৰীয় চৰকাৰক জনোৱাৰ পিচতো এই চৰকাৰে হাত সাবতি বহি আছে। তেখেত অকল অসমৰ মূখ্য মন্ত্ৰী নহয়, তেখেত অসমৰ গৃহমন্ত্ৰীও। এই খবৰ পোৱাৰ পিচত অসম চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লোৱা হৈছিল? ব্লীজ কাকত খনত যি বাতৰি ওলাইছে অসমৰ বাতৰি কাকতত এনেধৰণে প্ৰকাশ হোৱা নাই। ২০ তাৰিখৰ ব্লীজ কাকত খনত এই বাতৰি প্ৰকাশ পাইছে যে এই দুৰ্ঘটনাত দুই হাজাৰৰো অধিক মানুহ মৃত্যু বৰণ কৰিছে।

"The Armed Groups of Naga Miscreants who ambushed the villages on the Assam Nagaland Border on January, 5, let a heap of over 2,000 Charred and heavily mutilated bodies according to authoritative unconcerned reports reaching here." অৰ্থাৎ এইকথা প্ৰকাশ পাইছে যে আজি ইয়াৰ নিউজ চেন্সৰ

হৈছে। হয়তো প্ৰকাশ্যে চেন্সৰ হোৱা নাই কিন্তু পৰোক্ষভাবে চেন্সৰ হৈছে। নগালেণ্ডৰ দুৰ্ঘটনাত যিসকল মানুহে মৃত্যুবৰণ কৰিছে সেই সকল মানুহৰ ফটো অসমৰ বাতৰি কাকতত পোৱা নাযায় কিন্তু কলিকাতাৰ পৰা প্ৰকাশ হোৱা হিন্দী কাকত সন্মাৰ্গত ফটো প্ৰকাশ কৰিছে। মাইকী মানুহৰ পেট কাটি শিশু উলিয়াই আনিছে, মাইকী মানুহৰ ওপৰত অত্যাচাৰ হৈছে তাৰ ফটো আজিও অসমৰ কোনো বাতৰি কাকতত প্ৰকাশ কৰা নাই। সেই কাৰণে মই কৈছো অফিচিয়েলি চেন্সৰ হোৱা নাই কিন্তু আন অফিচিয়েলি চেন্সৰ হৈছে। ১৫ তাৰিখৰ ব্লীজ কাকতখনৰ পৰা মই অলপ পঢ়ি দিব খুজিছো। "The miscreants reportedly set fire to Houses and physically lifted women and children and threw them in the raging flames. Nearly a thousand houses were reduced to ashes in this manner. The reports said." অৰ্থাত ২ হাজাৰৰো অধিক মানুহ মৃতুবৰণ কৰিছে। নাগালেণ্ডৰ দুৰ্ঘটনাত দুই হাজাৰ মানুহ মৰিছে সেই কথাটো কোনে সমৰ্থন কৰিছে মই সেই কথাটো কবলৈ যোৱা নাই মই কবলৈ গৈছো জনতা দলৰ প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী জনতা পাৰ্টিৰ কেন্দ্ৰীয় নেতা আমাৰ মুখ্যমন্ত্ৰী গোলাপ বৰবৰা দেৱৰ গুৰুভাই শ্ৰীৰাজ নাৰায়নে সমৰ্থন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ডাঃ ৰাম মনোহৰ লোহিয়া প্ৰথম শিষ্য আছিল। দ্বিতীয় হল ৰাজনাৰায়ন। সেয়ে মই কৈছো ৰাজনাৰায়ন অসমৰ মুখ্যমন্ত্ৰীৰ গুৰুভাই। তেখেতে কৈছে দুই হাজাৰৰো অধিক মানুহ মৃত্যুবৰণ কৰিছে। গুৱাহাটীত যি প্ৰেছ কনফাৰেন্স কৰিছে তাত তেখেতে নিজে চাই আহি এই কথা কৈছে। তেখেতৰ লগত ভ্ৰমণ কৰিছিল জনতা পাৰ্টিৰ উপদলপতি

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা দেব। ৰাজনাৰায়নে যিটো কৈছে সেইটো তেখেতে কন্‌ট্ৰাদিক্ত কৰা নাই তাৰ মানে তেখেতে সেইটো মানি লৈছে।

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— তেখেতৰ কথাটোত মই গুৰুত্বই দিয়া নাই।

শ্ৰীগোলাপ বৰবৰা (মূখ্যমন্ত্ৰী) :— ব্লীজ পেপাৰে ইৰানৰ ছাত্ৰক প্ৰধান প্ৰগতিবাদী বুলি কৈছে। তেখেতে সেইটো মানি লয় নে?

শ্ৰীমুকুট শৰ্ম্মা :- কিমান লোকে মৃত্যু বৰণ কৰিলে তাৰ হিচাব অসম চৰকাৰে দিব পৰা নাই।

শ্ৰীতুলাল বৰুৱা (মন্ত্ৰী) :— মাননীয় সদস্যজন নগাওঁৰ, গোলাঘাট বেচি দূৰ নহয়। তেখেতে গৈ চাই আহোকচোন কোনটো সত্য।

শ্ৰীমুকুট শৰ্ম্মা :— কিমান মানুহে মৃত্যু বৰণ কৰিছে তাক মই চাই আহিছো। দুৰ্ঘটনা হৈ যোৱাৰ পিছতো মৃত্যুৰ সংখ্যা অসম চৰকাৰে বাহিৰ কৰিব পৰা নাই। অসমৰ কৃষি মন্ত্ৰীয়ে এটা কথা কৈছে। সেইটো মই ইণ্ডিয়া টুদে কাকতখনৰ পৰা পঢ়ি দিব খুজিছো। "The Assam Agriculture Minister Shri Soneswar Bora was the first to rise above the usual official habit of under playing the number of casualities. He told India today that there were at least thousand people died." ইণ্ডিয়া টুদে কাকতখনত তেখেতে কৈছে এক হাজাৰৰো অধিক মানুহ মৃত্যু বৰণ কৰিছে।

শ্ৰীঅতুল গোস্বামী ঃ— তেখেত ব্লীজৰ প্ৰতিনিধি হৈ আহিছে নে ৰাইজৰ প্ৰতিনিধি হৈ আহিছে ?

* শ্ৰীমুকুট শৰ্ম্মা ঃ— মই বাতৰি কাকতত যি দেখি আহিছো সেই কথাকে কৈছো। আজিলৈকে অসম চৰকাৰে চেলেঞ্জ কৰি এটা প্ৰেছ-নোট বাহিৰ কৰিব কৰিব পৰা নাই। কিমান মানুহ মৰিছে সেই কথা গম পোৱা নাই। মানুহ মৰা ভিতৰুৱা অঞ্চললৈ যাব পৰা নাই। পুলিচক কৈছে দূৰ্গন্ধ হোৱা মৰাশ বিলাক দিচপজ কৰা। ইয়াৰ কোনো হিচাব পোৱা নাই।

তেনেকৈ কিমান মানুহ মৰিল তাৰ কোনো হিচাব নাই। উপাধ্যক্ষ মহোদয়, আৰু এটা কথা হৈছে যে, অসম চৰকাৰ ইমানেই 'আননাৰ্ভ' হৈ গৈছে যে, কোনে কি কয় তাৰ কোনো ঠিক নাই। বেলেগ বেলেগ মন্ত্ৰীয়ে বেলেগ বেলেগ কথা কয়। মাননীয় মুখ্য মন্ত্ৰীয়ে কৈছে, In Calcutta the Assam Chief Minister said that suspected underground Nagas are linked with January raid.

মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে 'আন্দাৰ গ্ৰাউণ্ড' নগাই জগৰীয়া বুলি কৈছে। গড়কাপ্তানী মন্ত্ৰীয়ে কৈছে যে, আন্দাৰগ্ৰাউণ্ড নগাই এই কাম কৰা নাই। মুখ্যসচিবেও সেইদৰে বেলেগ উক্তি দিছে। এইদৰে তিনিজনেই বেলেগ বেলেগ ধৰণৰ কথা কৈছে। ইমান এটা ডাঙৰ ঘটনা হৈ গৈছে। গোটেই বিশ্বই এইটো গম পাইছে কিন্তু কেন্দ্ৰীয় চৰকাৰৰ কোনো উমঘামেই নাই। ৰাজ নাৰায়ণে এই বিষয়ে কৈছে। সেই সময়ত শ্ৰীমোৰাৰজী দেশাই

* Speech not corrected

অকল প্ৰধান মন্ত্ৰীয়েই নহয় গৃহদপ্তৰৰ মন্ত্ৰীও আছিল। ভোটৰ বেলিকা সুদিনৰ সময়ত তেখেত সকল আহে। কিন্তু দুৰ্দ্দিনৰ সময়ত নাহে। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা মাত্ৰ এজন লোক আহিছিল। সেইজন হৈছে কেন্দ্ৰীয় গৃহদপ্তৰৰ ৰাজ্যিক মন্ত্ৰী শ্ৰীধনীক লাল মণ্ডল। তেখেত আহিছিল আচলতে পৰশুৰাম কুণ্ডত স্নান কৰিবৰ কাৰণেহে। এইদৰে পুণ্যকৰি গোলাঘাটৰ ওপৰেদি গুছি গলহি। জৰ্জ ফাৰ্ণাণ্ডেজেও অসমৰ কাৰণে চকুপানী পেলাই আছে। কিন্তু সেই পানী তেখেতৰ শুকাই গল। কেৱল নিৰ্ব্বচনৰ সময়তহে আহে। আমাৰ ৰাজ্যপালেও পাছ তাৰিখে ঘটনা হোৱাৰ পিছত দিল্লী মহানগৰীলৈহে উৰামাৰিলে। আমাৰ কেন্দ্ৰীয় ৰাজ্যিক সমাজ কল্যাণ ইত্যাদি বিভাগৰ মন্ত্ৰী গহাকীয়েও এই ঘটনা চাবলৈ সময় কৰিব নোৱাৰিলে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী :— মাননীয় উপাধ্যক্ষ মহোদয়, সেই অঞ্চলৰ এম, পি, শ্ৰীবেদব্ৰত বৰুৱাও অহা নাই।

\# শ্ৰীমুকুট শৰ্মা :— উপাধ্যক্ষ মহোদয়, এই বেদব্ৰত বৰুৱাইহে প্ৰথমে প্ৰধান মন্ত্ৰীৰ ওপৰত প্ৰতিবেদন দাখিল কৰিছিলগৈ। অসম চৰকাৰৰ মুখ্যমন্ত্ৰীয়েও এই কথাটো বৰ পাতল ভাবেই লৈছিল। ৪-৫ তাৰিখে ঘটনা হৈ গল। ৭ তাৰিখলৈকেই মুখ্যমন্ত্ৰীয়ে ইয়াতেই আছিল। ৮ তাৰিখে তেখেতে উজানবজাৰৰ মহিলা সমিতি এখনো উদ্বোধন কৰিছিল। কিন্তু সীমান্তত গৈ সেই সকল লোকৰ অৱস্থা চাবলৈ এই লোকজনৰ সময় নহল। অকল মুখ্যমন্ত্ৰীয়েই নহয় তেখেত

\# Speech not corrected

এই ৰাজ্যখনৰ গৃহমন্ত্ৰীও। তেখেতে নিজেই নগালেণ্ড সীমান্তত সকলোখিনি কণ্ডাক্ট কৰিব লাগিছিল। কিন্তু সময় নেপালে।

এই চৰকাৰ ক্লীৱ চৰকাৰ, নপুংশক চৰকাৰ। সেইকাৰণেই মই মই কৈছো যে আমাৰ এই চৰকাৰে মানুহৰ জীৱন, সা-সম্পত্তি ৰক্ষা কৰিব পৰা নাই। এইটো ঘটনা কেৱল এদিনতে হোৱা ঘটনা নহয়, যোৱা ডিচেম্বৰ মাহতেই ইয়াৰ পৰিকল্পনা হৈছিল। এই কথা আমি কোৱা কথা নহয়, নগালেণ্ডৰ মূখ্যমন্ত্ৰীয়েই কৈছে। কলিকতাত এই কথা কৈছে, প্ৰেছ-কন্‌ফাৰেন্সক এই কথা কৈছে। তিনি চাৰি তাৰিখেই চুঙাজানত এজন মেজিষ্ট্ৰেট গঠিয়াই খবৰ দিয়া হৈছিল। মন্ত্ৰী পৰিসদৰ এজন সদস্যই আগতীয়াকৈ এই কথা কৈছে। 'টাইমছ অৱ ইন্দিয়া' কাগজত এই কথা প্ৰকাশ পাইছে। ১০-১-৭৯ তাৰিখে এইটো প্ৰকাশ পাইছে। "Assam Minister has warned a raid." মন্ত্ৰী পৰিসদৰ এজন সদস্যই এই কথা কৈছিল। গৃহসচিবক মাতি আনি এইটো কোৱা হৈছিল। শিৱসাগৰৰ ডেপুটি কমিশ্যনাৰক মাতি এই কথা কোৱা হৈছিল। কিন্তু আমাৰ চৰকাৰ কুম্ভকৰ্ণৰ নিদ্ৰাত আচ্ছান্ন হৈ আছিল। আচলতে টোপনি যোৱা মানুহক জগাবলৈ বৰ ভাল, কিন্তু ভাও জুৰি শুই থকা মানুহক জগাবলৈহে টান। অসম চৰকাৰৰ অৱস্থাও তদ্ৰূপ। অসমৰ জনসাধাৰণে আজি কৈছে যে, অসম চৰকাৰে আমাৰ জনসাধাৰণ জীৱন আৰু সা সম্পত্তি ৰক্ষা কৰিব পৰা নাই। ৰাজনাৰায়ণে কৈছে যে অসম চৰকাৰে নিজৰ নৈতিক দায়িত্ব মানি লৈ পদত্যাগ কৰিব লাগে। ত্ৰিবান্দ্ৰমত ১৯৫৮ চনত হোৱা গুলি চালনাত এজন লোকৰ মৃত্যু হোৱাত শ্ৰীৰামমনোহাৰ লোহিয়াই সেই সময়ৰ কেৰেলা চৰকাৰক পদত্যাগ কৰিবলৈ কৈছিল। সেইদৰেই শ্ৰীৰাজ নাৰায়ণেও কৈছে যে, যি অসম চৰকাৰৰ নেতৃত্বত আজি সীমান্তত

হাজাৰ হাজাৰ মানুহৰ মৃত্যু হৈছে সেই চৰকাৰেই নৈতিক দায়িত্ব লৈ পদত্যাগ কৰিব লাগে। আজি যি হিচাবে এটা চৰকাৰ পৰিছালনা কৰা হৈছে সেইটো সচাঁকৈয়ে দুৰ্ভাগ্য জনক। ইয়াৰ পিছৰ যি খিনি কথা সেই খিনি সদনৰ মাননীয় সদস্য সকলে উত্থাপন কৰিব। এইখিনিকে কৈ মই মোৰ সংশোধনীটো ডাঙি ধৰিছোঁ।

Mr. Deputy Speaker :— Shri Hemen Das.

শ্ৰীহেমেন দাস ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আলটাফ হুছেইন মজুমদাৰ মহোদয়ে দাঙি ধৰা ধন্যবাদ সূচক প্ৰস্তাৱৰ লগত আমাৰ মাননীয় সদস্য সকলে যি সংশোধনী আগ বঢ়াইছে তাৰ সমৰ্থনত মই দুআষাৰ কবলৈ ওলাইছোঁ। ৰাজ্যপালৰ ভাষণত এটা কথা কোৱা হৈছে যে বৰ্ত্তমান চৰকাৰে ৰাজ্যখনৰ শান্তি-শৃংখলা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে। কিন্তু এই কথাটো সম্পূৰ্ণ সত্য নহয়। কাৰণ জনতা চৰকাৰে ৰাজ্যত শান্তি-শৃংখলা ৰক্ষা কৰাত সফলতা অৰ্জন কৰিব পৰা নাই। ভালকৈ নিৰিক্ষণ কৰিলে বিফলতাৰ সংখ্যাই বেছি হ'ব। জনতা চৰকাৰে আজি এক ডেৰ বছৰেও মানুহৰ জীৱন, সম্পদ ৰক্ষা কৰিবলৈ সমৰ্থন হোৱা নাই। যোৱা ৩০ জুলাই তাৰিখে গুৱাহাটী ইঞ্জিনিয়াৰিং কলেজৰ কেইজনমান ছাত্ৰক ৰাতি ১২ বজাত হোষ্টেলত মাৰ-ধৰ কৰে। গুৱাহাটী ইউ-নিভাৰ্চিটিৰ দুজন ছাত্ৰকো কিছুমান দুৰ্বৃত্তই ৰাতি মাৰ-ধৰ কৰে। তাৰ পিচত শিলচৰ মেডিকেল কলেজত পঢ়ি থকা কেইজনমান ছাত্ৰক ৰাষ্টাত ধৰি কেইজনমান দুৰ্বৃত্তই মাৰ-ধৰ কৰে আৰু এজন কৰ্ম্মচাৰীকো কাছাৰৰ ৰাঙৰখাৰীত মাৰ-ধৰ কৰে। এইবোৰ আমি সম্পূৰ্ণ সাম্প্ৰদায়িক সংঘৰ্ষ বুলি কব পাৰোঁ। কাৰণ, শিলচৰত অসমীয়া ছাত্ৰৰ ওপৰত বঙালী নামধাৰী দুবৰ্ব্তৰ দ্বাৰা মাৰ-ধৰ আৰু

গুৱাহাটিত বঙালী ছাত্ৰৰ ওপৰত অসমীয়া নামধাৰী দুবৃত্তৰ দ্বাৰা মাৰ-ধৰ চলোৱা হৈছে। এইবোৰ কথা আমাৰ চৰকাৰে ভালদৰে জানে কিন্তু তাৰ কোনো সুব্যৱস্থা চৰকাৰে লোৱা নাই অৰ্থাৎ দুবৃত্তক শাস্তি দিয়া নাই। গতিকেই মই মাননীয় সদস্য মুকুট শৰ্ম্মাৰ লগত একে সুৰতে কব বিচাৰিছো যে বৰ্ত্তমান জনতা চৰকাৰ "কুম্ভকৰ্ণৰ দৰে শুই থকা চৰকাৰ"। যি চৰকাৰে মাত্ৰ দুই-চাৰিজন গুন্দাৰ বিৰুদ্ধে ঠিয় দিবলৈ সাহস কৰিব নোৱাৰে, সেই চৰকাৰে শান্তি-শৃংখলা ৰক্ষা কৰিব পাৰিছে বুলি কোৱাটো সম্পূৰ্ণ অসত্য, কিন্তু যেতিয়া শ্ৰমিকে নিজৰ ন্যায্য দাবীৰ কাৰণে আন্দোলন কৰে তেতিয়া এই চৰকাৰেই মূহৰ্ত্ততে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ৰাজধানীৰ ওচৰত থকা বাচগৰীয়া ইণ্ডাষ্টিত ৩৫ জন শ্ৰমিকক একাধিক বাৰ গ্ৰেপ্তাৰ কৰা হয়। আৰু গুৱাহাটী কেনভাচ ইন্দ্ৰাস্ত্ৰীত কাম কৰা শ্ৰমিক ১১ জনক যোৱা ১৮-২-৭৯ তাৰিখে ৰাতিৰ ভিতৰতে গ্ৰেপ্তাৰ কৰে। ইয়াৰ পৰাই প্ৰমাণ কৰিব পাৰি যে নাগৰিক সকলৰ অধিকাৰৰ ওপৰত হস্তক্ষেপ কৰাত তেওঁলোক সিদ্ধহস্ত

অলপতে অসম-নগালেণ্ড সীমান্তত ঘটা ঘটনাৰ খবৰ সময় মতে পুলিচে পোৱা স্বত্তেও ৰক্ষনা-বেক্ষনৰ কোনো ব্যৱস্থাকে নললে। যি পুলিচ বাহিনীৰ কাৰণে চৰকাৰৰে কোটি কোটি টকা খৰছ কৰিছে, সেই পুলিচ বাহিনীৰ নিষক্ৰীয়তাৰ কাৰণে বৰ্ত্তমান চৰকাৰেই দায়ী। এই অশান্তিৰ পিছত যেতিয়া যোৰহাটৰ ডি, চি, ক লগ ধৰি সোধা হ'ল তেতিয়া তেওঁ দুই তাৰিখে খবৰটো চৰকাৰক জনোৱা বুলি কলে। তেতিয়া সন্ধিয়া ডি, চিয়ে তিনি তাৰিখে খবৰ পায় চাৰি তাৰিখে চৰকাৰক জনোৱা বুলি কলে। মাত্ৰ কেই

ঘণ্টামানৰ পিছতে ভি, চিয়ে কথাটো পৰিবৰ্ত্তন কৰি দিলে।

চুঙাজানৰ হত্যাকান্দৰ সন্দৰ্ভত অসম চৰকাৰৰ গোটেই পুলিচ বাহিনীটোৰেই নিষক্ৰীয়তা দেখুৱাইছিল। কিন্তু গোটেই পুলিচ বাহিনীটোক তাৰ বাবে দোষাৰোপ নকৰি একমাত্ৰ সামান্য পুলিচ কনিষ্টবলৰ পৰা প্ৰমোচন পোৱা পুলিচ অফিচাৰ জনৰ বিৰুদ্ধেহে ব্যৱস্থা লোৱা হ'ল। সেই কাৰণেই বৰ্ত্তমান চৰকাৰক "নপুংশক চৰকাৰ" বুলি কোৱাত যুক্তি যুক্ততা আছে। উদাহৰণ স্বৰূপে চুঙাজান অঞ্চলৰ কথাকে কব পাৰি। তাত এটা বি, টি অফিচ আছে। তাৰ কাৰণেই বেদখল হৈছে। মানুহে খেতি বাতি কৰি ঘৰ সাজি আছিল। তাতেই সিদিনা নগা দুৰ্বৃত্তই ১০ জন মানুহ হত্যা কৰিছে। কিন্তু চৰকাৰে বনবিষয়াৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাই।

জোনাই অঞ্চলতো সাম্প্ৰদায়িক অশান্তি দেখা দিছে। আমি পোৱা খবৰ মতে তাত প্ৰায় ২৩০ জন মান বড়ো জনজাতীয় মানুহক ঘৰ-দুৱাৰ ভাঙি মিছিং আৰু আৰৰ কিছুমানে উচ্ছেদ কৰিছে। এই কথা পি, দব্লিউ, ডি মন্ত্ৰী মহোদয়েও পাইছে। তেখেতে নিজেই সেই ঠাইলৈ গৈ আহিছে। চৰকাৰে সময় থাকোতে বিহিত ব্যৱস্থা নললে ডাঙৰ সাম্প্ৰদায়িক সংঘৰ্ষ হোৱাৰ সম্ভবনা নুই কৰিব নোৱাৰি।

উপাধ্যক্ষ মহোদয়, নগালেণ্ড সংঘৰ্ষ সম্পৰ্কে বক্তব্য

ৰাখোতে আমাৰ সদস্য সকলো কিছু হুচিয়াৰ হব লাগে। অসমত কেইখনমান নগাগাওঁ থকা বা নগালেণ্ডত কেইখনমান অসমীয়া গাওঁ থকা একো অসুবিধা নহয়। কাৰণ আমাৰ অসমত আজি বঙালী, বিহাৰী, মাৰোৱাৰী আদি বহুতো মানুহ আছে। গতিকে অসমৰ মাটিত নগালোকৰ কেইখনমান গাওঁ বা নগালেণ্ডত কেইখনমান অসমীয়া লোকৰ গাওঁ থকাটো একো আচৰিত কথা নহয়। আজি নগা আৰু অসমৰ মাজত এটা শান্তি পূৰ্ণ পৰিস্থিতি সৃষ্টি কৰি সমস্যা সমাধান কৰাৰ কাৰণে চিন্তা কৰিব লাগে। গতিকে চৰকাৰে যি নীতি গ্ৰহণ কৰিব সেই নীতিয়ে যাতে ভূমি সমস্যা সমাধান কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে। নহলে এই বিলাক সমস্যা সমাধান কোনো দিনেই নহব। আজি তাত যিসকল মানুহক হত্যা কৰা হৈছে সেই সকলৰ ভিতৰত বড়ো, কছাৰিৰ সংখ্যাই বেচি। তেওঁলোক আজি কিয় তালৈ যাব লগা হ'ল। হয়তো কোনোবা সুদখোৰ মহাজনৰ অত্যাচাৰত মাটি বন্দক দি তেওঁলোক আতৰি যাবলৈ বাধ্য হৈছে। গতিকে আজি এই জমিদাৰ শ্ৰেণীৰ বিৰুদ্ধে আগ নাবাঢ়িলে এটা শান্তিপূৰ্ণ অৱস্থা সৃষ্টি হব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত শিক্ষা সম্পৰ্কে উল্লেখ কৰিছে। এই সম্পৰ্কে মই দুষাৰ মান কথা কব বিচাৰিছো। গাঁৱে গাঁৱে প্ৰাইমাৰী স্কুল খোলাৰ কথা চৰকাৰে কৈছিল, কিন্তু আজিলৈকে এটা স্কুলও খোলা নহল। কংগ্ৰেছ চৰকাৰৰ দিনত শিক্ষা সংকোচন নীতি সমৰ্থন কৰিছিল আৰু এতিয়া সেই একে নীতিকেই এক্সপান্দ কৰা হৈছে।

( শিক্ষা মন্ত্ৰী শুই আছে )

উপাধ্যক্ষ মহোদয়, আজি নিৰক্ষৰতা দূৰীকৰণৰ কথা কৈছে; কিন্তু এই নিৰক্ষৰতা দূৰীকৰণ শিক্ষা বিভাগে কৰিব পৰা নাই। আজি পুলিছ বিভাগক নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে দায়িত্ব দিয়া হৈছে। এই বাৰ ৰাজ্যপালৰ ভাষণত জন শিক্ষা দায়িত্ব হ'ম গাৰ্ডৰ ওপৰত দিয়া হৈছে। শিক্ষা বিভাগৰ দায়িত্ব পুলিছ বিভাগক দিয়া হৈছে। এইটো শুনি আমি সচাকৈয়ে আচৰিত হৈছো। এই পুলিছ বিভাটো, যিটো গন্দগোলৰ মূল সেই পুলিছ বিভাগৰ হাততেই শিক্ষা দায়িত্ব অৰ্পণ কৰা হৈছে। আৰু ইয়াৰ ফলত অসমৰ ভবিষ্যত কি হব সেই কথা নকলেও হব।

( ভইচ্ ঃ এম, এল, এক দিয়া হব )

উপাধ্যক্ষ মহোদয়, জনতা চৰকাৰে ক্ষুদ্ৰ উদ্যোগ বিকাশ সাধন ক্ষেত্ৰত আমাৰ কেইখনমান ডিষ্টিক চেন্টাৰ হৈছে আৰু তাত উচ্চ পদ পূৰণ কৰাও হৈছে। চাইকেল ফেক্তৰী বন্ধ হৈ গৈছে সেইটো খোলাৰ ব্যৱস্থা আমাৰ চৰকাৰৰ হাতত নাই। গ্লাচ ফেক্টৰীও বন্ধ হৈ গল সেইটো খোলাৰ ব্যৱস্থাও চৰকাৰৰ হাতত নাই। আজি আমাৰ যিবিলাক ক্ষুদ্ৰ উদ্যোগ আছিল সেইবিলাকো বন্ধ হৈছে। এই ক্ষেত্ৰত জনতা চৰকাৰ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে। জনতা চৰকাৰে বাকী যি বিলাক বিষয় হাতত লৈছে সেই বিলাক কথা চিন্তা কৰি আমাৰ মুকুট শৰ্ম্মা ডাঙৰীয়াই কোৱাৰ দৰে আমিও কবলৈ বাধ্য হৈছো। তেখেতে কৈছে এই চৰকাৰটো এটা ক্লীব

চৰকাৰ। মই কওঁ এই চৰকাৰটো এটা পুতলা চৰকাৰ। আমি দেখিছো চৰকাৰে যি কামতেই হাত দিছে সেই কাম বিলাক মাজ বাটতে ৰৈ গৈছে। এই খিনিকে কৈ মই মোৰ বক্তব্য শেষ কৰিলো।

শ্রীনেপাল চন্দ্র দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, আমার পূর্ববর্তী মাননীয় সদস্যগন নাগালেণ্ড এবং আসামের বর্ডারের যে ঘটনা ঘটেছে সেই সম্পর্কে বিশেষ ভাবে ব্যক্ত করেছেন। কিন্তু সবচেয়ে দুঃখের কথা হলো যে, সরকার এমনি একটা দূর্ঘটনা ঘটবে বলে পূর্বাভাষ পাওয়ার পরেও প্রতিকারের দিকে হাত না বাড়িয়ে ঘুমিয়ে থাকে সেই সরকারকে বল্তে হবে যে তারা ইচ্ছাকৃত ভাবে আসামের গরীব জনসাধারণ যারা সেই অঞ্চলে বসবাস করছে তাদেরে হত্যা করেছে এবং এই ঘটনা যে কতখানি বীভৎস তা আমাদের মাননীয় সদস্য শ্রীমুকুট শর্ম্মা তার অবতারণা করেছেন। যারা প্রত্যক্ষদর্শী তাঁরা বলেছেন যে মেয়ে ছেলেদের পেট কেটে তাদেরে অগ্নি কুণ্ডে পুড়িয়ে মারা হয়েছে। দুঃখের বিষয় যে এই ঘটনা ৪-৫ তারিখে ঘটার পরেও মুখ্যমন্ত্রী মহোদয় স্বয়ং সেখানে উপস্থিত হয়ে তা নিজের চোখে দেখেন নি। তিনি চলে গিয়েছিলেন দিল্লীতে।

( ভয়েস্.........হাওয়া খেতে )

হাওয়া খেতে আমি বলব না, হয়ত ভয়ে চলে গিয়েছিলেন।

( হাসি )

কি জানি নাগা দুর্বৃত্তরা যদি আমাদের মুখ্যমন্ত্রীকে আক্রমণ করে বসে। এটাও একটা ভয়রে কারণ।

( হাসি )

সুতরাং আমি আশা করব যে যারা এই ঘটনায় ভিক্টিমাইজ হয়েছেন তাদের যেন সুন্দর ভাবে পুনর্বাসন করা হয় এবং এটা অতি সত্তর করা হয় আর যাতে এইরকম অঘটন ভবিষ্যতে না ঘটে সে দি:কে যেন এই সরকার নজর দেন।

এবারে আমি জনতা সরকারের ল্যাণ্ড রিফর্ম সম্পর্কে কিছু বলতে চাই। জনতা সরকার ল্যাণ্ড রিফর্মের ব্যাপারে তাদের পার্টির প্রেসিডেণ্ট শ্রীচন্দ্র শেখরও দুঃখ প্রকাশ করেছেন। আর, আসামের ভূমি সংস্কার নীতির উপর আমি গত বিধান সভায় প্রশ্নও করেছিলাম যে কতগুলো সিলিং কেসের মধ্যে কতটি কেস্ ষ্টে কছা হয়েছে? বিভাগীয় মন্ত্রী মহাশয় বলেছিলেন ১৬০ টি কেস্ ষ্টে করা হয়েছে। এতেই বুঝা যায় যে সিলিং সার্প্লাস লেণ্ড লেণ্ডলেস্ গরীব লোকেদের মধ্যে বিতরণ করে জনতা সরকার কি ভূমি সংস্কার সাধন করবেন। সুতরাং জনতা সরকার এ বিষয়ে যে নীতি অবলম্বন করেছেন তা সম্পূর্ণরূপে বানচাল হওয়ার সম্ভাবনা আছে। সুতরাং আমি আশা করব যাতে এইসব সিলিং সার্প্লাস লেণ্ড গরীব জনসাধারনের মধ্যে বিতরণ করে ভূমি সংস্কার সাধন করার কাজ তরান্বিত করেণ।

মহোদয়, এবার আমি শিক্ষা বিভাগ, সম্পর্কে বলব।

জনতা সরকার বলেছিলেন যে আমরা ১০ বৎসরের মধ্যে সারা দেশে যাতে শিক্ষার হার বৃদ্ধি হয় তারজন্য চেষ্টা করব। কিন্তু অত্যন্ত দুঃখের বিষয় যে বাস্তবে দেখা যায় যে সারা আসামে একটাও এম্, ই বা এল, পি স্কুলও ১ বৎসরের মধ্যে নেওয়া হয়নি। কাজেই শিক্ষার যে মান বা হার বৃদ্ধি পাবে তার কোনই সম্ভাবনা নাই। কাজেই, এই দিকে বিশেষ দৃষ্টি দিতে আমি জনতা সরকারকে অনুরোধ করবো।

কৃষি বিভাগ সম্পর্কে বলতে গিয়ে আমি বলতে চাই যে কংগ্রেস সরকার থাকা কালীন জি পি লেভেল সমিতির মাধ্যমে ছোট ছোট কৃষকদেরে ব্যাঙ্ক হতে লোন দেওয়া হতো। কিন্তু এই জনতা সরকার আসামে ক্ষমতায় বসার পরে এইসব লোন দেওয়া বন্ধ হয়ে গিয়েছে। কাজেই, ছোট ছোট কৃষকদের মঙ্গল করার কোন ইচ্ছা এই জনতা সরকারের নাই। কারণ হলো যে আগামীতে যে বাজেট পেশ করা হচ্ছে এতে সারের দাম বড়বে চালের দাম বাড়বে, কেরোসিনের দাম বাড়বে। এতেই বুঝা যায় যে তাঁরা গরীব জনসাধারনের হিত করতে চান না।

( ফিশারী সম্পর্কে বলুন )

ফিশারী সম্পর্কে বলতে গিয়ে আমি বলতে চাই যে আমাদের মীনমন্ত্রী মহাশয় বলেছিলেন যে এক বৎসরের মধ্যে আমাদের সস্তায় মাছ খাওয়াবেন। কিন্তু আমরা এর কনোও লক্ষন দেখতে পাচ্ছি না। আশাকরি মীনমন্ত্রী মহাশয় আমাদেরে বুঝিয়ে বলবেন যে এই ব্যাপারে কি কি কার্যকরী ব্যবস্থা তিনি

হাতে নিয়েছেন। আমাদেরে কি ভাবে সস্তায় মাছ খাওয়াবেন আশাকরি তার একটা ইঙ্গিত তিনি দিবেন।

স্মল ইণ্ডাষ্ট্রিজ সম্পর্কে বলা হয়েছে যে বেকার সমস্যা দূর করার জন্য একটা উপায় হলো কটেজ ইণ্ডাষ্ট্রিজ তৈরী করা। কিন্তু এই বেকারের দল দিন দিন বাড়ছে। জনতা সরকার বলেছিলেন যে আগামী ১০ বৎসরের মধ্যে ভারতবর্ষে যতো বেকার আছে সকলের কর্মসংস্থানের ব্যবস্থা তারা করবেন। কিন্তু হিসাব করলে দেখা যায় যে সারা ভারতবর্ষে ইতিমধ্যে প্রায় ৮০ লক্ষ বেকার বেড়েছে।

( আসামে কত ? )

আমি অল ইণ্ডিয়ার কথা বলছি। প্রপরশনেটালি আসামেও বেড়েছে। আর গত ১ বৎসরের মধ্যে আসামে একটাও স্মল ইণ্ডাষ্ট্রিজ গটন করা হয়নি। এটা অত্যন্ত দুঃখের কথা।

এবারে আমি রাস্তাঘাট সম্পর্কে ২।১ টা কথা বলব। গতবার প্রথম বিধান সভার অধিবেশনে আমাদের পি ডাব্লিও ডি মিনিষ্টার মহাশয় বলেছিলেন যে সব সাবডিভিশন এক্ষেত্রে পঞ্চাদপত সে গুলিকে কেটিগরি ওয়াইজে রাস্তাঘাটের ক্ষেত্রে উন্নত করার জন্য একটা স্কীম নেওয়া হবে। কিন্তু আমরা দেখলাম যে প্রত্যেক সমষ্টিতেই এম এন পি স্কীমে রাস্তার জন্য ২ লক্ষ টাকা দেওয়া হয়েছে। কেটিগরি ওয়াইজে পঞ্চাদপত এলাকর উন্নতির জন্য কোন স্কীম নেওয় হয়নি।

শ্রীতুলাল চন্দ্র বরুয়া ( মন্ত্রী ) :— অন্য হেডে বেশী দেওয়া হয়েছে ।

শ্রীনেপাল চন্দ্র দাস :— এম এন পিতে নিশ্চয়ই দেওয়া হয়নি। কেটিগরি ওয়াইজে কেন বিবেচনা করা হলো না ।

( আলগাপুরে দেওয়া হয়নি কেন ? )

আলগাপুরে অবশ্য দেওয়া হয়েছে ।

মহাশয়, এবারে আমি জনতা সরকারের হাউসিং স্কীম সম্পর্কে ২। ১ টি কথা বলতে চাই। বর্তমানে যে জনতা হাউসিং স্কীম করা হয়েছে সেটাই আগে ছিল অন্য নামে অর্থাৎ ল্যাণ্ড মর্টগেজ স্কাম। আজ এই জনতার নাম দেওয়া হাউসিং স্কীমের অফিসে আমি ক'দিন আগে গিয়েছিলাম। গিয়ে দেখলাম আগের সেই মর্টগেজ সিষ্টেম এখনো আছে । কেবল নাম পরিবর্তন করা হয়েছে ।

( জনতা ব্র্যাণ্ড ? )

হ্যা। জনতা ব্র্যাণ্ড। সুতরাং আমি জনতা সরকারকে অনুরোধ করবো যাতে গরীব জনসাধারণ যারা গৃহহীন তারা যেন সহজে লোন পেতে পারে তার ব্যবস্থা যেন তারা করেণ। এই অনুরোধ করে আমি আমার বক্তব্য শেষ করছি ।

শ্রীগিৰিধৰ ঠেঙাল :— মাননীয় উপাধ্যক্ষ মহোদয়, মই আমাৰ দলৰ তৰফৰ

পৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত অনা ধন্যবাদ সুচক প্ৰস্তাৱৰ ওপৰত যি সংসোধনী সেই সংসোধনী সমৰ্থন কৰি দুষাৰ কবলৈ ওলাইছো। উপাধ্যক্ষ মহোদয়, জয় জয়তে আমাৰ এই ৰাজ্যপালৰ ভাষণত সীমানন্তৰ গোলমাল সম্পৰ্কত যি কোৱা হৈছে তাত প্ৰকৃতপক্ষে চৰকাৰৰ ব্যৰ্থতা স্পষ্টভাবে প্ৰকাশ হোৱা নাই। আমি হয়তো এই সীমান্ত সম্পৰ্কত অতীত বুৰঞ্জীৰ কথা ব্যাখ্যা কৰিছো। অতীত বুৰঞ্জীৰ কথা নিশ্চয় ব্যাখ্যা কৰিব লাগিব। সেই ভিত্তিতে ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিব লাগিব। তত্‌ত্বত্তেও জয় জয়তে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ সম্পৰ্কত চৰকাৰৰ যি দায়িত্ব সেই দায়িত্ব পালনৰ ক্ষেত্ৰত চৰকাৰ নিশ্চয় ব্যৰ্থ হৈছে। ইতিমধ্যে কেবাজনো সদস্যই এইটো উল্লেখ কৰিছে যে এই সম্পৰ্কত চৰকাৰৰ অবগত আছিল। মই নিজেও ভাবো যে মোৰ সমষ্টি সীমান্তত আছে, বিশেষকৈ ঘোলাঘাটত নহলেও যোৰহাটত মোৰ সমষ্টিয়ে পায়। সেয়ে মই বিভিন্ন বিভাগৰ লগত আৰু বিশেষকৈ দি, চি আৰু পুলিচ বিভাগৰ লগত যোগাযোগ কৰি মই নিজেই কিছুমান খবৰ দিছো। কিন্তু সেই খবৰ বিলাক দিয়া স্বত্তেও চৰকাৰে কোনো গুৰুত্ব দিয়া নাই। ফলত যি ধৰণে ঘটনা ঘটিব লগা আছিল সেই ধৰণে ঘটনা ঘটি গল। গোলাঘাট সীমান্তত ঘটনা ঘটাৰ পিচত সমগ্ৰ শিৱসাগৰ জিলাতে একেধৰণৰ সন্ত্ৰাসৰ সৃষ্টি হল যদিও অন্যান্য কোনো অঞ্চলতে ঘটনা ঘটা নাছিল। সেই অঞ্চলৰ ৰাইজে হয়তো ভয়তে ঘৰবাৰী এৰি আঁতৰিব লগা হৈছিল। সেই সুবিধাতে সেই অঞ্চলৰ ব্যৱসায়ীয়ে চল চক্ৰান্ত কৰি খেতিয়কৰ পৰা ধান নিবৰ কাৰণে কিছুমান অসৎ কানুহৰ হতুৱাই অপপ্ৰচাৰ কৰিছিল। ইয়াৰ ফলত সীমান্ত অঞ্চলত বাস কৰা খেতিয়ক সকলে যথেষ্ট

ক্ষতি বহন কৰিব লগা হল। এই সীমান্ত সম্পৰ্কত ৰাজ্যপালৰ ভাষণত নিৰ্দ্দেশ থকা দৰকাৰ যাতে অতি সোনকালে সীমান্তৰ এই বিবাদ নিষ্পত্তি কৰিব পৰা হয় আৰু লগে লগে সীমান্ত আক্ৰান্ত হোৱা পৰিয়াল বৰ্গক অতি সোনকালে ক্ষতি পুৰণ দিয়াৰ ব্যৱস্থা কৰিব পৰা হয়।

কৃষিৰ ক্ষেত্ৰত দেখা গৈছে যে অসমত দিনে দিনে জন-সংখ্যা বাঢ়িছে, আনহাতে খেতিৰ উন্নতি প্ৰণালী অৱলম্বন কৰাৰ কথা ভাবিছে। ৰাজ্যপালৰ ভাষণত অৱশ্যে এইটো প্ৰকাশ পাইছে যে জলসিঞ্চন ব্যৱস্থাৰ অভাৱৰ কাৰণে উত্পাদনৰ ক্ষেত্ৰত আমি পিচ হুহুকিব লগা হৈছে। যোৱাবাৰ বাজেট অধিবেশনত হয়তো এই কথা উল্লেখ কৰা হৈছিল আৰু সেই সময়তো আমাৰ জল-সিঞ্চনৰ উন্নতিৰ কাৰণে কোৱা হৈছিল ; কিন্তু কাৰ্যক্ষেত্ৰত দেখা গল আহু খেতিৰ কথা বাদেই দিয়ক শালি খেতিতো পানীৰ অভাৱ। সষ্য উত্পাদনৰ ক্ষেত্ৰত যি লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে সেই লক্ষ্য পুৰণ কৰিব পৰা নাই। আমাৰ ইয়াত মাল্টি ক্ৰপচৰ ব্যৱস্থা লব লাগিব। আমি যদি সকলোবোৰ ক্ষেত্ৰতে জলসিঞ্চন ব্যৱস্থা বাহাল ৰাখিব নোৱাৰো তেন্তে অধিক সষ্য উত্পাদন আচঁনি ব্যৰ্থ হব। দ্বিতীয়তে হৈছে আমাৰ খেতিয়ক সকলৰ হল্ডিং কম। খেতিয়কে এহাল গৰু ডেৰ হাজাৰ দুইহাজাৰ টকাৰে কিনিব লাগে। তাৰে যদি এটা মৰি যায় বছৰৰ খেতি নষ্ট হৈ যায়। সেই-কাৰণে আমাৰ পঞ্চায়ত বিলাকৰ ট্ৰেক্তৰৰ ষ্টেচন পাতি ট্ৰেক্তৰৰ যোগেদি যদি হাল বোৱাৰ ব্যৱস্থা কৰিব পৰা হয় তেতিয়া হলে বহু ক্ষেত্ৰত কৃষকসকল উপকৃত হব। তেতিয়া হয়তো গৰু বেমাৰ হৈ মৰাৰ ক্ষেত্ৰত অসুবিধাত পৰিব নালাগিব। গতিকে ট্ৰেক্তৰৰ

যোগেদি যান্ত্ৰিক পদ্ধতিৰে গাওঁ অঞ্চলত খেতি কৰিব পৰা ব্যৱস্থা কৰিব লাগে। এইখিনিকে কৈ মই মোৰ সংসোধনী ডাঙি ধৰিলো আৰু আমাৰ দলৰ মোৰ পিচত বক্তা সকলে বাকী বিষয়ত কব।

* শ্ৰীঅতুল গোস্বামী :— উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত শ্ৰীআলতাফ হুছেইন মজুমদাৰে যি ধন্যবাদ সুচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি মই দুষাৰ কব খুজিছো। ৰাজ্যপালৰ এই ভাষণখন যোৱা ৩০ বছৰৰ ভিতৰত এইবাৰ প্ৰথম এটা দৃঢ়তা ব্যঞ্জক থকা ভাষণ। এই কথাটো অস্বীকাৰ কৰাৰ উপায় নাই যে আজি যি দলৰেই চৰকাৰ নহওক তাত কিছুখিনি ব্যৰ্থতা থাকিব। সেই দৃষ্টিৰে চালে অসম চৰকাৰে যোৱা এবছৰত যি খিনি ভাল কাম কৰিলে তাৰ প্ৰশংসা যিসকলে নকৰে তেওঁলোক এক দুৰদৰ্শিতাৰ দোষত পৰিব। নাগালেণ্ড বৰ্ডাৰত যি ঘটনা ঘটিল সেই ঘটনা সম্বন্ধে শ্ৰীনগেন বৰুৱা দেৱে যথেষ্ট কথা কৈছে আৰু অতি উত্তেজিত সুৰেৰে সৈতে নাটকীয় ভঙ্গীত শ্ৰীমুকুট শৰ্ম্মায়ো নানা কথা কৈছে। তেখেত ভাল অভিনেতা আমোদ-পত্তিত নাট্যমন্দিৰত মাজে মাজে ভাওঁ লোৱাৰ অভ্যাস আছে। নাগালেণ্ডত যি ঘটনা ঘটিল তাৰ কিছু তথ্য আপোনালোকৰ আগত দাঙি ধৰিব খুজিছো।

ইয়াত কোনসকল লোক এই অঞ্চলত ১৯৫২ চনৰ পৰা প্ৰতিনিধিত্ব কৰিছিল তেখেত সকলৰ নাম আৰু ৰাজনৈতিক দল চাওক। ১৯৫২ চনৰ পৰা ১৯৫৭ চনলৈকে এম, পি, আছিল শ্ৰীদেবশ্বৰ শৰ্ম্মা, এজন ভেটাৰ্ণ কংগ্ৰেছী লিডাৰ। ১৯৫৭ চনৰ পৰা ১৯৬২ চনলৈকে এম, পি, আছিল মফিদা আহমেদ। ১৯৬২-৬৭

চনলৈকে এম, পি, আছিল শ্ৰীৰাজেন বৰুৱা। তাৰ পিচত শ্ৰীবেদব্ৰত বৰুৱা যিজন মন্ত্ৰীও হৈছিল। বিধান সভাৰ সদস্য-সকল হৈছে ১৯৫২ চনৰ পৰা ১৯৫৭ লৈ স্বৰ্গীয় চান্দু খেৰিয়া, ১৯৫৭-৬২ চনলৈকে শ্ৰীমাল চন্দ্ৰ পেগু, ১৯৬২-৬৭ লৈ শ্ৰীদি, হাজৰিকা, ১৯৬৭-৭২ চনলৈ চত্ৰগোপাল কৰ্ম্মকাৰ। এইসকলে সেই সমস্তিত প্ৰতিনিধিত্ব কৰা কালচোৰাত তাত যিবিলাক ঘটনা ঘটিছিল সেই ঘটনাবিলাক লোকসভা বা বিধান সভাত কি ভাবে উত্থাপন কৰা হৈছিল তাৰ ইতিহাস নতুন কংগ্ৰেছী সদস্য সকলক পঢ়িবলৈ মই অনুৰোধ কৰিছো; দৈয়াং, দিচৌ, দিৰং এই বিলা-কত যেতিয়া আমাৰ মানুহ বহিল তেতিয়া দৃঢ়তাৰে সেই ফালৰ মুখ্যমন্ত্ৰীয়ে মানুহ বিলাকক উচ্ছেদ কৰাত সাহস কৰিছিল। ঠিক একেটা সাহস ডিফু, নামবৰ আদিত দেখুৱাব পৰা হলে ভৱিষ্যতে শ্ৰীশৰৎ সিংহৰ নাম শ্ৰদ্ধাৰে সুৱৰিলো হেতেন। কিন্তু সেই সময়ত গাত মাজু আই ওলোৱা ৮ম মান শ্ৰেণীৰ ছাত্ৰী শ্ৰীমতী নিলিমা বৰাক হাতাৰ সুৰেৰে টানি আনি মৰোৱা হৈছিল। ৰেংমাত ৩৪ খন নগা গাওঁ হৈছে। তেওঁলোক আমাৰ প্ৰতিবেশী। তেওঁলোকৰ লগত আমাৰ বহুকাল আগৰে পৰা সুন্দৰ সম্বন্ধ আছিল। কিন্তু তেওঁলোকে আমাৰ মাটিত বেদখল কৰিছে। সেই কাৰ্য্য অবিলম্বে বন্ধ কৰিবৰ কাৰণে তেখেত-সকলে যিখিনি চেষ্টা কৰিব লাগিছিল সেইখিনি চেষ্টা নকৰিলে। বিশেষকৈ শ্ৰীহকিচে চেমা মুখ্যমন্ত্ৰী হৈ থাকোতে সেই বেদখল কাৰ্য্য বেছিহে হবলৈ পালে। হকিচে চেমাৰ লগত মোকাবিলা কৰি তেতিয়াই সমস্যাৰ সমাধান কৰিব পাৰিলেহেতেন। আজি যি ঘটনা ঘটিল সেই ঘটনা অপ্ৰত্যাশিত ভাৱে ঘটিল। এই ঘটনা ঘটাৰ কিছু কিছু বাতৰি তিতাবৰত থকা থাৰ্ড এ,

পি, বেটেলিয়ানৰ হেড কোৱাৰ্টাৰলৈ ৰঙাজান কেম্পৰ পৰা, চুঙাজান কেম্পৰ পৰা আহিছিল। দুই তাৰিখে তিতাবৰ বেটেলিয়ানৰ হেড কোৱাৰ্টাৰত বৰাখানা পতা হৈছিল। তিতাবৰত বৰাখানা মাহিলী অন্ততঃ এবাৰ হয়। তাত মদ-মাংস থাকে, পুলিচৰ ডাঙৰ ডাঙৰ অফিচাৰসকল তালৈ যায় আনকি ডি-চি ও তাত উপস্থিত থাকে। তাৰ কামাণ্ডাৰ জন, শ্ৰীশৰ্ম্মই প্ৰসংশা পাই থাকে কাৰণ তেওঁ বৰাখানা পাতিব পাৰে। তেওঁৰ নাম ওলাবৰ কাৰণে বৰখানা পাতে। যোৱা ২ তাৰিখৰ বৰাখানাত আই, জি, পি, ডাঙৰীয়াও উপস্থিত আছিল। মাজে মাজে বাতৰি আহি আছিল যে নগা সকলে ঠায়ে ঠায়ে গোট খাইছে। আনকি আমাৰ কেম্পও তেওঁলোকে আক্ৰমণ কৰিব পাৰে। কিন্তু যিখিনি খবৰ সেইসময়ত পাইছিল সেইমতে কৰ্ত্তব্য পালন কৰিব পাৰিলেহেতেন কিন্তু কোনো ব্যৱস্থা নললে। ৩ তাৰিখে তাত পুনৰ বৰাখানা হ'ল। তাত বাবেৰ চাহাবো উপস্থিত আছিল। যিজন ডি, আই, জি হাফলঙত থাকিব লাগে তাত নাথাকি দিশপুৰত থাকে' মাজে মাজে তালৈ যায়। এই বৰাখানা ৪ তাৰিখেও চলি থাকোতে এচ, পিও, তাত উপস্থিত আছিল। তাত মদ-ভাত আৰু নাচ গানো চলিছিল। তালৈ খবৰ আহিছিল যে নগা সকল গোট খাইছে। তেতিয়া শ্ৰীশৰ্ম্মাই কৈছিল যে এইবিলাক মিছা খবৰ। তেওঁ কৈছিল যে কোনো চিপাহী কেম্পৰ পৰা ওলাই যাব নোৱাৰে কাৰণ আউট পোষ্ট আক্ৰমণ হব পাৰে। সেই আউট পোষ্টৰ পৰা চুঙাজান মাত্ৰ ত্ৰিশ মিটাৰ দূৰত ৰাইফলৰ গুলিৰ ৰেঞ্জে ঢুকি পোৱাত। তাত নগাই আক্ৰমণ কৰি ৯ জন মানুহক হত্যা কৰিলে। আনকি মাইকী মানুহকো হত্যা কৰিলে। এইটো ঘটনা হোৱাৰ আধা ঘণ্টা পিচত নগা পুনৰ ঘুৰি আহি মাইকী মানুহৰ পেট ফালি হাঁহি খিকিন্দালি কৰিলে। তালৈ কোনো

পুলিচ ওলাই নগল। তেওঁলোকে মাত্র নগা আক্রমণৰ পৰা কেম্প ৰক্ষাহে কৰিব। আজি সেই কাৰণে মই গৃহ মন্ত্ৰীক দাবী কৰিছো যে তিতাবৰৰ কামাণ্ডেণ্ট আৰু বাবেৰক তৎক্ষণাত চাচপেণ্ড কৰিব লাগে।

( ভইচ :- ইমিডিয়েট চাচপেণ্ড কৰিব লাগে। )

উপাধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয়ে পঠোৱাত আমি তালৈ গৈছিলো। আমি গৈ পিছদিনা টেলিফোন কৰি ডি, চি, ৰ গা লৰালো। আধা ঘন্টা পিচত নগা চাল এখন লৈ মুখত চিগাৰেট খৈ ভীম অহাদি ডি, চি, আহিছিল। আমি কথা কলে তেওঁ পিচুৱাই যায়। কাৰণ ৰাতিপুৱাও তেওঁৰ মুখত মদৰ গোন্ধ আছিল। আমাক কলে যে ২ তাৰিখে চৰকাৰলৈ পঠোৱা মেচেজৰ কপি এটা মই পাইছো। কিন্তু ব্যৱস্থা লোৱাৰ কথা তেওঁ ভবা নাই। আমি কলো যে বোৰডাৰৰ ব্যৱস্থা কৰিব নোৱাৰে কিন্তু জিলা খনৰ প্ৰতিকাৰৰ কাৰণেই কি ব্যৱস্থা কৰিছে? তেতিয়া তেখেতে কলে যে মই ব্যবস্থা লোবাৰ প্ৰয়োজন বোধ কৰা নাই। তাৰ পিচত আমি ৯ বজাত তাৰ পৰা গৈ সৰু পথাৰ কেম্প যেতিয়া পালো তেতিয়া তাত গম পালো যে ডি, চি, দুই তাৰিখে যোৰহাটত নাছিল। তেখেত কৰবাত বৰাখানাত আছিল। আমি ৰাতি ঘুৰি আহি এখন ডি, ও, লেটাৰ সম্পৰ্কত কোৱেৰি কৰতে তেখেতে কলে যে মই আচলতে খবৰটো ৪ তাৰিখেহে পাইছো।

এনেকুৱা অফিচাৰ যদি শাস্তিৰ সন্মুখীন নহয় তেতিয়াহলে জনতা চৰকাৰে যিমানেই ভাল কাম নকৰক কিয় অলপ বেয়া কামেই চৰকাৰে কৰা সকলো ভাল কামৰ কৃতিত্ব নোহে'ৱা কৰিব।

মধুপৰ্কত ঘিউ, মউ, গাখীৰ থাকিলেও অকণমান যদি চফা কেৰাচিন পেলাই দিয়া হয় তেতিয়াহলে ঘিউ, মউ বা গাখীৰৰ সকলো ভাল গুণ নথলে যাব। লেতেৰা কেৰাচিনৰ কথাই নাই চফা কেৰাচিনত অলপ মানো যদি পেলাই দিয়া হয় তেতিয়াহলে সকলো ভাল বস্তু নষ্ট হৈ যাব। এয়েই হৈছে অৱস্থা। আজি এই জনতা চৰকাৰৰ দিনতো এই চৰকাৰৰ কিছুমান কৰ্ম্মচাৰী আই কংগ্ৰেছৰ লগত লগ হৈ আছে আৰু চৰকাৰৰ বদনামৰ কাৰণেই এনেবোৰ কাম কৰি আছে।

উপাধ্যক্ষ মহোদয়, বহিৰাগতৰ নামত সকলোৱে উত্তেজনা প্ৰকাশ কৰিছে কিন্তু বাহিৰাগতৰ নামত এজন ভাৰতীয় নাগৰীককো অত্যাচাৰ কৰা যাতে নহয় সেইটো চোৱা হৈছে। কিন্তু জনা শুনাকে কোৱা হৈছে যে কামপুৰত এখন ৰাজহুৱা সভাত এজন এই সদনৰে বিধায়ক মোজাম্মিল হকক বহিৰাগত বুলি অসম চৰকাৰে ৰাহিৰ কৰি দিছে বুলি পঞ্চায়ত নিৰ্ব্বাচনৰ ৰাজহুৱা সভাত ঘোষণা কৰা কথাই এই বিলক কথাৰ সত্যতা প্ৰমাণ কৰিব। জমিতুল্লা হিন্দু বা আন কোনোবা যিয়েই নহক তেখেতৰ প্ৰতি মোৰ ভক্তি আছে। পণ্ডিত আলেম মানুহ মোৰ শ্ৰদ্ধা আছে।

(ভইচ : ৰাজনৈতিক গুৰু)

ৰাজনীতিত নামে যদি নামক বা ৰাজনীতি কৰক তাত আমাৰ কব লগীয়া নাই। কিয়নো গণতান্ত্ৰিক দেশ। কিন্তু কথা হৈছে তেখেতৰ ফালৰ পৰা যি বিলাক কমিউনেল কথা প্ৰচাৰ কৰা হৈছে তাৰ বিৰোধিতা কৰি এই চৰকাৰৰ ফালৰ পৰা কি কৰিছে?

ইয়াৰ ফলত এটা বেলেগ ধৰণৰ বাতাবৰণৰ সৃষ্টি হোৱাটো নিতান্ত স্বাভাৱিক। আমাৰ জনতা চৰকাৰৰ ইণ্টেলিজেন্স কলৈ গ'ল ? বোধহয় নাই। আগৰ মুখ্যমন্ত্ৰী শ্ৰীশৰত চন্দ্ৰ সিংহ ডাঙৰীয়াৰ দিনত কিন্তু ইণ্টেলিজেন্স বিভাগ ঠিক আছিল। চুপাৰ আছিল। আমি ক'ত কি কওঁ নকওঁ সকলো হিচাব ৰাখিছিল। কোৱা কাথাটো হিচাব ৰাখিবই নোকোৱা বিলাকো হিচাব কৰি ৰাখি থৈছিল। এতিয়া কিন্তু কোৱা কথা বিলাকো নোট কৰিবলৈ ইণ্টেলিজেন্স নাই। সম্পূৰ্ণ ফেইল মাৰিছে।

(ভইচ: সেই কাৰণে কৈছো ক্লীৱ চৰকাৰ)

মই কিন্তু আগৰ চৰকাৰতকৈ অলপ বেছি পৌৰুষত্ব থকা বুলিহে অনুমান কৰো। আগৰ চৰকাৰৰ ক্লীৱত্ব বিয়পিছে। সেই ভাইৰাচ যাতে ভালকৈ বিয়পিব নোৱাৰে তাৰ কাৰণে প্ৰতিষেধক ব্যৱস্থা লব লাগে। সেইটো নকৰাৰ কাৰণেহে এই বিলাক হবলৈ পাইছে। মুখ্য সচীব বা অন্যান্য বিষয়াই মন্ত্ৰী সকলৰ কথা নুশুনা বুলি অভিযোগ আছে। যদি সেই কথা সচা হয় তেনেহলে অকল সেই কথাৰ কাৰণেই জনতা চৰকাৰে পদত্যাগ কৰা উচিত। নগাল্যাণ্ডৰ কথাটো সুকীয়া। অসমৰ মুখ্যসচিৱে বৰ্ত্তমানৰ জনেও ওভটগোৰে নাচিব ধৰিছে বুলি অভিযোগ আছে। মুখ্যমন্ত্ৰীৰ হুকুমকেই দহ পোন্ধৰ দিন পেলাই থৈ দিছে। ইয়াৰ পিছতো জনতা চৰকাৰে পদত্যাগ কৰিব নালাগেনে ?

উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত কেইটামান গুৰু-

ত্বপূৰ্ণ কথা কোৱা হৈছে। অসম দেশত জলসিঞ্চনৰ ক্ষেত্ৰত দৃঢ় পদক্ষেপ হিচাবে কলিয়াবৰত উত্তোলিত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কথা কোৱা হৈছে। তিনি কোটি টকা খৰচ কৰা হৈছে। কিন্তু কলিয়বৰক হাৰিয়ানা কৰিম বুলি জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈ আহিলেও আচলতে কলিয়াবৰ হাৰিয়ানাটো নহ-লেই বৰঞ্চ থৰ মৰুভূমিহে হৈছে। অসম দেশত শুক্লা আদি যিমান বিলাক প্ৰজেক্ট কৰা হৈছে সেই আটাই বিলাক ডিফেক্-টিভ। অবৈজ্ঞানিক। কেৱল দুশ ত্ৰিশ টকাৰ বস্তু এটা চাৰিশ টকাত কিনাৰ কাৰণে তেওঁলোক ওস্তাদ। যমুনা জলসিঞ্চন আচনি কৰিলে সেইটোও ডিফেকটিভ। শুকাই থাকে। বাৰিষা পানী দিব পাৰে। বাৰিষা জুন জুলাই মাহত অসমত এনেয়েই পানী পোৱা যায়। সেই দুৰ্ঘোৰ বাৰিষাহে যমুনা জলসিঞ্চন প্ৰকল্পৰ দ্বাৰা পানী দিব পৰা হয়। খৰালি পানীৰ ব্যৱস্থা নাই। কিন্তু কেৱল পানী যোগানৰ সুবিধাৰ কাৰণেই হাৰিয়ানা আৰু পঞ্জাৱে ভাৰতৰ বেছি ভাগ শস্য উৎপন্ন কৰি আছে। বৈজ্ঞানিক ভাৱে পানী যোগান ধৰা হৈছে কাৰণেই শস্য উৎপাদন বঢ়াব পৰা হৈছে। কিন্তু আমাৰ ইয়াত সম্পূৰ্ণ ওলোটা ফল পোৱা গৈছে।

উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ কথা লক্ষ্য কৰিলে কি পাওঁ। যোৱা বছৰত এখোনো ভেন্সাৰ প্ৰাইমাৰী স্কুল চৰকাৰে লোৱা নাই। ই অতি পৰিতাপৰ কথা। এটা বছৰ পাৰ হৈ গ'ল। বহুতো বিধায়কক সভাপতি আৰু মেম্বাৰ হিচাবে একোখন বোৰ্ড পাতি দিছিল। বহুতৰে চুলি পকিল। মোৰো পকিব ধৰিলে। কিন্তু এজন লোককো শিক্ষক হিচাবে লব পাৰিলে ভাল পালো-হেতেন, এখন স্কুলকো লোৱাব পাৰিলে সন্তোষ পালোহেতেন।

কিন্তু তাৰ একোৱেই নহল। সেই কাৰণে এতিয়া সভাপতি সমন্বিতে আটাইখিনি মেম্বাৰে পদত্যাগ কৰিছো। এনে ধৰণেৰে শিক্ষা বিভাগ চলি থাকিব নোৱাৰে। সিদিনাখন মাননীয় সদস্য চামচুল হুদা ডাঙৰীয়াই কৈছে যে এনেকৈ হলে তিনিশ বিশ বছৰ লাগিব কিন্তু মই কওঁ সেইটো দুগুণ কৰিলেও একো নহব। অর্থাৎ ছয় শ চল্লিশ বছৰতো একো নহবগৈ। কিন্তু এটা কথা ঠিক যে এইজন শিক্ষা মন্ত্রীয়ে অটাইতকৈ বেছি বক্তৃতা দিছে। বক্তৃতা দিয়াৰ ক্ষেত্রত আগৰ সকলোকে এইবাৰৰ শিক্ষামন্ত্রীয়ে চেৰ পেলাইছে। শদিয়াৰ পৰা ধুবুৰীলৈকে বক্তৃতা চলি আছে। কেতেকীজানৰ কাহিনী চলি আছে। কলিজা দিব পাৰো কিন্তু পানী দিব নোৱাৰো। গোৱালপাৰাৰ ধুবুৰীতো কৈছে আৰু শিৱসাগৰতো কৈছে। মন্ত্রী মহোদয়েনো কি কথা কৈছে আমি নিজেই কব নোৱাৰো। মই নাটক লিখো, নাটকত ভাও দিওঁ। মন্ত্রীৰ কোনো ক্ষমতা নাই। ৰজা নাই মন্ত্রীহে আছে। মই ৰজা নহয়। মন্ত্রীহে মন্ত্রীৰ ক্ষমতা নাই' এই বিলাক অসসম শিক্ষামন্ত্রীয়ে কি কৈছে সেই বক্তৃতা আমি বুজি নাপাওঁ। আমি ভাবো মন্ত্রীয়ে মহাৰাজৰ পাৰ্ট কৰক। অসমৰ শিক্ষামন্ত্রীয়ে ৰজাৰ ভাও দিয়ক। কিন্তু শিক্ষা বিভাগক যদি সুসংস্কাৰ কৰা নহয় তেতয়াহলে এই সকলো মিছা। মানুহক আন্ধাৰত ৰাখি একো কাম কৰিব পৰা নাযাব।

Mr. Deputy Speaker— Order, order. The hon'ble member will resume his speech on the next Government business day. The House stands adjourned till 9 A.M. to-morrow the 23rd Feb. '79.

# ADJOURNMENT

The House then rose at 5 p. m. and stood adjourned till 9 A. M. on Friday, 23rd February, 1979.

DISPUR :

The 22nd February, 1979

P. D. BARUA,

Secretary,

Assam Legislative Assambly